# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLSTIVE ASSEMBLY
ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS
UNDER SOVEREIGN DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA

## BUDGET SESSION

## No. 4

**The 2nd March, 2007**

**Price Rs. : 56.00**

CONTENTS

# BUDGET SESSION

## No. 4

*Dated, the 2nd March, 2007*


| | | ***Page*** |
|---|---|---|
| 1. | Questions and Answers | 1-110 |
| 2. | Miscellaneous | 111-112 |
| 3. | Discussion on the Supplementary Statement of Expenditure Charged on the Consolidated Fund of the State for the Year, 2006-2007. | 112 |
| 4. | Voting on Supplementary Demands for Grants. | 113-141 |
| 5. | Statement by Minister | 141-142 |
| 6. | Adjournment | 142 |
| 7. | Annexures – I to XVII. | 143-180 |

# Debates of the Assam Legislative Assembly

**Friday, the 2nd March, 2007**

**The House met at 8.30 AM of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair**

## STARRED QUESTIONS & ANSWERS

**(To which oral replies were given)**

(Starred Question No. 61 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

## Subject : Development of Maidam Areas.

**Shri Drupad Borgohain asked :**

∗ 61. Will the Minister of Tourism be pleased to state :

(a) What new steps have been taken to development of Maidam Areas of Chukafa Nagar at Cheraideo in Nazira Assembly Constituency ?

(b) Whether the Govt. has taken any step to make the maidams free from illegal occupation ?

(c) Whether the Govt. has any plan to have a Tourist Bangla either in Simaluguri or in Nazira Town to help the tourists stay comfortably during their visit to these tourist spots of Cheraideo Parbat Areas ?

**Shri Rockybul Hussain (Minister of Tourism) replied :**

(a) Assam Tourism Department has undertaken the following new schemes for development of Maidam areas of Chukafa Nagar at Cheraideo under destination "Development of Sivsagar".

| | Name of the project | | Sanctioned cost |
|---|---|---|---|
| i) | Museum of the journey of the Ahoms | – | 18.12 lakhs |
| ii) | Construction of various structure depicting his journey from Yunnan via Laos, Thailand, Mynmar to reach Cheraideo | – | 34.82 lakhs |
| iii) | Public Conveniences in the Chukafa complex | – | 4.43 lakhs |
| iv) | Land Development of Chukafa complex including internal Roads and Paths, Horticulture operations, street lighting etc. | – | 6.14 lakhs |
| | | Total – | 63.51 lakhs |

The Ministry of Tourism, Govt. of India has already sanctioned an amount of Rs.63.51 lakhs for the above projects during 2006-07, and Rs.50.81 lakhs have been released.

(b) The Tourism Department will request the concerned authorities to take necessary action.

(c) At present, Tourism Deptt. have no plan to set-up a Tourist Bunglow in Simaluguri or in Nazira town. There is one Tourist Lodge at Sivsagar near Borpukhuri par and one wayside amenities centre near Tolatol Ghar for the tourists. However, the viability of the proposal will be examined.

**Mr. Speaker :** Starred Question No.62, Hon'ble Member, Shri Ranjit Dutta :

**বিষয় ঃ স্বাস্থ্য কেন্দ্ৰৰ ঘৰ মেৰামতি।**

**শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ**

* ৬২। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহালী সমষ্টিত থকা জিনজিয়া, খৰা শিমলু নতুন স্বাস্থ্যকেন্দ্ৰৰ ঘৰসমূহ মেৰামতিৰ বাবে NRHMৰ যোগেদি কিবা আঁচনি প্ৰস্তুত কৰিছে নেকি?

(খ) যদি কৰিছে, সেই স্বাস্থ্যকেন্দ্ৰৰ ঘৰসমূহ কেতিয়াৰ পৰা মেৰামতিৰ কাম আৰম্ভ কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিহালী সমষ্টিৰ জিনজিয়া আৰু খৰাশিমলু ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ দুটি NRHMৰ দ্বাৰা মেৰামতি কৰাৰ বাবে সদ্যহতে অন্তৰ্ভুক্তি কৰা হোৱা নাই।

(খ) অন্তভুৰ্ক্তি হ'লেই আন্তঃগাঠনি সমিতিৰ দ্বাৰা কাম আৰম্ভ কৰা হ'ব।

* **শ্ৰী ৰঞ্জিত দত্ত ঃ** চাৰ, মই দুটা কথা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। এই দুয়োটা স্বাস্থ্যকেন্দ্ৰৰ অৱস্থা বেয়া। ঘৰ-দুৱাৰ অতি বেয়া। ডেলিভাৰিৰ কোনো সুবিধা নাই। চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ আবাসগৃহৰ জৰাজীৰ্ণ অৱস্থা। এই দুয়োটা চাব-চেণ্টাৰৰ কাম আঁচনিৰ অন্ততঃ এন.আৰ.এইচ.এম-ৰ মাধ্যমত অন্তৰ্ভুক্ত কৰি হ'লেও কৰিব লাগে বুলি মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ। বিশেষকৈ জিনজিয়াত লেবাৰ আৰু ডাক্তৰৰ কোৱাৰ্টাৰ অলপ পইচা দি হ'লেও কিছু উন্নত কৰিব পাৰি।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** এন.আৰ.এইচ.এম.ৰ যোগেদি চিকিৎসালয় বিলাকৰ

* Speech not corrected

আন্তঃগাঠনি ঠিকভাৱে ৰূপায়ণ কৰাৰ কাম কৰি অহা হৈছে। পি.এইচ.চি আৰু চি.এইচ.চি-কে ধৰি এই বছৰত চাৰিটা অনুষ্ঠান শক্তিশালী কৰাৰ কথা চিন্তা কৰিছো। দ্বিতীয় পৰ্য্যায়ত পি.এইচ.চি আদিৰ কথা চিন্তা কৰা হৈছে। এফেলগে গোটেইখিনি কৰিবলৈ ল'লে অসুবিধা হয়। সেই কাৰণে প্ৰথমতে চাৰিটা অনুষ্ঠান শক্তিশালী কৰিবলৈ চিন্তা কৰা হৈছে। দ্বিতীয় পৰ্য্যায়ত স্বাস্থ্যকেন্দ্ৰ, ষ্টেট ডিচপেনচাৰি আদি হাতত লোৱা হ'ব। মাননীয় বিধায়ক ডাঙৰীয়াই দিয়া জিনজিয়া আৰু খৰাশিমলুৰ কাৰণে কিছু টকা দিয়া হৈছে। ডাক্তৰৰ লগত আলোচনা কৰি পাঁচ লাখকৈ দিব পৰা হ'ব।

* **শ্ৰী ৰঞ্জিত দত্ত ঃ** চাৰ, ইতিমধ্যে উপায়ুক্তৰ লগত যোগাযোগত খবৰ পোৱা হৈছে যে এন.আৰ.এইচ.এম-ৰ জৰিয়তে পাঁচ লাখৰ আঁচনি দিছে। খবৰটোৰ কাৰণে মই ধন্যবাদ দিছোঁ।

* **শ্ৰী ভূপেন কুমাৰ বৰা ঃ** চাৰ, এন.আৰ.এইচ.এম-ৰ দ্বাৰা বিভিন্ন স্বাস্থ্যকেন্দ্ৰ মেৰামতি কৰাৰ কাৰণে বিহপুৰীয়া সমষ্টিটো বিচৰা হৈছিল। ১৯৯১ চনতে আধাৰশিলা স্থাপন কৰা হৈছিল। বিল্ডিং এতিয়া হৈ আছে। মাননীয় স্বাস্থ্যমন্ত্ৰীয়ে চাই আহিছে। এইখনো থাৰ্টি বেডেড্।

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** বিহপুৰীয়া সমষ্টিত ত্ৰিশখন বিচনাযুক্ত হস্পিতালখন গড়কাপ্তানী বিভাগে ঘৰৰ কাম আৰম্ভ কৰিছিল। স্বাস্থ্য বিভাগে পোষ্ট ক্ৰিয়েট কৰা নাছিল। বিধায়ক মহোদয়ক কথাটো কোৱা হৈছিল। আমি সমষ্টি অনুযায়ী কৰিম বুলি ভাবিছোঁ।

**Mr. Speaker :** My problem is that you are asking questions of your constituency. Hon'ble Minister may not be able to reply your questions.

* **শ্ৰী ভূপেন কুমাৰ বৰা ঃ** চাৰ, মৰনৈ থাৰ্টি বেডেড্ হস্পিতালৰ কাৰণে ডাক্তৰৰ নিযুক্তি দিছে কিন্তু —

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ এই প্ৰশ্নৰ লগত সকলোবিলাক একেলগে নুঠে। উত্তৰ দিয়াৰ কথাও আছে।

* শ্ৰী ভূপেন কুমাৰ বৰা ঃ ডাক্তৰ কেইজনমান নিযুক্তি দিছে। কাম কৰিব পাৰিলে সেই অঞ্চলৰ ৰাইজ উপকৃত হ'ব।

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ কেইজনমান ডাক্তৰ নিযুক্তি দিয়া হৈছে। ডাক্তৰ পালে আৰু দিব পৰা হ'ব।

* শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ডাক্তৰ নিযুক্তি দিয়াৰ কথা কৈছে। কিন্তু গ্ৰাম্য চিকিৎসালয়ত পৰ্য্যায়ক্ৰমে চিকিৎসক নিযুক্তি দিয়াৰ ক্ষেত্ৰত তেওঁলোকক অলপ অধিক সা-সুবিধা দিয়া কথা মন্ত্ৰী মহোদয়ে কৈছিল। ইতিমধ্যে নিযুক্তি দিয়া সকলৰ ক্ষেত্ৰত তেনে অধিক সা-সুবিধা দিয়া হৈছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোঁনে?

* ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বছৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি যিসকল ডাক্তৰে গাঁৱৰ চিকিৎসালয়ত কাম কৰি আছে, তেখেতসকলক তিনি হাজাৰ টকাকৈ প্ৰতি মাহে দৰমহাৰ উপৰিও বানচ দিয়া হ'ব। এই প্ৰতিশ্ৰুতি অনুসৰি আমাৰ গাওঁ অঞ্চলৰ সকলো চিকিৎসালয়ৰ লগতে কৰিমগঞ্জ, হাইলাকান্দি আদি সকলো সামৰি লোৱা হৈছে। এই অনুসৰি জ্যেষ্ঠতাৰ ভিত্তিত ৫ হাজাৰ, ৪ হাজাৰ আৰু ৩ হাজাৰ টকাকৈ অতিৰিক্তভাৱে বানচ দিয়া হ'ব আৰু ইয়াৰ বাবে মুখ্য চিকিৎসা বিষয়াৰ বাবে বছৰি ৬০ হাজাৰ টকা, চিকিৎসা বিষয়া — ১ৰ বাবে ৪৮ হাজাৰ টকা আৰু স্বাস্থ্য বিষয়াৰ বাবে ৩৬ হাজাৰ টকাকৈ অনুমোদন কৰা হৈছে। এই ব্যৱস্থাৰ দ্বাৰা ডাক্তৰসকলে গাওঁ অঞ্চলত কাম কৰাৰ বাবে প্ৰেৰণা পাব। যিহেতু এই ফাগুটো যোৱা জানুৱাৰী মাহতহে চেংচন কৰা হৈছে, ইয়াৰ ইমপেক্ট তেখেতসকলৰ ওপৰত কিমান পৰিব

* Speech not corrected

তাৰ বিষয়ে আমি এতিয়াও জানিব পৰা নাই। তথাপি আমি আশা কৰিছো গাওঁ অঞ্চলত কাম কৰা ডাক্তৰসকল লাভৱান হ'ব।

**শ্ৰী অকণ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব খুজিছোঁ। আমাৰ ক্ষেত্ৰী অঞ্চলত এখন চি.এইচ.চি আছিল, যিখন একেবাৰে মৃতপ্ৰায় অৱস্থাত আছিল। আমাৰ মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰাৰ পিচত সেইখন এতিয়া এক্টিভ হৈছে আৰু এতিয়া কাম-কাজ চলি আছে। তাৰ বাবে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। এইখিনিতে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যে আমাৰ সোনাপুৰ অঞ্চলটো মেলেৰীয়াপ্ৰীড়িত অঞ্চল। এই অঞ্চলত যাতে আকৌ মেলেৰীয়াত মানুহৰ মৃত্যু নহয় তাৰবাবে সেই অঞ্চলত এজন ডাক্তৰ আৰু এখন এম্বুলেঞ্চৰ সৈতে এটা মেলেৰীয়া প্ৰতিৰোধ ইউনিট খোলাৰ বাবে ব্যৱস্থা ল'বলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যজনৰ লগতে সদনৰ সকলো সদস্যকে জনাব খুজিছো যে, মাৰ্চ মাহৰ ভিতৰত আমাৰ প্ৰতিখন পি.এইচ.চি আৰু চি.এইচ.চি-ত একোখনকৈ এম্বুলেঞ্চ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে, ইয়াৰ ভিতৰত ক্ষেত্ৰী আৰু সোনাপুৰো পৰিব। আৰু মেলেৰীয়া প্ৰতিৰোধ সংক্ৰান্তত চৰকাৰৰ ফালৰ পৰা সকলো মাননীয় সদস্যলৈ এখন চিঠি যাব, এই চিঠিখনতে মেলেৰীয়া প্ৰতিৰোধ সম্পৰ্কে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে উল্লেখ থাকিব। এই বিষয়ত মাননীয় সদস্যসকলৰো সহযোগ লাগিব। সোনাপুৰৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীঅকণ বৰাৰ লগত আলোচনামৰ্মে ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Starred question No.63, Hon'ble Member, Dr. Tara Prasad Das.

**বিষয় ঃ জননী সুৰক্ষা আঁচনি।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

---

* Speech not corrected

* ৬৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানলৈকে জননী সুৰক্ষা আঁচনিৰ জৰিয়তে কিমানগৰাকী গৰ্ভৱতী মহিলা উপকৃত হৈছে আৰু ইয়াৰ বাবে কিমান টকা ব্যয় কৰা হৈছে? (সদনৰ মেজত জিলা ভিত্তিত তথ্য দাখিল কৰিব।)

(খ) জননী সুৰক্ষা আঁচনিৰ অধীনত জন্মলাভ কৰা শিশুৰ ক্ষেত্ৰত জন্ম-মৃত্যুৰ অনুপাত কিমান?

(গ) আশা কৰ্মীসকলক কি কি চৰকাৰী নীতি-নিৰ্দেশনা আৰু অৰ্হতাৰ আধাৰত নিযুক্তি দিয়া হয়?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমানলৈ ১,১৯,৫৭২ গৰাকী গৰ্ভৱতী মহিলা উপকৃত হৈছে। ইয়াৰ বাবে ১৩,৩১,৩১,৭০০/- টকা ব্যয় কৰা হৈছে। (জিলা ভিত্তিত তথ্য সংলগ্ন কৰি দিয়া হ'ল।) (See Annexure-I)

(খ) শিশুৰ মৃত্যুৰ হাৰ আদি তথ্যসমূহ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত NFHS (National Family Health Survey) বা SRS (Sample Registration System) Regional General, India Censusৰ যোগেদি সম্পন্ন কৰা হয়। ইতিমধ্যে প্ৰকাশিত ২০০৫ চনৰ প্ৰতিবেদন মতে সামগ্ৰিকভাৱে অসমত শিশুৰ মৃত্যুৰ হাৰ প্ৰতি হাজাৰত ৬৮টা।

জননী সুৰক্ষা আঁচনিৰ অধীনত জন্মলাভ কৰা শিশুৰ ক্ষেত্ৰত জন্ম-মৃত্যুৰ অনুপাত সম্পৰ্কে ভাৰত চৰকাৰে জৰীপ কৰা নাই। জননী সুৰক্ষা আঁচনি চলিত বিত্তীয় বৰ্ষৰ পৰা অসমত প্ৰৱৰ্তন কৰা হৈছে। সেয়েহে এনে জৰীপৰ ব্যৱস্থা এতিয়ালৈ লোৱা হোৱা নাই।

(গ) আশাৰ Guide line অনুসৰি আশাৰ কৰ্মীসকল ২৫-৪৫ বছৰ বয়সৰ বিবাহিতা বা বিধৱা অথবা বিবাহ-বিচ্ছেদ হোৱা মহিলা হ'ব লাগে। ন্যূনতম শিক্ষাগত

অৰ্হতা অষ্টম শ্ৰেণীলৈ পঢ়া হ'ব লাগে। আশাৰ engagementৰ ক্ষেত্ৰত গাওঁ পঞ্চায়তক দায়িত্ব দিয়া হৈছে।

* **ডাঃ তাৰা প্ৰসাদ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, ১,১৯,৫৭২ গৰাকী গৰ্ভৱতী মহিলা উপকৃত হৈছে আৰু তাৰ বাবদ ১৩,৩১,৩১,৭০০ টকা ব্যয় হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে চৰকাৰে এই ১৩,৩১,৩১,৭০০ টকা ৰিলিজ কৰি দিলে, এই টকাখিনি প্ৰকৃতভাৱে খৰচ হৈছে নে নাই? আমি দেখিছোঁ কিছুমান পি.এইচ.চি-ত গৰ্ভৱতী মহিলাই ডেলিভাৰীৰ পিচত যি ১৪শ টকা পাব লাগে, সেই টকাৰ বাবে বাৰে বাৰে অহা-যোৱা কৰিও পোৱা নাই। এই বিষয়ত মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ বাবে মই মাননীয় সদস্যজনক ধন্যবাদ জনাইছোঁ। আমাৰ চৰকাৰে যি জননী সুৰক্ষা আঁচনি লৈছে, এই আঁচনি পৰ্য্যাপ্ত পৰিমাণে চলি আছে। এই আঁচনিৰ ধনখিনি জিলা পৰ্য্যায়ত জিলা যুটীয়া সঞ্চালকে, গাঁৱৰ চিকিৎসালয়বিলাকত বিতৰণ কৰে আৰু চিকিৎসা বিষয়াসকলে জননীসকলৰ মাজত বিতৰণ কৰে। আমি জনাত শতকৰা ৭০ ভাগ ঠিকেই চলি আছে, মাত্ৰ শতকৰা ৩০ ভাগত অলপ অসুবিধা হৈছে। প্ৰথম কথাটো হ'ল, তিনি লাখকৈ যিখিনি টকা জিলাসমূহত দিয়া হয়, সেই টকাখিনি খৰচ হোৱাৰ পিচত পিচৰ টকাখিনি পাওঁতে কেতিয়াবা ১৫/২০ দিনৰ পৰা ১/২ মাহ লাগি যায়। সেই সময়ছোৱাত কেতিয়াবা পইচা পোৱাত অসুবিধা হ'ব পাৰে। সেই কাৰণে আমি চৰকাৰৰ পৰা জনাই দিছো যে শতকৰা ৬০ ভাগ টকা খৰচ হোৱাৰ লগে লগে যাতে বাকী টকাৰ বাবে যোগাযোগ কৰে। তেতিয়া এই গেপ পিৰিয়ডত মহিলাই টকা পোৱাত যি অসুবিধা হয় সেইটো নাথাকিব। দ্বিতীয়তে, এই টকা-পইচা বিতৰণৰ কামটো ডাক্তৰসকলে অলপ অসুবিধা পায়, যিহেতু এইটো ক্লাৰ্কৰ কাম। সেই কাৰণে আমাৰ চৰকাৰে প্ৰতিখন পি.এইচ.চি-তে একোজন

* Speech not corrected

কমাৰ্চ গ্ৰেজুৱেট এই হিচাপ-কিতাপ চোৱাৰ বাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। তৃতীয়তে, এনেকুৱা কিছুমান মানুহো আছে, তেওঁলোকে ভাবে পইচাটো দিয়াত দেৰি কৰিলে, পিচত নিবলৈ নাহিব নেকি? কিছুমান চিকিৎসালয়ত এনেকুৱাও হৈছে, যে ঘৰত জন্ম হোৱা কেচো তালিকাভুক্ত কৰি পইচা লৈছে। মই এখন চিকিৎসালয়ৰ কথা উল্লেখ কৰিব খুজিছোঁ। চিকিৎসালয়খনৰ নাম নকওঁ, মৰিগাওঁ জিলাত, নামটো কৈয়ে দিওঁ, লাহৰিঘাট প্ৰাথমিক চিকিৎসালয়ত জন্মৰ যিটো সংখ্যা দিছে, সিমান সংখ্যক জন্ম আমাৰ গুৱাহাটী মেডিকেল কলেজতে নহয়। গতিকে অহা জুন/জুলাই মাহত কোনো-কোনোবা জেললৈ যাবলগা হ'লেও আচৰিত হ'বলগীয়া একো নাথাকিব।

* **ডাঃ তাৰা প্ৰসাদ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে, এচ.আৰ.এচ চিষ্টেম মতে কৰা চাৰ্ভেৰ মতে ২০০৫ চনৰ প্ৰতিবেদন মতে শিশুৰ মৃত্যুৰ হাৰ প্ৰতি হাজাৰত ৬৮টা। মই ভাবো এইটো সৰ্বভাৰতীয় নিৰিখৰ লগত মিলা নাই। আমাৰ চৰকাৰে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি তেওঁলোকৰ আৰ্হিত চাৰ্ভে কৰাৰ ব্যৱস্থা কৰিব লাগে। দ্বিতীয়তে, আশা কৰ্মী নিযুক্তিৰ ক্ষেত্ৰত আমাৰ যিসকল আশা কৰ্মীক নিযুক্তি দিয়া হ'ল, তেওঁলোকক সকলোকে নিয়োগ কৰা হোৱা নাই। বিশেষকৈ ব্লক লেভেল পি.এইচ.চি বিলাকত এই আশা কৰ্মীবিলাকক নিযুক্তি দিয়া হোৱা নাই। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব নেকি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো 'মেল ৮ নিউট্ৰেচন' আৰু ইমেচিউৰ মৰটেলিটি এই গোটেই বিলাকৰ ওপৰত আমি হিচাপ কৰি চাইছো, মৰটেলিটিৰ সংখ্যা আগতকৈ বহুত কম হৈছে। ২০০১ চনত যিটো সংখ্যা আছিল ২০০৫ চনৰ চাৰ্ভেত বহুত কম পোৱা গৈছে। গোটেই ভাৰতবৰ্ষৰ যিটো মৰটেলিটিৰ এভাৰেজ তাতকৈ অসমত বহুত তলত আছে।

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, আমি আশা কৰিছো এই বছৰ বা অহা বছৰ এই দুটা বছৰৰ ভিতৰত আমি ৰাষ্ট্ৰীয় পৰ্য্যায়লৈকে যাব পাৰিম। আমি যোৱা ছয়টা বছৰত কৰা কাম-কাজবিলাক দেখুৱাবলৈ আৰম্ভ কৰিছো, উদাহৰণ স্বৰূপে কৈছোঁ— ২০০১-২০০২ চনত অসমত শিশুৰ মৃত্যুৰ হাৰ প্ৰতি হাজাৰত ৭৫ জন আছিল, কিন্তু ২০০৫ চনৰ প্ৰতিবেদন মতে ৬৮ জনলৈ হ্ৰাস পাইছে। এন.এফ.এইচ.এচ-ত ১৪০০ (চৈধ্যশ) শ টকা দিয়া হৈছে। এই টকাটো শিশুটিক যত্ন ল'বৰ বাবে প্ৰাথমিকভাৱে মাকক দিয়া হয়। শিশুটিক পুষ্টিকৰ খাদ্য যোগান ধৰিবৰ বাবে দিয়া হয়। আমি আশা কৰো আমাৰ ফিল্ড-পজিটিভ, আমি সোনকালে পাম। আমাক চিঠি এখন দিলে যথেষ্ট, আমি যিমান পাৰো ব্যৱস্থা ল'ম। যদি নোৱাৰোঁ, সেই ঠাইত উপস্থিত হ'ম। মই বৰপেটা জিলাৰ উপায়ুক্তক ক'ম তাত পি.এইচ.চি এটা যাতে হয় আৰু এই ব্যৱস্থাটো যাতে আমি কৰিব পাৰোঁ।

**Dr. Rumi Nath :** Sir, I know that a pregnant woman after delivery in hospital gets 1400.00 and in case of home delivery the woman gets Rs.500.00 only. But I have seen in my Barkhola constituency that there is a place named Chandranathpur which is far away from the town where there is none to look after the pregnant woman. Moreover, they are not getting the Government benefit after their delivery. I came to know that to get this benefit the woman has to obtain ration card or BPL card. Because of nonavailability of BPL card with them they are deprived from getting this benefit. May I know from the Hon'ble Minister when the women of such interior area will be provided with BPL card ? Whether Government will take urgent steps in this matter ?

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি delivery hospitalত

---

* Speech not corrected

হয়, তেতিয়া প্ৰমাণ পত্ৰৰ প্ৰয়োজন নাই আৰু যদি ঘৰত হয় তেতিয়া প্ৰমাণ পত্ৰৰ প্ৰয়োজন আছে। ঠায়ে ঠায়ে চাব-চেণ্টাৰত বনাই দিলে তাতো ডেলিভাৰি কৰাৰ ব্যৱস্থা কৰিব পাৰি। এই বিষয়ে মই জিলা উপায়ুক্তৰ লগত কথা পাতিছো আৰু আশা কৰিছো এই ক্ষেত্ৰত প্ৰসূতি মহিলাসকলে জননী সুৰক্ষা আঁচনিৰ জৰিয়তে যাতে সুবিধা পায়।

* ডাঃ আদিত্য লাংথাছা ঃ মাননীয় অধ্যক্ষ মহোদয়, জননী সুৰক্ষা আঁচনিৰ জৰিয়তে জন্ম লাভ কৰা শিশুসকলক পুষ্টিকৰ খাদ্য যোগান ধৰা যি আঁচনি লোৱা হৈছে, তাত নিশ্চয় পদক্ষেপ ল'ব। এই পইচাটো পাবৰ কাৰণে মহিলাসকলে ২/৩ মাহ ৰ'বলগীয়া হয়। National Rural Development Missionৰ যোগেদি আমি আঁচনিখন লৈ আছোঁ। ইনষ্টিটিউচনেল ডেলিভাৰীৰ ক্ষেত্ৰত এই আঁচনিখন সফল ৰূপায়ণ কৰিব লাগে। ইয়াত কেৱল টকা-পইচা বা সা-সুবিধা দিলে নহ'ব — উপযুক্ত চিকিৎসা প্ৰদান কৰিব লাগিব। এই বিষয়ত মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। শিশুসকলক উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ লগতে মাতৃসকলৰ চিকিৎসাৰ কাৰণে স্ত্ৰীৰোগ বিশেষজ্ঞৰ প্ৰয়োজন অনুসৰি নিযুক্তি দিব পৰা নাই। এইটো কেতিয়া কৰা হ'ব?

যোৱা কেইবছৰমান আমি যদি বিশ্লেষণ কৰি চাওঁ দেখা যায় কোনো ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ ল'ব পৰা নাই। গাঁৱত চিজাৰিণৰ ব্যৱস্থা যাতে নিয়াৰিকৈ কৰিব পাৰে তাৰ কাৰণে গাঁৱত ডাক্তৰ নিয়োগ কৰিবৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আশা কৰ্মীসকলক নিয়োগ কৰিবৰ বাবে ন্যূনতম শিক্ষাগত অৰ্হতা থকা লোকসকলক নিযুক্তি দিয়া হয়, আমি তেওঁলোকক স্বাস্থ্যকৰ্মী হিচাবে গণ্য কৰিম। সেই আশা কৰ্মীসকলক কেনে ধৰণৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

---

* Speech not corrected

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ১১০টা ডেলিভাৰিৰ ভিতৰত ১০ শতাংশ চিজাৰিয়ান আৰু ৯০ শতাংশ নৰমেল ডেলিভাৰি হয়। তাৰ বাহিৰেও বহুত সমস্যা আছে। এই সমস্যাবোৰ সমাধান কৰিবৰ বাবে আমি ব্যৱস্থা কৰি আছো। যদি ৯০ শতাংশ নৰমেল ডেলিভাৰি হয় এইটো হৈছে আমাৰ প্ৰথম পদক্ষেপ। যেতিয়া চাৰ্ভে হ'ব তেতিয়া আচল কথাটো ফুটি উঠিব।

মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ আমি বিত্ত বিভাগক অনুৰোধ কৰিছো যাতে এই কথাটো ছেপাৰেট কৰিব পৰা যায়। হেল্‌থত বৰ দিগদাৰ। ডাক্তৰে কয় আমি বেছি কাম কৰো আমাক দিব লাগে, নাৰ্চে কয় আমি বেছি কাম কৰো আমাক দিব লাগে, আকৌ আৰ্য়ুবেদিক ডাক্তৰে ক'ব আমি গাঁৱত থাকো আমাক দিব লাগে। তেতিয়া আমাৰ সমস্যা হৈ যায়। ডাঃ বৰ্মণ ছাৰে ৪টা বেট্‌চ এডমিশ্যন দিছিল। সেইটো অহা জুন মাহত ওলাব। তেতিয়া চিটুৱেচনটো অলপ ভাল হ'ব। কিছুমান ডাক্তৰক 'হেল্‌থ-এ'ত ৰাখিবলৈ আপোনালোকে কি ধৰণে চিন্তা কৰি ইনিচিয়েটিভ ল'ব লাগে আমাক কওঁক। আমাৰ এফ.আৰ.ইউ-বিলাকত ভাল কাম হৈছে। আমাৰ আশাবিলাক হ'ল চছিয়েল মবিলাইজেচনৰ এক অংগ। এইবাৰ অসমত ৪ মাহত টিকাকৰণ কৰিবলৈ সক্ষম হৈছে। ১৭% শিশুৰ টিকাকৰণ কৰা হৈছে। বৰ্তমান ৩০%লৈ বৃদ্ধি পাইছে। ৮০% পাবলৈ আমি আশা কৰিছোঁ। এক সমীক্ষাত ইউনিচেফে প্ৰকাশ কৰিছে যে ৬০-৬৫% শিশুক কভাৰেজ কৰিব পাৰিছে। এইদৰে কৰিব পাৰিলে আমাৰ শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট কমাব পাৰিম। অসমত নীৰৱভাৱে স্বাস্থ্য বিভাগ এটা কামত আগবাঢ়িছে। ইউনিচেফ আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা টকা পালে আমাৰ স্বাস্থ্য বিভাগৰ এটা পৰিৱৰ্তিত ৰূপ প্ৰকাশ পাব। তাৰ কাৰণে কাম আৰম্ভ কৰিছোঁ। আশা আৰু অংগনবাদিসকল আমাৰ সহায়। প্ৰথম ৰাউণ্ড হৈ গৈছে। দ্বিতীয় ৰাউণ্ডৰ

* Speech not corrected

কাম আৰম্ভ হ'ব। এতিয়া আশাসকলক একোটাকৈ ৰেডিঅ' চেট দিয়াৰ কাৰণে ব্যৱস্থা কৰি আছোঁ।

* **মৌলানা আতাউৰ ৰহমান মাজাৰভুইয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় স্বাস্থ্যমন্ত্ৰী মহোদয় ফেমিলি হেল্‌থ সাৰ্ভেৰ সেন্সাস মতে আসামে শিশু মৃত্যুৰ সংখ্যা হাজারে ৬৮ জন বলে জানিয়েছেন — যেখানে সর্বভারতীয় স্তরে এই হার হাজারে ৫৮ জন। বিকশিত আসামে এই হার হাজারে ১০ বেশী হওয়ার কারণ কি মন্ত্রী মহোদয় জানাবেন কি?

* **ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিকশিত অসমৰ ছবি এইটোৱে যে ২০০১-২০০২ চনত মৃত্যুৰ হাৰ আছিল ৭৫ জন। ২০০৫ত এই হাৰ ৬৫ জন হ্ৰাস পাইছে। এতিয়া আমাৰ টাৰ্গেট ৫৮ জনলৈ কমাব লাগে। সেইটো আমি কমাই দেখুৱাই দিম।

(Starred Question No. 64 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto.)

## বিষয় ঃ পৰ্য্যটন কেন্দ্ৰ।

## শ্ৰীকমলসিং নাৰ্জাৰীয়ে সুধিছে ঃ

* ৬৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ বিশেষ সহায়তাত প্ৰতিখন জিলাতে একোখনকৈ পৰ্য্যটন কেন্দ্ৰ গঢ়াৰ পৰিকল্পনা ৰাজ্য চৰকাৰৰ আছেনে?

(খ) যদি আছে, চিৰাং জিলাৰ বিজনী মহকুমাত কোচ ৰজা বিজিত নাৰায়ণৰ ৰাজধানী পুনৰ নিৰ্মাণ কৰি উক্ত স্থানত পৰ্য্যটন কেন্দ্ৰ গঢ়িবলৈ ৰাজ্য চৰকাৰে উদ্যোগ গ্ৰহণ কৰিবনে?

---

* Speech not corrected

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ সহায়ত জিলা ভিত্তিত পৰ্য্যটনৰ আঁচনি লোৱা হোৱা নাই যদিও জিলাৰ অন্তৰ্গত পৰ্য্যটকৰ আকৰ্ষণীয় স্থানসমূহত আঁচনি লোৱা হৈছে।

(খ) উক্ত স্থানত বৰ্তমান আঁচনি লোৱা নাই যদিও ভৱিষ্যতে আঁচনি লোৱাৰ বাবে বিবেচনা কৰা হ'ব।

**Mr. Speaker :** Now, starred question No.65, Hon'ble Member,

**Subject : Wetland Development.**

Dr. Alaka Sarma asked :

* 65. Will the Minister of Environment & Forest be pleased to state :

(a) What is the wetland development and protection policy of Government of Assam ?

(b) Whether, Deepor Beel, situated near Guwahati, is a protected site as per RAMSAR agreement on protection wetlands ?

(c) What protective measures have been taken by Government to safe guard Deepor Beel from Environmental degradation?

(d) Is it true that garbage of the city of Guwahati is dumped at Deepor Beel ? If so, when will it be stopped by legally & effectively ?

(e) Is the Government aware that over the years arrival of migratory birds to Deepor Beel have reduced ? What remedial measures have been taken ?

**Shri Rockybul Hussain (Minister Environment & Forest) replied :**

(a) Govt. of Assam have declared all the wetlands like marshes, bogs, flood plains, beels, peat land, old and abandoned river

courses, shallow ponds etc. as Reserved Wetlands vide Notification No. RSD-5/94/10 dt. 31-5-1995 and authorised the Deputy Commissioners of concerned districts (excluding two Hill Districts) to declare all such Wetlands following the spirit of Rules 83-96 of the Settlement rules of ALRR-1886.

(b) Yes. Deepor Beel is a protected site. Govt. of Assam has also declared Deepor Beel as Sanctuary under the provision of Section-18 of Wildlife Protection Act, 1972 vide notification No. FRW-1/89/26 dt. 12-1-1989.

(c) Govt. have been taking protection measures to safeguard Deepor Beel from environmental degradation through two agencies, namely (1) Assam Science Technology & Environment Council (ASTEC) and (2) Pollution Control Board, Assam.

Following protection measures are being taken –

i) Regeneration of silted area into waterbody.

ii) Construction of embankment.

iii) Catchment area treatment through silt detention measures, fencing, trenching, gully control measures, silt pits, plantation in forest blanks etc.

iv) Weed Control.

v) Water quality monitoring and analysis by both ASTEC and PCB separately in 10 sampling points in monthly and quaterly intervals.

vi) Community participation & Educational awareness programmes among local people, students etc. towards conservation measures.

(d) Garbage from City of Guwahati is not dumped directly

into Deepor Beel but being dumped on a site about 1 KM away from Deepor Beel (near Paschim Boragaon in Gorchuk). Pollution Control Board, Assam has already issued necessary instructions and guidelines to Guwahati Municipal Corporation on the matter under Municipal Solid Waste (Management and Handling) Rule, 2000.

(e) Yes. Though arrival of migratory birds to Deepor Beel was reported to be reduced to some extent, presently, after regeneration of a considerable portion of silted area, the arrival of migratory birds has increased. A recent survey recorded 202 species of birds in Deepor Beel.

* **ডঃ অলকা শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নকেইটাৰ সঠিক উত্তৰ পোৱা নাই। ডিক্লিয়াৰেচনটোৱে চৰকাৰৰ পলিচি হ'ব নোৱাৰে। বহুত বছৰৰ আগতেই ডিক্লিয়াৰ কৰা হৈছিল। কিন্তু সংৰক্ষণৰ ব্যৱস্থা লোৱা নাই। দ্বীপৰ বিল প্ৰটেক্ট কৰিলে ১৯৯৯ চনতেই। কিন্তু সংৰক্ষণৰ বাবে আমাৰ ফালৰ পৰা কি পলিচি লৈছে বা কি ব্যৱস্থা কৰিলে সেইটো জানিব খুজিছো। হাইৰেদি অহা-যোৱা কৰোতে দেখা পাইছো তাত মাটি পুতি আছে। এখন চাইন ব'ৰ্ডো নাই। দ্বীপৰ বিলক এতিয়া ডেমেজ হেৰিটেজ চেণ্টাৰ হিচাপেহে ঘোষণা কৰিবলৈ বাকী। এইটো যাতে নহয় তাৰ ব্যৱস্থা চৰকাৰে ল'ব লাগে। দ্বিতীয়তে, গাৰ্বেজৰ কথা। ১ কিঃমিঃ দূৰত পেলাব বুলি কৈছে, কিন্তু এইটো একো দূৰত্ব নহয়। গাৰ্বেজবোৰ দম কৰা হৈছে। বৰষুণ দিলে পানী ইয়াৰ লগত মিহলি হৈ দ্বীপৰ বিলত পৰে আৰু বিলখনক প্ৰদূষিত কৰে। আমাৰ ভৰলু নদীখন এখন প্ৰদূষিত নদী। তাৰ পানী দ্বীপৰ বিলত পৰিলে এইবিলাক প্ৰদূষিত হ'ব। তাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে।

* **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৰিবেশ সুৰক্ষাৰ স্বাৰ্থত আমাৰ মাননীয় সদস্যসকলে যি বক্তব্য আগবঢ়াইছে তাৰ বাবে মই ধন্যবাদ

* Speech not corrected

জনাইছোঁ। আমাৰ চৰকাৰে এই কথাটোত যথেষ্ট গুৰুত্ব দিছে। মাননীয়া সদস্যাৰ প্ৰশ্নৰ উত্তৰ যথেষ্ট দীঘলীয়াকৈ দিয়া হৈছিল। আমাৰ দুটা এজেন্সী, আছাম ছাইন্স টেকনলজি এণ্ড এনভায়ৰনমেণ্ট কাউন্সিল আৰু পলিউচন কণ্ট্ৰল ব'ৰ্ডে কিছুমান পৰামৰ্শ দিছে আৰু সেইমতে আমি কাম কৰিবলৈ আগবাঢ়িছোঁ। যদি মাননীয় সদস্যসকলে আৰু ভাল পৰামৰ্শ দিয়ে দ্বীপৰ বিল সংৰক্ষণৰ ক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে তেওঁলোকক অনুৰোধ কৰিছো, আমি গ্ৰহণ কৰিম। সৌ সিদিনা আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইফালেৰে যাওঁতে দেখা পাইছিল মাটি পুতি থকা। তেখেতে নিজেই জিলা প্ৰশাসনক এইক্ষেত্ৰত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে।

মাননীয় অধ্যক্ষ মহোদয়, দ্বীপৰ বিলৰ লগতে থকা বহুতো মানুহৰ ম্যাদী মাটি আছে আৰু অন্যান্য বহুতো অসুবিধা আছে। আপোনালোকে যদি এটা পজিটিভ দৃষ্টিভংগীৰে পৰামৰ্শ আগবঢ়ায়, যেনে ধৰণে আপোনালোকে ভাবে আপোনালোকৰ লগত কথা পাতি এৰাধৰাকৈ কিবা এটা ব্যৱস্থা ল'বলৈ চেষ্টা কৰিম। দ্বিতীয়তে, গাৰবেজৰ ক্ষেত্ৰত যিখিনি কথা কৈছে সেইটো আমি স্বীকাৰ কৰিছোঁ। গাৰবেজবিলাক যাতে ১ কিলোমিটাৰ দূৰত্বত নেপেলাই।

* **ডঃ অলকা শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, লিগেলি তেওঁলোকে বন্ধ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যে সদিচ্ছা প্ৰকাশ কৰিছে, তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। মই ভাবো অতি সোনকালে তাত এখন চাইনব'ৰ্ড লগোৱাৰ ব্যৱস্থা কৰিব লাগে। ভৰলু নদীৰ কলুষিত পানী যাতে দ্বীপৰ বিলত নপৰে তাৰ এটা ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বীপৰ বিলৰ সম্পৰ্কে যি প্ৰশ্ন উত্থাপন কৰা হৈছে, সেই সম্পৰ্কে মোৰ দুআষাৰমান ক'বলগা আছে। দ্বীপৰ বিলৰ যি পৰিবেশ, সেই পৰিবেশ একেবাৰে বিনষ্ট হৈছে।

* Speech not corrected

এই পৰিবেশ বিনষ্ট হোৱাৰ মূল কাৰণ হ'ল আমাৰ অইল ৰিফাইনেৰীৰ দূষিত পানীবিলাক ভৰলু নদী হৈ দ্বীপৰ বিলত পৰিছে। দ্বিতীয়তে, গুৱাহাটীৰ যিমানবিলাক আবৰ্জনা আছে সেইবিলাক দ্বীপৰ বিলত পৰিছে। এই যে দূষিত পানীবিলাক দ্বীপৰ বিলত পৰিছে, এইটো যদি বন্ধ কৰা নহয় তেনেহ'লে দ্বীপৰ বিলৰ যিবিলাক মাছ আছে, সেই মাছ খাই চৰাই মৰিছে। বহুত চৰাই বাহিৰৰ পৰা আহিছে, দ্বীপৰ বিলৰ পানী খাই চৰাইবিলাক মৃত্যুমুখত পৰিছে। এই ক্ষেত্ৰত যদি ব্যৱস্থা লোৱা নহয় তেনেহ'লে কিন্তু দ্বীপৰ বিলৰ পানী দূষিত হৈয়েই থাকিব। দ্বিতীয়তে, দ্বীপৰ বিলৰ মাটিত যিবিলাক গাৰবেজ পেলোৱা হৈছে বা পেলায় তাত মৰা জীৱ-জন্তুও থাকে। মাননীয় অধ্যক্ষ মহোদয়, আৰু এমাহ পিচত বাৰিষা আহি আছে। বাৰিষাৰ সময়ত সেই দূষিত পানী গৈ দ্বীপৰ বিলত পৰিব। গাৰবেজবোৰ বন্ধ কৰাৰ কিবা ব্যৱস্থা কৰিব নেকি?

**শ্ৰী নুৰুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, বশিষ্ঠৰ পৰা পানী এটা সময়ত নিতৌ শুক্ৰেশ্বৰ মন্দিৰলৈ নিয়ে। মাননীয় সদস্য সকলোৱে জানে শাওন মাহত জনপ্ৰিয় 'বলেবম' বুলি এটা উৎসৱ হয়, তেতিয়া লাখ লাখ লোকে বশিষ্ঠৰ পৰা পানী শুক্ৰেশ্বৰ মন্দিৰলৈ নিয়ে। এই পানীখিনি চেনেল কাটি গুৱাহাটীৰ মাজেৰে দ্বীপৰ বিলত পেলাইছে। কিন্তু এই পানীখিনি কিমান দূষিত। এই দূষিত পানীয়ে দ্বীপৰ বিলৰ পানী দূষিত কৰিছে। চেনেলটোৰ দুয়ো পাৰে যদি গছপুলি ৰোৱা হয় বা পানীখিনি যদি মানুহে খোৱাৰ উপযোগী কৰিব পাৰে তেতিয়াহ'লে ভাল হয়। লগতে দ্বীপৰ বিলৰ পানীও বিশুদ্ধ হ'ব। এইক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা হাতত ল'ব নেকি?

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৭-৮৮ চনত মই যেতিয়া বিধানসভাৰ সদস্য হৈ আছিলোঁ, তেতিয়া ট্ৰেইন লাইন অনাৰ সম্পৰ্কত প্ৰকৃতিপ্ৰেমীসকলে আন্দোলন কৰিছিল। কিন্তু ট্ৰেইন লাইন হ'ল। আজি ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে, দূষিত পানী খাই চৰাই

* Speech not corrected

মৰিছে। আজি আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো নোট কৰিছে। আজি গাৰবেজবিলাকে পৰিবেশ একেবাৰে দূষিত কৰি পেলাইছে। আপোনালোকে জানে যে আজি বহুতো অভিজ্ঞ লোক আছে, তেওঁলোকৰ পৰিবেশৰ ওপৰত যথেষ্ট অভিজ্ঞতা আছে। যথেষ্ট দক্ষতা আছে। আমাৰ অসমৰ বিজ্ঞানীসকল আছে, বিশ্ববিদ্যালয়ৰ অধ্যাপক আছে, এইসকল লোকক লৈ এখন সমিতি গঠন কৰি দিব পাৰে। এনেধৰণে এটা স্থায়ী ব্যৱস্থা ল'ব পাৰে।

**শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যগৰাকীয়ে যি কথা কৈছে, তাৰ ওপৰত মই ক'বলৈ ওলাইছো। এই ক্ষেত্ৰত স্থানীয় বিধায়কসকলৰ লগত আলোচনা কৰি এটা সিদ্ধান্ত ল'ব লাগিব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গভীৰভাৱে এই কথাখিনি চিন্তা-চৰ্চা কৰি আছে। দ্বিতীয়তে, গাৰবেজৰ কথা কৈছে। এই বিষয়ে বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতিম। দ্বীপৰ বিলৰ সৌন্দৰ্য্য ৰক্ষাৰ কাৰণে আৰু পৰিবেশ যাতে বিনষ্ট নহয় তাৰ বাবে আমি ব্যৱস্থা ল'ম। তৃতীয়তে, গুৱাহাটীত অলপ বৰষুণ হ'লেই পানী হয়। কোনেও ক'ব নোৱাৰে কেতিয়া ক'ত পানী হয়। ড্ৰেনেৰে যোৱা পানীখিনি শুদ্ধ পানী নহয়। ৫৫ কোটি টকাৰ এটা আঁচনি এই শিতানত GMDAয়ে লৈছে। পানীখিনি পিউৰিফাই কৰি সেই পানী ৰাখিব পাৰে নে নাই নে অন্য ধৰণে কৰিব পৰা যায় তাৰ ওপৰত অধ্যয়ন চলাই থকা হৈছে। মাননীয় শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ডাঙৰীয়াই কৈছে যে এখন এক্সপাৰ্ট কমিটী বনাই ল'ব লাগে। এই কথাখিনি তেওঁ যদি লিখিতভাৱে দিয়ে তেতিয়াহ'লে ভাল হ'ব। আমি তেনেকুৱা ব্যৱস্থা এটা ল'বলৈ চেষ্টা কৰিম। তাত যিখিনি মাছ আছে সেই মাছখিনি থকাৰ ব্যৱস্থা কৰিব লাগিব। মাছ যাতে মাছমৰীয়াবিলাকে নামাৰে সেইটো চাব লাগিব। মাছমৰীয়া বিলাকে মাছ মাৰক - সেই ধৰণৰ কথা যাতে নকয়।

* **শ্ৰী নুৰুল হুছেইন ঃ** চাৰ, দ্বীপৰ বিলত মৰাশ আৰু জাবৰ-জোথৰ পেলায়। এইবিলাক পেলোৱাটো বন্ধ কৰিব লাগে। ইয়াৰ লগতে বেয়া পানী পেলোৱাটোও বন্ধ কৰিব লাগে।

---

* Speech not corrected

∗ **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** চাৰ, আমি পবিত্ৰ পানীখিনি পবিত্ৰ কৰি ৰাখি অপবিত্ৰ পানীখিনি পবিত্ৰ কৰাৰ ব্যৱস্থা কৰিম।

∗ **শ্ৰী ভূপেন বৰা ঃ** চাৰ, লক্ষীমপুৰ জিলাৰ নাওবৈচা সমষ্টিৰ পহুমৰাৰ এটা বিশাল অঞ্চলত পৰিভ্ৰমী চৰাই আহি থাকে। সেই ঠাইখিনিত এচাম লোকে এখন মৎস্য সমবায় সমিতি গঠন কৰি তাত এখন চাইনবোৰ্ড আঁৰি থৈছে। এতিয়াও যদি তালৈ কোনোবা যায় তেতিয়াহ'লে দেখিব যে হাজাৰ হাজাৰ পৰিভ্ৰমী চৰাই তাত আছে। তাত এটা দুষ্ট চক্ৰই মৎস্য পালন কেন্দ্ৰ হিচাবে সেই ঠাইখিনি ব্যৱহাৰ কৰিব খুজিছে। গতিকে তাত পৰিভ্ৰমী পক্ষীবিলাকে যাতে আহিব পাৰে তাৰ কাৰণে সেই অঞ্চলটো সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এনেকুৱা এটা বিষয় আপুনি ৰুল থ্ৰি জিৰো ওৱান বা বেলেগে প্ৰশ্ন উত্থাপন কৰিও বিধান সভাত চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।

∗ **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** চাৰ, এই বিষয়ে তেখেতে মোৰ ওচৰত আহিলে আমি কথা পাতি এই বিষয়টো ঠিক কৰিম।

**Mr. Speaker :** Starred question No.66, Hon'ble Member, Shri Ramendra Narayan Kalita.

## বিষয় ঃ পাথৰ কুৱেঁৰী আৰু বালিৰ মহল আৱণ্টন।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

∗ ৬৬। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিত কিমানটা পাথৰ কুৱেঁৰী আৰু বালিৰ মহল আছে?

(খ) উক্ত পাথৰ কুৱেঁৰী আৰু বালিৰ মহলকেইটা কি নীতিৰ ভিত্তিত আৱণ্টন দিয়া হৈছে?

(গ) পাথৰ কুৱেঁৰী আৰু বালিৰ মহলকেইটা কাক আৱণ্টন দিয়া হৈছে? (তালিকা সদনৰ মেজতে দাখিল কৰিব।)

---

∗ Speech not corrected

(ঘ) ৰাণী পাথৰ কুৰেঁৰী এটাত অনিয়ম হোৱা বুলি কেন্দ্ৰীয় চৰকাৰে অভিযোগ পোৱাৰ পিছত উক্ত পাথৰ কুৰেঁৰীটো যিজন ব্যক্তিয়ে পাইছিল, সেই ব্যক্তিজনৰ পৰা পাথৰ কুৰেঁৰীটোৰ আৱণ্টন বাতিল কৰা কথাটো সঁচানে?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশও বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) পশ্চিম গুৱাহাটী সমষ্টি এলেকাধীন পূৱ কামৰূপ বন সংমণ্ডলত বৰ্তমান মুঠ ১২টা শিল মহল আৰু ১টা বালিৰ মহল আছে।

(খ) অসম বন বিভাগৰ পূৱ কামৰূপ বন সংমণ্ডল অধীনস্থ শিলৰ মহল (কুৰেঁৰী) ও বালিৰ মহলটো (Assam sale of Forest Produce Coupes & Mahal (Amended) Rule 2000 আৰু Assam minor Minerals Concession Rule-1994 নীতিৰ অধীনত আৱণ্টন দিয়া হৈছে।

(গ) শিলৰ মহল (কুৰেঁৰী) ও বালিৰ মহল আৱণ্টন পোৱা মহলদাৰ সকলৰ নাম ইয়াৰ লগত সন্নিবিষ্ট কৰা হ'ল। (See Annexure-II)

(ঘ) ৰাণী শিলৰ মহলত কোনো ধৰণৰ অনিয়ম হোৱাৰ অভিযোগ নাই। কেন্দ্ৰীয় পৰিবেশ ও বন মন্ত্ৰালয়ৰ শ্বিলংস্থ আঞ্চলিক কাৰ্য্যালয়ৰ মুখ্য বন-সংৰক্ষককে পূৱ কামৰূপ বন সংমণ্ডল এলেকা ভ্ৰমণ ও পৰিদৰ্শন কালত শিল মহলৰ ক্ষেত্ৰত মানিবলগা সংশ্লিষ্ট নিৰ্দেশনাসমূহ সঠিক ৰূপায়ণ নোহোৱা পৰ্য্যন্ত মহলৰ কাম-কাজ সাময়িকভাৱে স্থগিত ৰখাৰ বাবে নিৰ্দেশ দিয়াটো সত্য। কিন্তু সংশ্লিষ্ট মহলদাৰৰ আৱণ্টিত মহলটো আৱণ্টন বাতিল কৰাৰ কোনো নিৰ্দেশনা নাই।

* **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিখিনি শিলৰ কুৰেঁৰী আৰু বালিৰ মহল আৱণ্টন দিয়া হৈছে, সেই কেইটাৰ কাৰণে আচলতে নিবিদা আহ্বান কৰা হৈছিল নে নাই? এই শিলৰ কুৰেঁৰী আৰু বালিৰ মহলবিলাক আচলতে নিবিদা আহ্বান কৰি আৱণ্টন দিব লাগে। নিবিদা

* Speech not corrected

আহ্বান নকৰাকৈ আৱণ্টন দিয়াৰ ফলত বন বিভাগে যথেষ্ট ৰাজহ হেৰুৱাবলগীয়া হৈছে। আজি যিকেইটা পাথৰ কুৱেঁৰী আৱণ্টন দিয়া হৈছে তাত যথেষ্ট কৰাপচন হৈছে। কৰাপচন এই কাৰণেই হৈছে যে আবেদন দিবলৈ গ'লেই বন বিভাগৰ এচাম বিষয়া-কৰ্মচাৰীয়ে পইচা বিচাৰে। তাৰোপৰি ফাইলটো চৰকাৰী কাৰ্য্যালয়ত মোভ কৰোতে আৰু মন্ত্ৰীৰ ওচৰলৈ পঠাবলৈ হ'লেও এচাম বিষয়া-কৰ্মচাৰীয়ে পইচা বিচাৰে। নিবিদা নিবিচৰাৰ কাৰণেই এনেকুৱা ধৰণৰ কৰাপচন হৈছে। এই ১২টা মহলৰ বাবদ প্ৰায় কোটি টকাৰ কেলেংকাৰী হৈছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ কি বেচিচত মহলবিলাক আৱণ্টন দিয়া হৈছে?

**শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** চাৰ, এই শিলৰ কুৱেঁৰী আৰু বালিৰ মহলবিলাক আমি Assam Minor Minerals Concession Rule, 1994 এই ৰুলত আৱণ্টন দিছোঁ। এইখিনি কোনো মানুহক দিয়াৰ কথা নাছিল। কাৰণ আমাৰ বিভিন্ন ডেভেলপমেণ্ট কামৰ কাৰণে এই শিল আৰু বালিৰ প্ৰয়োজন হয়। আমি নেট প্ৰেজেণ্ট ভেলু হিচাপে সেইখিনিৰ মূল্য ৪ কোটি টকা নিৰ্দ্ধাৰণ কৰিছিলোঁ। কিন্তু তেতিয়া আমাৰ বিত্ত বিভাগে সেই ৪ কোটি টকা দিব পৰা অৱস্থাত নাই বুলি কৈছিল। তেতিয়া নেট প্ৰেজেণ্ট ভেলু দিয়াৰ কাৰণে কিছুমান লোকে বন বিভাগত আবেদন কৰিছিল। চেণ্ট্ৰেল গভৰ্ণমেণ্টে বান্ধি দিয়া ভেলু দিয়াৰ কাৰণে তেওঁলোকক আৱণ্টন দিয়া হৈছে। দুৰ্নীতিৰ ক্ষেত্ৰত মাননীয় সদস্যজনে যদি নাম দিব পাৰে বা কিবা নথি-পত্ৰ দিব পাৰে তেতিয়াহ'লে যিমান ডাঙৰ বিষয়া-কৰ্মচাৰীয়েই নহওক কিয় আমি তেওঁলোকৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিম। শাস্তিমূলক ব্যৱস্থা লোৱাৰ কাৰণে আমি কোনো কুণ্ঠাবোধ নকৰো। যদি নাই বেলেগ কথা আৰু যদি কিবা আছে তেতিয়াহ'লে আমি কঠোৰতম ব্যৱস্থা ল'ম। কোনো প্ৰমাণ নোহোৱাকৈ এনেকুৱা ধৰণৰ কথা ক'লে বন বিভাগৰ ভাল

---

* Speech not corrected

বিষয়া-কৰ্মচাৰীৰ কাম কৰাৰ মনোবল ভাঙি যাব।

∗ **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চাৰ, যি কেইটা পাথৰ কুৰেঁৰী আৱণ্টন দিয়া হ'ল তাৰ কাৰণে নিবিদা আহ্বান কৰিলে কিবা অসুবিধা হ'লহেঁতেন নেকি? প্ৰেজেণ্ট এটা ভেলু থাকে সেইটো হয়। কিন্তু যদি নিবিদা আহ্বান কৰিলেহেঁতেন তেতিয়াহ'লে ৰাজহ আৰু বাঢ়িলহেঁতেন আৰু তেতিয়া কৰাপচন নহ'লহেঁতেন। মই গোটেই বন বিভাগৰ কৰ্মচাৰীয়ে কৰাপচন কৰাৰ কথা কোৱা নাই। বিধান সভাৰ মজিয়াত মই এইটো ক্ষেত্ৰত স্পষ্টভাৱে ক'ব পাৰোঁ যে ইয়াত কৰাপচন হৈছে। মধ্যভোগী যিবিলাকে আবেদন কৰিছে সেই সকলৰ কিছুমানৰ পৰা টকা লোৱাৰ নজিৰ মোৰ হাতত আছে। এই মহলবিলাকে যি সকলক আৱণ্টন দিয়া হৈছে কেই বছৰৰ কাৰণে আৱণ্টন দিয়া হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাব লাগে।

∗ **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো, মাননীয় সদস্যৰ হাতত যি নথি আছে, সেইখিনি আমাক দিয়ক, আমি ব্যৱস্থা ল'ম।

∗ **শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেই বছৰৰ বাবে আৱণ্টন দিয়া হৈছে, মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

∗ **শ্ৰী ৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই কৈছো যে যদি তেনেকুৱা নথি আছে আমাক দিয়ক। আমি ব্যৱস্থা ল'ম।

**Mr. Speaker :** Question hour is over.

(Started Question No. 67 to 80 could not be taken up for disposal as the question hour was over. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

∗ Speech not corrected

**বিষয় ঃ চ'ছাইটি গঠন।**

**শ্ৰীকেশৱ মহন্তই সুধিছে ঃ**

* ৬৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান আঁচনিসমূহ কাৰ্য্যকৰী কৰাৰ লগতে স্বাস্থ্য বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অধিক ফলপ্ৰসু কৰি তুলিবৰ বাবে জিলাভিত্তিত আৰু PHC, CHC, MPHC আৰু স্বাস্থ্য উপকেন্দ্ৰ Society গঠন কৰাৰ ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে, ইয়াৰ নিৰ্দেশনাসমূহ সদনৰ মেজত ৰাখিবনে?

(খ) নগাওঁ জিলাত এতিয়ালৈকে জিলা ভিত্তিত আৰু স্বাস্থ্য কেন্দ্ৰসমূহত এনে Society কিমানখন গঠন কৰা হৈছে? নগাওঁ জিলা ভিত্তিক Societyখন কোন তাৰিখে গঠন কৰা হৈছিল আৰু এতিয়ালৈকে কিমানখন বৈঠক অনুষ্ঠিত কৰিছে আৰু ইয়াত কি কি সিদ্ধান্ত গ্ৰহণ কৰিছে? (সবিশেষ জনাব)

(গ) নগাওঁ জিলা Societyৰ তৰফৰ পৰা ইতিমধ্যে বিভিন্ন PHC, CHC, MPHC আৰু স্বাস্থ্য উপকেন্দ্ৰসমূহলৈ মেৰামতি বা অন্যান্য কামৰ বাবে কিমান টকা মুকলি কৰি দিছে? সমষ্টি ভিত্তিত বিতং তথ্যৰে তালিকা দাখিল কৰিবনে? এই কামসমূহ সংশ্লিষ্ট স্বাস্থ্য কেন্দ্ৰসমূহত Societyৰ জৰিয়তে ৰূপায়ণ কৰিবনে?

(ঘ) ইতিমধ্যে স্বাস্থ্য কেন্দ্ৰসমূহলৈ এম্বুলেঞ্চ যোগান ধৰা হৈছে নেকি? যদি হৈছে, কোন কোন স্বাস্থ্য কেন্দ্ৰত যোগান ধৰিছে? (তালিকা দাখিল কৰিব) এম্বুলেঞ্চ যোগান ধৰিব নোৱাৰালৈকে এম্বুলেঞ্চ ভাড়া কৰি ল'বৰ বাবে নগাওঁ জিলাৰ কোন কোন স্বাস্থ্য কেন্দ্ৰত কিমান টকা মোকলাই দিয়া হৈছে? (বিতংকৈ জনাব)

(ঙ) ভৱিষ্যতে এম্বুলেঞ্চ যদি যোগান ধৰাৰ আঁচনি আছে কোনকেইটা স্বাস্থ্য কেন্দ্ৰক তালিকাভুক্ত কৰা হৈছে?

---

* Speech not corrected

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ

(ক) ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান আঁচনিৰ অধীনত বিভিন্ন আঁচনিৰ ৰূপায়ণৰ ক্ষেত্ৰত জিলাভিত্তিত সকলো PHC/CHC/MPHC/S.D./SHC/SCত Society গঠন কৰা হৈছে। (ইয়াৰ নিৰ্দেশনাসমূহ সদনৰ মজিয়াত দাখিল কৰা হ'ল।)

(খ) নগাওঁ জিলাত এতিয়ালৈকে জিলাভিত্তিত আৰু স্বাস্থ্য উপ-কেন্দ্ৰসমূহত Society গঠন কৰাৰ তথ্য তলত দেখুৱা হ'ল—

| | | |
|---|---|---|
| ১) জিলাভিত্তিত | — | ১ খন |
| ২) চিভিল হস্পিতালত | — | ১ খন |
| ৩) ব্লক পি এইচ চি | — | ১১ খন |
| ৪) চি এইচ চি | — | ৫ খন |
| ৫) ৰাজ্যিক চিকিৎসালয় | — | ২৭ খন |
| ৬) এচ এইচ চি | — | ১৮ খন |
| ৭) এম পি এইচ চি | — | ২০ খন |
| ৮) এচ চি | — | ৩২৩ খন |
| ৯) এফ আৰ ইউ | — | ৬ খন |

নগাওঁত জিলা ভিত্তিত Society খন যোৱা ইং ২১/৯/২০০৬ তাৰিখে গঠন কৰা হৈছে। অহা ইং ১০ মাৰ্চৰ ভিতৰত বৈঠক অনুষ্ঠিত কৰাৰ বাবে উপায়ুক্ত মহোদয়ে মাননীয় মন্ত্ৰী আৰু বিধায়কসকলৰ লগত যোগাযোগ কৰি বৈঠক অনুষ্ঠিত কৰাৰ দিহা কৰিছে। কাৰ্য্যকৰী বৈঠক সক্ৰিয়ভাৱে অনুষ্ঠিত হৈ আছে।

(গ) নগাওঁ জিলা চ'ছাইটিৰ তৰফৰ পৰা PHC/CHC/MPHC আৰু স্বাস্থ্য উপকেন্দ্ৰসমূহলৈ মেৰামতি বা অন্যান্য কামৰ বাবে মুঠ ১,৯৩,১৭,০০০.০০ টকা মুকলি কৰি দিয়া হৈছে। সমষ্টি ভিত্তিক বিতং তালিকা লগত গাঠি

দিয়া হ'ল। পৰিশিষ্ট 'গ'ত সংলগ্ন কৰা হ'ল। (See Annexure-III) স্বাস্থ্যকেন্দ্রসমূহৰ সকলো কাম চছাইটিৰ জৰিয়তে ৰূপায়ণ কৰা হয়।

(ঘ) হয়, ইতিমধ্যে ১৭ খন এম্বুলেঞ্চ যোগান ধৰা হৈছে। বিতং তথ্য এনে ধৰণৰ ঃ

১) শিঙ্গিমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ
২) উদমাৰী ৰাঃ চি
৩) চামগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ
৪) আম বাগান ৰাঃ চিকিৎসালয়
৫) লাওখোৱা এচ এইচ চি
৬) চিমনা বস্তি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ
৭) কাৰৈমাৰী এফ আৰ ইউ
৮) গৰাজান ৰাঃ চিকিৎসালয়
৯) তাৰাবাৰী এমঃ পিঃ এইচ চি
১০) দগাওঁ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ
১১) যুৰীয়া এম পি এইচ চি
১২) ধিং এফ আৰ ইউ। পি এইচ চি
১৩) বেটামাৰী এম পি এইচ চি
১৪) কামপুৰ এফ আৰ ইউ
১৫) হোজাই পি এইচ চি এফ আৰ ইউ
১৬) নগাওঁ বিঃ পিঃ চিঃ এইচ — এখন
১৭) আমনি স্বাস্থ্য কেন্দ্ৰ

তদুপৰি তলত উল্লেখ কৰা স্বাস্থ্য কেন্দ্ৰসমূহত এম্বুলেঞ্চ ভাড়া কৰি চলোৱাৰ বাবে N.R.H.M.ৰ পৰা প্ৰথম পৰ্য্যায়ত ১০,০০০,০০ (দহ) হাজাৰকৈ টকা আৱণ্টন দিয়াৰ ব্যৱস্থা জিলা স্বাস্থ্য সমিতিৰ পৰা লোৱা হৈছে।

১) লংকা পিঃ এইচ চি
২) যোগীজান পিঃ এইচ চি

৩) কঠিয়াতলী পিঃ এইচ চি

৪) বুঢ়াগোহাঁই থান পিঃ এইচ চি

৫) বাৰপূজীয়া পিঃ এইচ চি

৬) কুঠৰী পিঃ এইচ চি

৭) শিলঘাট এমঃ পিঃ এইচ চিঃ

৮) চিমলাবস্তি পিঃ এইচ চি

(ঙ) হয়, আছে। স্বাস্থ্য কেন্দ্ৰ বাচনি প্ৰক্ৰিয়া চলি আছে।

**বিষয় ঃ বনাঞ্চলত অবৈধ খনন-কাৰ্য্যৰ প্ৰতিৰোধ।**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ**

* ৬৮। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যৰ চৰাইপুং বনাঞ্চলত তেলখাদ স্থাপন কৰি অভয়াৰণ্যখনৰ জৈৱ-বৈচিত্ৰ ধ্বংস কৰা বিদেশী বহুজাতিক কোম্পানী প্ৰিমিয়াৰ অইলক কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ আৰু বন মন্ত্ৰণালয়ৰ শ্বিলংস্থ কাৰ্য্যালয়ে ক্ষতিপূৰণ আদায় দিবলৈ নিৰ্দেশ দিয়া সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) যোৱা ইং ৮-৭-০৫ তাৰিখে অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে পাৰিপাৰ্শ্বিকতা আইন ভংগ কৰাৰ লগতে অভয়াৰণ্যখনত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা ভংগ কৰি অবৈধ ভাৱে চলোৱা খনন বন্ধ কৰি দিয়াৰ পিছতো উক্ত কোম্পানীয়ে ক্ষতিপূৰণ ৰাজ্য চৰকাৰক বা ৰাইজক আজিলৈকে নিদিয়াৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) চৰকাৰে অসমৰ বনাঞ্চলসমূহত খননকাৰ্য্য বন্ধ কৰিবৰ বাবে আৰু উক্ত কোম্পানীৰ পৰা ক্ষতিপূৰণ আদায়ৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে?

(ঘ) উক্ত "প্ৰিমিয়াৰ অইল" কোম্পানীৰ সৈতে ভাৰতীয় ব্যক্তিসকল কোন কোন? তেওঁলোকৰ নাম-ঠিকনা কি কি?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ডিব্ৰুগড় জিলাৰ দিহিং-পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যত কোনো তেলখাদ স্থাপন কৰা হোৱা নাই।

(খ) বন (সংৰক্ষণ) আইন, ১৯৮০ৰ আধাৰত কেন্দ্ৰীয় চৰকাৰৰ পৰিবেশ ও বন মন্ত্ৰণালয়ে দিয়া নিৰ্দেশনা অনুসৰি, আপাৰ দিহিং সংৰক্ষিত বনাঞ্চলত খননস্থলী আৰু খননস্থলীলৈ যোৱা পথৰ বাবে প্ৰয়োজনীয় বনভূমিৰ বিপৰীতে পৰিপূৰক বনানীকৰণ, Net Present Value আৰু অন্যান্য দেয় হিচাবে মুঠ ৩৬,২৯,৪৩২/- টকা অইল ইণ্ডিয়া লিমিটেডৰ পৰা আদায় কৰা হৈছে। তাৰোপৰি ১,৭৮,৪৩০/- টকা গছ কটাৰ বাবদ জমা পোৱা হৈছে। ইয়াৰ বাদে অন্য ক্ষতিপূৰণ আদায় সম্পৰ্কে বিভাগ অৱগত নহয়।

(গ) অসমৰ বনাঞ্চলসমূহত খনন-কাৰ্য্য চলাব লগা হ'লে বন সংৰক্ষণ আইন, ১৯৮০ৰ অধীনত, কেন্দ্ৰীয় পৰিবেশ আৰু বন মন্ত্ৰালয়ে ভাৰত চৰকাৰৰ নিৰ্দেশাৱলী আৰু চৰ্ত সাপেক্ষে ব্যৱহাৰকাৰী সংস্থা (User Agency)ক অনুমতি প্ৰদান কৰে। এনে অনুমতিৰ ক্ষেত্ৰত আৰোপিত মুখ্য চৰ্তাৱলী হ'ল—

১) পৰিবেশৰ ওপৰত হ'ব পৰা প্ৰভাৱৰ জৰীপ (Environmental Impact Assessment)

২) অ-বন বিষয়ক কাৰ্য্য (Non-Forest Use)ৰ বাবে ব্যৱহৃত বনভূমিক সংৰক্ষিত বনভূমি হিচাবেই স্থিতি বাহাল ৰখা।

৩) ব্যৱহৃত ভূমিৰ বাবদ Ner Present Value (NPV) জমা দিয়া।

৪) ব্যৱহৃত ভূমিৰ দুগুণ পৰিমাণৰ ভূমিত পৰিপূৰক বনানীকৰণ (Compensatory aforestration)ৰ সম্পূৰ্ণ খৰচ ব্যৱহাৰকাৰী সংস্থাই বহন কৰা।

কেন্দ্ৰীয় পৰিবেশ আৰু বন মন্ত্ৰালয়ে সকলো খুটি-নাতি পৰীক্ষা কৰি চাইহে এনে অনুমতি প্ৰদান কৰে।

(ঘ) প্ৰিমিয়াৰ অইল কোম্পানীৰ সৈতে জড়িত ভাৰতীয় লোকসকলৰ নাম-ঠিকনা সম্পৰ্কত এই বিভাগ অৱগত নহয়।

## Subject : Shortage of Drinking Water.

**Capt. Robin Bordoloi asked :**

* 69. Will the Minister of Guwahati Development Department be pleased to state :–

(a) Is the Government aware that all the 23 wards of 53 No. East Guwahati Constituency is facing acute shortage of Drinking Water ?

(b) Under the JNNURM Scheme fund for drinking water may be available but will the Government state about the gestation period ? How the people of Guwahati including the floating population will survive without drinking water ?

(c) Whether the Government of Asom is contemplating a Water Board in the same line as in Delhi known as Delhi Jal Board which is providing good service ?

(d) Is the Government aware that the filtered and treated water of G.M.C. at Satpukhuri is stored in a open tank without any cover and there is every possibility of the water being contaminated with poisonous substance by any agency who wishes to sabotage ? Why no action is taken to cover the said open drinking water tank ?

**Dr. Himanta Biswa Sarma (Minister, Guwahati Development Department) replied :**

(a) Yes, there is shortage of water supply within the Guwahati Municipal Corporation area including the 23 Wards of 53 East Guwahati Constituency.

(b) Under JNNURM drinking water supply be available to the

citizens of Guwahati. During gestation period some measurement have been taken to improve the water supply of Guwahati by providing water by Mobile Tankers from the Guwahati Municipal Corporation and by Private Agency. Guwahati Municipal Corporation also taking up scheme for augmentation of existing water supply.

(c) Government has not taken a decision to constitute Water Board on the lines of Delhi. However, Government may consider such a step once D.P.R. under JNNURM is made available by the consultant.

(d) Open tank of Satpukhuri water supply is working since last more than 50 years without water being contaminated. However, Guwahati Municipal Corporation is taking step to cover the tank with transperant/CGI sheets roofing.

**বিষয় ঃ চিকিৎসালয়ত ৰোগীৰ সংখ্যা।**

**শ্ৰীউদ্ধৱ বৰ্মনে সুধিছে ঃ**

* ৭০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লোকপ্ৰিয় গোপীনাথ বৰদলৈ যক্ষ্মা চিকিৎসালয়ত যোৱা দুবছৰত কিমানজন ৰোগীয়ে চিকিৎসা লৈছিল?

(খ) এই চিকিৎসালয়ত চিকিৎসা লোৱা কিমানজন ৰোগীৰ যোৱা দুই বছৰত মৃত্যু হৈছে?

(গ) এই চিকিৎসালয়খনৰ ঘৰ-দুৱাৰ, ৰোগীৰ চিকিৎসাৰ সা-সুবিধা আদি উন্নয়ন সাধনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

(ঘ) যদি লৈছে, তেনেহ'লে বিতং বিৱৰণ দিবনে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ

(ক) যোৱা দুবছৰত ১৩৮৭ জন ৰোগীয়ে চিকিৎসা লৈছিল।

(খ) যোৱা দুবছৰত মুঠ ১৮৪ জন ৰোগীৰ মৃত্যু হয়।

(গ) আৰু (ঘ) যোৱা দুবছৰে চিকিৎসালয়খনৰ কিছু মেৰামতিৰ কাম হৈছে যদিও পুনৰ খোৱা পানীৰ ব্যৱস্থা উন্নতকৰণ, পুৰণি বিদ্যুৎ সংযোগ ব্যৱস্থা মেৰামতি আৰু চিকিৎসালয়ৰ ঘৰসমূহ প্ৰয়োজনীয় মেৰামতিৰ বাবে ব্যৱস্থা লোৱা হৈছে। তদুপৰি চিকিৎসালয় চৌহদ এলেকাত আলি-পদূলিত থকা খুটাবোৰত বিজুলী চাকি লগোৱা হৈছে।

ৰোগীৰ চিকিৎসাৰ সা-সুবিধাৰ বাবে পূৰ্বৰ ২০ টকাৰ ঠাইত Diet money প্ৰতিজন ৰোগীৰ বাবে প্ৰতিদিনে ২৫ টকা কৰা হৈছে। X-ray মেচিন বহুওৱা হৈছে। আৰু এটি "নেৰুলাইজাৰ" মেচিন অনা হৈছে। তদুপৰি পয়ঃ প্ৰণালী ব্যৱস্থা উন্নত কৰি চিকিৎসালয়ৰ পৰিবেশ উন্নত কৰাৰ ব্যৱস্থা লোৱা হৈছে। এম্বুলেঞ্চৰ ব্যৱস্থাও সৰবৰাহ কৰা হৈছে।

## Subject : Construction of 200 baded Hospital.

**Sri Mission Ranjan Das asked :**

* 71. Will the Minister of Health & Family Welfare be pleased to state :–

Whether Government will consider for giving sanction for construction of 200 baded hospital in Karimganj Civil Hospital during the year, 2007-08 ? If so, give details and if not, state reasons thereof ?

**Dr. Himanta Biswa Sarma (Minister of Health & F.W.) replied :**

Subject to availability of fund and clearance of Finance Deptt. for creation of additional posts of Doctors, Paramedical and other

staff it could be considered along with similarly situated Civil Hospitals.

## Subject : Sanctioning vacant post.

**Dr. Rumi Nath asked :**

* 72. Will the Minister of Health & Family Welfare be pleased to state :

(a) How many Primary Health centres are there in the state and how many posts of doctors/G.N.M./A.N.M. are lying vacant against the sanctioned posts of each P.H.C. and since when ? What steps have so far been taken for filling up these vacancies ?

(b) Whether ambulance have been provided to each of then and provisions of maintenance charge/fuel charge etc. are made in time ?

(c) Is the Government aware that most of the staff remain absent during night hours for security reasons ?

**Dr. Himanta Biswa Sarma (Health & Family Welfare Minister) replied :**

(a) 610 Numbers of Primary Health Centres are there in the State of Assam. The detailed report on vacant position of Doctors/GNM/ANM against the sanction posts PHCS wise are being collected from the respective Districts.

(b) Action have already been taken for providing Ambulance to the PHCS in phase manner. There is provision for maintenance/ fuel charge etc. Such fund are provided where Ambulances are already there.

(c) No such report has been received.

## বিষয় ঃ গুৱাহাটী উন্নয়নৰ পুঁজি।

**শ্ৰীহিৰেন কুমাৰ দাসে সুধিছে ঃ**

* ৭৩। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী উন্নয়নৰ বাবে বৰ্তমানলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান পুঁজি লাভ কৰিছে? ইয়াত ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰিমাণ কিমান?

(খ) ইতিমধ্যে কি কি আঁচনি সম্পূৰ্ণ হ'ল?

(আঁচনিসমূহৰ তালিকা দাখিল কৰিব।)

(গ) গুৱাহাটী মহানগৰীত সঘনে সৃষ্টি হোৱা যান-যটৰ সমস্যা আঁতৰাবৰ বাবে বিশেষ কোনো আঁচনি বা ব্যৱস্থা লৈছে নেকি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) গুৱাহাটী উন্নয়নৰ বাবে বৰ্তমানলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজি লাভ কৰা নাই, সেয়েহে ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰিমাণৰ প্ৰশ্ন নুঠে।

(খ) প্ৰশ্ন নুঠে।

(গ) গুৱাহাটী মহানগৰীত সঘনে সৃষ্টি হোৱা যান-যটৰ সমস্যা আঁতৰাবৰ বাবে নিম্নোক্ত ব্যৱস্থাসমূহ লোৱা হৈছে ঃ—

১) ভঙাগড়, ছয়মাইল আৰু মালিগাওঁত সংশ্লিষ্ট বিভাগে তিনিখন অতিৰিক্ত উৰণীয়া সেঁতু নিৰ্মাণ কৰি আছে।

২) গুৱাহাটী উন্নয়ন বিভাগৰ দ্বাৰা গুৱাহাটীৰ বিভিন্ন অঞ্চলত বহু-মহলীয়া Car Parking Plaza নিৰ্মাণৰ আঁচনি হাতত লোৱা হৈছে।

## বিষয় ঃ মাটি বনানীকৰণ।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৭৪। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ সৰ্বমুঠ কিমান একৰ মাটিত বনানীকৰণ হৈ আছে?

(খ) উক্ত পৰিমাণৰ বনানীকৰণ ৰাজ্যখনৰ স্বাৰ্থত সন্তোষজনক হয়নে?

(গ) যদিহে নহয়, তেনেহ'লে নতুনকৈ বনানীকৰণৰ হেতু আঁচনি হাতত ল'বনে?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ৰাজ্যখনৰ বন বিভাগে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ভিতৰত ৬১,৬৭১.৭৬ হেক্টৰ মাটিত বনানীকৰণ কৰা হৈছে।

(খ) উক্ত পৰিমাণৰ বনানীকৰণ ৰাজ্যখনৰ স্বাৰ্থত সন্তোষজনক।

(গ) আগলৈ পুঁজি আৱণ্টনৰ ভিত্তিত নতুনকৈ বনানীকৰণৰ হেতু আঁচনি হাতত লোৱা হ'ব।

## বিষয় ঃ স্বাস্থ্য কেন্দ্ৰত ধনৰ আৱণ্টন।

**শ্ৰী আব্দুল আজিজে সুধিছে ঃ**

* ৭৫। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন PHC, CHC, State Dispensary & Health Sub-Centreৰ বিল্ডিংসমূহৰ পুনৰ্নিৰ্মাণ ও উন্নতিকৰণৰ বাবে National Rural Health Missionৰ জৰিয়তে ২০০৬-২০০৭ ইং বৰ্ষত কিমান ধন মঞ্জুৰ কৰা হৈছে?

(জিলা ভিত্তিত স্বাস্থ্য কেন্দ্ৰসমূহৰ নাম উল্লেখ কৰি আৱণ্টিত ধনৰ পৰিমাণ উল্লেখ কৰি তালিকা দাখিল কৰিব।)

(খ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিৰ এই ধনৰ পৰিমাণ কিমান? (স্বাস্থ্য কেন্দ্ৰসমূহৰ নাম উল্লেখ কৰি আৱণ্টিত ধনৰ পৰিমাণ দেখুৱাই তালিকা দাখিল কৰিব।)

(গ) ৰূপহীহাট সমষ্টিৰ ভাড়া ঘৰত থকা উপস্বাস্থ্য কেন্দ্ৰসমূহ নিৰ্মাণ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছেনে?

(ঘ) যদি হোৱা নাই, কিয়?

(ঙ) যদি হৈছে, কিমানখন উপস্বাস্থ্য কেন্দ্ৰৰ নাম পঠিওৱা হৈছে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ

(ক) অসমৰ বিভিন্ন PHC, CHC, SD, SC আদিৰ ঘৰসমূহ পুৰ্ননিৰ্মাণ আৰু উন্নতিকৰণৰ বাবে NRHMৰ জৰিয়তে ২০০৬-০৭ চনত জিলা ভিত্তিত মুকলি কৰি দিয়া ধনৰ পৰিমাণৰ তালিকা এখন সংলগ্ন কৰা হ'ল। (See Annexure-IV)

(খ) ৰূপহীহাট সমষ্টিৰ অধীনত স্বাস্থ্য কেন্দ্ৰসমূহত দিয়া ধনৰ পৰিমাণ এনে ধৰণৰ —

| | |
|---|---|
| ১) শিঙীমাৰী প্ৰাঃ স্বাঃ কেঃ | ১,০০০,০০.০০ টকা (এক লাখ) |
| ২) সুঁতিৰপাৰ উপস্বাস্থ্য কেন্দ্ৰ | ১,০০০,০০.০০ টকা (এক লাখ) |
| ৩) কলিয়াদাঙিয়া উপ স্বাস্থ্যকেন্দ্ৰ | ১,০০০,০০.০০ টকা (এক লাখ) |

(গ) ভাড়াঘৰত চলি থকা স্বাস্থ্য উপকেন্দ্ৰসমূহৰ বিভাগীয় গৃহ নিৰ্মাণৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব। ৰূপহীহাট সমষ্টিকে ধৰি ৰাজ্যৰ সকলো সমষ্টি এই আঁচনিৰ অধীনত সামৰি লোৱা হ'ব।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) তালিকা চূড়ান্ত হোৱা নাই।

## বিষয় ঃ টুমনী স্বাস্থ্যকেন্দ্ৰ।

### শ্ৰী বদৰুদ্দিন আজমলে সুধিছে ঃ

* ৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ শালমৰা সমষ্টিৰ অন্তৰ্গত টুমনী স্বাস্থ্য কেন্দ্ৰটি বৰ্তমানে চিকিৎসক আৰু নাৰ্চৰ অভাৱত বন্ধ হৈ থকাটো চৰকাৰৰ জ্ঞাতনে?

(খ) উক্ত স্বাস্থ্য কেন্দ্ৰটিৰ উন্নতিৰ নামত ২০০১-২০০৬ চনলৈকে কিমান টকা মোকলাই দিয়া হৈছিল?

(গ) বৰ্তমানে বন্ধ চিকিৎসালয়খন জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে অতি শীঘ্ৰে চিকিৎসা সেৱাৰ ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) জ্ঞাত। বৰ্তমান টুমনী স্বাস্থ্য কেন্দ্ৰটো নিৰ্মাণৰত অৱস্থাত আছে।

(খ) উক্ত স্বাস্থ্য কেন্দ্ৰটোৰ উন্নয়নৰ বাবে চৰকাৰে ২০০২-০৩ চনত ৪ (চাৰি) লাখ, ২০০৩-০৪ চনত ৩ (তিনি) লাখ PMGYৰ অধীনত আৰু ২০০৫-০৬ চনত ২৮.৮০ লাখ টকা NRHMৰ অধীনত মঞ্জুৰী দিছে।

(গ) নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হ'লে উক্ত স্বাস্থ্য কেন্দ্ৰটিত চিকিৎসাসেৱাৰ ব্যৱস্থা কৰিব পৰা হ'ব।

**বিষয় ঃ মূল্যৱান গছ ৰোপণ।**

**শ্ৰী লিয়াকত আলী খানে সুধিছে ঃ**

* ৭৭। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত চেঙা-বহৰি PWD ৰাস্তাৰ দুয়োকাষে থকা মূল্যৱান গছ (শিসু, গমাৰী, চেগুণ) কিমানজোপা ৰোপণ কৰা হৈছিল আৰু কোন চনত ৰোপণ কৰা হৈছিল? তাৰে কিমানজোপা পূৰঠ হৈছিল?

(খ) এই মূল্যৱান গছবোৰ বৰ্তমান আছেনে?

(গ) যদি নাই, তেনেহ'লে এই গছবোৰ কি হ'ল? তাৰ তদন্ত কৰি সঠিক ব্যৱস্থা কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ১৯৮৫-৮৬ চনত ১০০০ জোপা মূল্যৱান গছ ৰোপণ কৰা হৈছিল? তাৰে অধিকাংশ গছ (৬০০ জোপা মান) পূৰঠ হৈছিল।

(খ) এই মূল্যৱান গছবোৰৰ কিছুসংখ্যক বৰ্তমানো আছে আৰু কিছুসংখ্যক প্ৰাকৃতিক দুৰ্যোগ (বানপানী, মৰহি যোৱা ৰোগ আদি)ৰ বাবে মৰি বা নষ্ট হৈ গৈছে।

(গ) উক্ত বাগানখনৰ মৰা আৰু উভালি পৰা গছবোৰ উত্তৰ কামৰূপ বন সংমণ্ডলৰ কৰ্মচাৰীয়ে বিভাগীয় নিয়ম অনুসৰি কাটি বিক্ৰী কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে এনে গছ বিক্ৰী কৰি ২,৬৯,০৬০.০০ টকা ৰাজহ সংগ্ৰহ কৰা হৈছে। বিভাগীয়ভাৱে অনুসন্ধান কৰি দুৰ্বৃত্তই চোৰাংভাৱে কটা গছৰ কিছু অংশ উদ্ধাৰ কৰি বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ ব্যয় কৰা টকাৰ পৰিমাণ।

**শ্ৰীআব্দুল ৰশিদ মণ্ডলে সুধিছে ঃ**

* ৭৮। মাননীয় হস্ত-তাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ইং ২০০১-০২ চনৰ পৰা বৰ্তমানলৈ হস্ত-তাঁত আৰু বস্ত্ৰশিল্প বিভাগে জিলা ভিত্তিত বিভিন্ন শিতানত কিমান টকা ব্যয় কৰিছে?

(খ) ইং ২০০৬-০৭ চনত গোৱালপাৰা জিলাত সমষ্টি ভিত্তিত কি কি আঁচনি আৰু কিমান টকাৰ আঁচনি ৰূপায়ণ কৰা হৈছে?

(গ) চলিত বিত্তীয় বৰ্ষত গোৱালপাৰা পশ্চিম সমষ্টিৰ কোন কোন হিতাধিকাৰীক কি কি বস্তুৰ যোগান ধৰা হৈছে?

(ঘ) গোৱালপাৰা জিলাত থকা হস্ত-তাঁত প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ নাম আৰু তাত কৰ্মৰত চৰকাৰী বিষয়া-কৰ্মচাৰীৰ নামসহ কেন্দ্ৰসমূহৰ বৰ্তমানৰ অৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিবনে?

**শ্ৰী প্ৰণৱ গগৈ (হস্তুতাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ইং ২০০১-০২ চনৰ পৰা বৰ্তমানলৈ হস্ত-তাঁত আৰু বস্ত্ৰশিল্প বিভাগে জিলা ভিত্তিত বিভিন্ন শিতানত ব্যয় কৰাৰ তালিকা প্ৰপত্ৰ 'ক'ত দেখুওৱা হৈছে। (See Annexure-V)

(খ) হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগে ২০০৬-০৭ চনত গোৱালপাৰা জিলাৰ সমষ্টি ভিত্তিত জিলা উন্নয়ন পৰিকল্পনা (District Development Plan)

আঁচনিৰ অধীনত গ্ৰহণ কৰা আঁচনিসমূহৰ নাম আৰু টকাৰ পৰিমাণ প্ৰ-পত্ৰ 'খ'ত দেখুওৱা হৈছে। (See Annexure-VI) আৰু প্ৰ-পত্ৰত দেখুওৱা মতে টকাৰ অনুমোদন পোৱাৰ পিছতহে আঁচনিসমূহ ৰূপায়ণ কৰা হ'ব।

ইয়াৰ উপৰিও বিকেন্দ্ৰীকৃত আঁচনিৰ অধীনত সমগ্ৰ গোৱালপাৰা জিলাৰ (সমষ্টি ভিত্তিত নহয়) অনুসূচিত জনজাতিৰ বাবে ৩৭,৫০০ টকা আৰু অনুসূচিত জাতিৰ শিপিনীসকলৰ বাবে ১,৫০,০০০ টকা ২০০৬-০৭ বৰ্ষৰ বাৰ্ষিক পৰিকল্পনাত ধাৰ্য্য কৰা হৈছে। জিলা উপায়ুক্তৰ পৰা উক্ত আঁচনিৰ অনুমোদন এতিয়াও পোৱা হোৱা নাই। অনুমোদন পোৱাৰ পিচতহে এই আঁচনি কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা ল'ব পৰা যাব।

ৰেচম বিভাগে এড়ী আৰু মুগা শিল্পৰ যোগেদি কৰ্মসংস্থাপন দিয়াৰ উদ্দেশ্যে জিলা পৰিকল্পনা পৰিষদে প্ৰত্যেকটো সমষ্টিৰ বাবদ ৫,৫২,৫০০ টকাকৈ মুঠ ২২,১০,০০০ টকা অনুমোদন দিছে। অনুমোদিত ধন এতিয়াও মুকলি কৰি দিয়া হোৱা নাই।

(গ) হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগেও চলিত বিত্তীয় বৰ্ষত হিতাধিকাৰী গোৱালপাৰা পশ্চিম সমষ্টিত কোনো হিতাধিকাৰীক কোনো ধৰণৰ বস্তু যোগান ধৰা হোৱা নাই।

ৰেচম বিভাগেও চলিত বিত্তীয় বৰ্ষৰ বাবে গোৱালপাৰা পশ্চিম সমষ্টিৰ বাবে জিলা উন্নয়নৰ পৰিকল্পনাৰ অধীনত মুঠ ১৬টা আত্মসহায়ক গোটক (মুঠ ১৬০ জন হিতাধিকাৰী) বাছনি কৰা হৈছে। অনুমোদিত আঁচনি এতিয়ালৈ ৰূপায়িত হোৱা নাই বাবে কোনো বস্তু যোগান ধৰিব পৰা নাই।

(ঘ) সবিশেষ প্ৰপত্ৰ 'গ'ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure-VII)

## বিষয় ঃ মেডিকেল কলেজ নিৰ্মাণ।

**শ্ৰীগুনীন্দ্ৰ নাথ দাসে সুধিছে ঃ**

✳ ৭৯। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা, তেজপুৰ আৰু যোৰহাটত স্থাপন হ'বলগীয়া মেডিকেল কলেজৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(খ) বৰপেটাৰ ফকৰউদ্দিন আহমেদ মেডিকেল কলেজ নিৰ্মাণৰ কাম কি পৰ্য্যায়ত আছে?

(গ) প্ৰস্তাৱিত তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ আজিলৈকে নিৰ্মাণৰ বাবে কিমান ধন আৱণ্টন দিছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ২০০৮ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হ'ব।

(খ) Architectural drawing সম্পূৰ্ণ হৈছে।

(গ) ২০০৫-০৬ বিত্তীয় বৰ্ষত তিনিওখন নতুন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে প্ৰতিখনতে পাঁচ কোটিকৈ সৰ্বমুঠ পোন্ধৰ কোটি টকা মোকলাই দিয়া হৈছে। আনহাতে চলিত বিত্তীয় বৰ্ষ ২০০৬-০৭ত পুনৰ একে হাৰত সৰ্বমুঠ পোন্ধৰ কোটি টকা বাজেটত ধাৰ্য্য কৰি মোকলাই দিয়াৰ ব্যৱস্থা লোৱা হৈছে। ২০০৭-০৮ত পৰিকল্পনা শিতানত ৯০ কোটি টকাৰ আৱণ্টন পোৱা হৈছে।

## বিষয় ঃ ২০০ খন বিচনাযুক্ত হস্পিতাল।

**শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ**

* ৮০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰতিখন জিলাৰ সদৰ ঠাইত একোখনকৈ ২০০ খন বিচনাযুক্ত হস্পিতাল নিৰ্মাণ কৰাটো চৰকাৰৰ নীতি হয়নে?

(খ) যদি হয়, বৰ্তমান অসমৰ কেইখন জিলাৰ সদৰ ঠাইত ২০০ খন বিচনাযুক্ত হস্পিতাল নাই?

(গ) যিবোৰ জিলাৰ সদৰ ঠাইত ২০০ খন বিচনাযুক্ত হস্পিতাল নাই, সেইবোৰ জিলাৰ সদৰত ২০০ খন বিচনাযুক্ত হস্পিতাল নিৰ্মাণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) বঙাইগাওঁ জিলাৰ সদৰ বঙাইগাওঁত ২০০ খন বিচনাযুক্ত হস্পিতাল নিৰ্মাণৰ বিষয়টো কি পৰ্য্যায়ত আছে?

(ঙ) বঙাইগাওঁত ২০০ খন বিচনাযুক্ত হস্পিতাল নিৰ্মাণৰ বাবে ভূমি আৱণ্টনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছেনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) হয়।

(খ) ১২ (বাৰ) খন।

(গ) পুঁজি সাপেক্ষে ব্যৱস্থা লোৱা হ'ব। অৱশ্যে পাঁচখন জিলাত এনেধৰণৰ অসামৰিক চিকিৎসালয় স্থাপনৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা হৈছে।

(ঙ) হৈছে।

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ চিকিৎসালয়ৰ কৰ্মচাৰী।**

**শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ**

১৫১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডুমডুমা সমষ্টিত থকা প্ৰত্যেকখন চিকিৎসালয় আজিও সক্ৰিয় হৈ আছেনে?

(খ) এই সক্ৰিয় আৰু নিস্ক্ৰিয় হৈ থকা চিকিৎসালয় ও থকা কৰ্মচাৰীৰ নামসহ তালিকা সদনৰ মেজত দাখিল কৰিবনে?

(গ) এই নিস্ক্ৰীয় অৱস্থাত থকা চিকিৎসালয় সমূহৰ কাৰণে কেনেধৰণৰ আৰু কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(ঘ) এই অঞ্চলত থকা কিমানখন চিকিৎসালয়ত পৰ্য্যাপ্ত পৰিমাণৰ উন্নত মানদণ্ডৰ সা-সঁজুলি ও ঔষধ-পাতি যোগান ধৰিছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) সক্ৰিয় হৈ আছে।

(খ) সক্ৰিয় হৈ থকা চিকিৎসালয় কেইখনৰ নাম আৰু সেইবোৰত কৰ্মৰত চিকিৎসক ও অন্যান্য কৰ্মচাৰীসকলৰ নাম তলত উল্লেখ কৰা হ'ল—

ডুমডুমা চি এইচ চি

| | | |
|---|---|---|
| বিষয়া ও কৰ্মচাৰী | ঃ | ডাঃ ৰঞ্জিৎ দাস |
| | | ডাঃ মনোজ দুৱৰা |
| | | ডাঃ নৱজ্যোতি গগৈ |
| | | ডাঃ অহিনা গজনবি |
| | | ডাঃ মিনাক্ষী হাজৰিকা |
| ফাৰ্মাচিষ্ট | ঃ | শ্ৰীমতী ৰঞ্জু শইকীয়া |
| লেবৰেটৰী টেক্‌নিচিয়ান | ঃ | শ্ৰীমতী জুলি গগৈ |
| নন্ মেডিকেল এচিছ্‌টেণ্ট | ঃ | শ্ৰী মহেন্দ্ৰ বৰা |
| নাৰ্চ | ঃ | শ্ৰীমতী ৰীনা কোঁৱৰ |
| | | শ্ৰীমতী বিভামণি খনিকৰ |
| | | শ্ৰীমতী নিৰুপা বাইলুং |
| | | শ্ৰীমতী ক্ষীৰদা দাস |
| ডুমডুমাৰ কৰ্মচাৰী (ফাৰ্মাচিষ্ট) | ঃ | শ্ৰীমতী ৰঞ্জু শইকীয়া |
| ড্ৰেচাৰ | ঃ | শ্ৰীপুষ্প শৰ্মা |

| | | |
|---|---|---|
| ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী | ঃ | শ্ৰীঅতুল ডেকা |
| | | শ্ৰীৰঞ্জিৎ শৰ্মা |
| | | শ্ৰীপ্ৰদীপ বাল্মিকী (ঝাৰুৱালা) |
| | | শ্ৰীকমল সন্দিকৈ |
| | | শ্ৰীঅনিল পাটগিৰি |
| | | শ্ৰীমতী অঞ্জলী আৰান্ধৰা |
| ডুমডুমা ষ্টেট ডিচপেঞ্চাৰী বিষয়া | ঃ | ডাঃ শ্যামলিমা গগৈ |
| | | ডাঃ অমলকৃষ্ণ বৰা |
| ফাৰ্মাচিষ্ট | ঃ | শ্ৰীকৃষ্ণ কান্ত কছাৰী |
| লেব্ টেক্নিচিয়ান | ঃ | শ্ৰীমান চাহু |
| নাৰ্চ | ঃ | শ্ৰীমতী অঞ্জলী বুঢ়াগোহাঁই |
| হেল্থ্ এচিষ্টেণ্ট | ঃ | শ্ৰীউমেশ নেওঁগ |
| ভেক্চিনেটৰ | ঃ | মঃ আতাউৰ হুছেইন |
| আৰ্ এচ্ আই | ঃ | শ্ৰীমনিন্দ্ৰ চেলেং |
| ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী | ঃ | শ্ৰীদিগন্ত সোণোৱাল |
| | | শ্ৰীহিৰেণ নেওঁগ |
| পি.পি.চি চেণ্টাৰ, ডুমডুমা | | |
| নাৰ্চ | ঃ | শ্ৰীমতী অঞ্জু সোণোৱাল |
| | | শ্ৰীমতী তৰাদৈ গগৈ |
| | | শ্ৰীমতী ইনু গগৈ |
| | | শ্ৰীমতী জানকী বৰা |
| চাব্-চেণ্টাৰ | | |
| মাইজনা চাব চেণ্টাৰ | ঃ | শ্ৰীমতী দেৱযানী বৰুৱা |
| তপোবন চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী দিপালী বৰা |
| গুইপানী চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী সান্তনা নেওঁগ |

| | | |
|---|---|---|
| ৰঙাজান চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী লক্ষ্যমতী দলে |
| ফিল'বাৰী ষ্টেট ডিচপেনচাৰী বিষয়া | ঃ | ডাঃ প্ৰকাশ গুপ্তা |
| ফাৰ্মাচিষ্ট | ঃ | শ্ৰীঅনিল শইকীয়া |
| নন্ মেডিকেল এচিষ্টেণ্ট | ঃ | শ্ৰীদিনেশ দাস |
| হেল্থ ইদুকেটৰ | ঃ | শ্ৰীৰবিন নৰহ |
| চাৰ্বাইলেন্স ওৱাৰ্কাৰ | ঃ | শ্ৰীহৰিশ দাস |
| নাৰ্চ | ঃ | শ্ৰীমতী উৰ্মিলা সোণোৱাল |
| ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী | ঃ | শ্ৰীবুদ্ধিমান সিং |
| চাব্ চেণ্টাৰ (ফিল'বাৰী) | ঃ | শ্ৰীমতী কৌশল্যা গগৈ |
| গাভৰুভেটি চাব্ চেণ্টাৰ | | |
| মইলাপং চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী ৰিমা দেৱী |
| সোণাপুৰ দেউৰা গাওঁ চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী নিলীমা দাস |
| সোনজান চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী যমুনা শৰ্মা |
| নাজিৰাটিং চাব্ চেণ্টাৰ | ঃ | শ্ৰীমতী মঞ্জুলা টেৰাংপি |

(গ) কোনো চিকিৎসালয় নিস্ক্ৰিয় অৱস্থাত নাই।

(ঘ) এই অঞ্চলত থকা উন্নত মানৰ চিকিৎসালয়খন হৈছে— ডুমডুমা চি.এইচ.চি তথা এফ.আৰ.ইউ। তাত উন্নত মানদণ্ডৰ সা-সঁজুলি দিয়া হৈছে। ঔষধ-পাতিও নিয়মীয়াকৈ যোগান ধৰা হৈছে।

## বিষয় ঃ পুঁজি আৱণ্টন।

## শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

১৫২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত দেৰগাওঁ জিলা পৰিষদ এলেকাৰ NRHMৰ জৰিয়তে কিমানটা স্বাস্থ্যকেন্দ্ৰ উন্নয়নৰ বাবে পুঁজি আৱণ্টন দিয়া হৈছে?

(কেন্দ্ৰসমূহৰ নাম ও আৱণ্টন দিয়া পুঁজিৰ পৰিমাণ তালিকাসহ সদনৰ মেজত দাখিল কৰিব।)

(খ) তাৰে কিমানখনত বৰ্তমানলৈকে পুঁজি মুকলি কৰি দিয়া হৈছে? (পুঁজি মুকলি কৰি দিয়া স্বাস্থ্য কেন্দ্ৰমসূহৰ নাম ও পুঁজিৰ পৰিমাণ পৃথকে পৃথকে সদনৰ মেজত দাখিল কৰিব।)

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক)| মুঠ ২০,৪৫,৫০০/- টকা মোকলাই দিয়া হৈছে আৰু বিতং তথ্য
(খ)| Annexure-I ত সংলগ্ন কৰি দিয়া হৈছে।

(See Annexure-VIII)

## বিষয় ঃ জিলা আদালত নিৰ্মাণ।

**মোঃ মহিবুল হকে সুধিছে ঃ**

১৫৩। মাননীয় ন্যায়িক আৰু বিধায়িনী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰীৰ জিলা আদালতটো স্থায়ীভাৱে নিৰ্মাণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে?

(খ) যদি লৈছে, তেন্তে নিৰ্মাণ কাৰ্য্য কি পৰ্য্যায়ত আছে?

(গ) এই সংক্ৰান্তত চৰকাৰে কিবা ধন মঞ্জুৰী দিছেনে?

(ঘ) যদি দিয়া নাই, কিবা পদক্ষেপ ল'বনে?

(ঙ) ধুবুৰী আদালতত সৰ্বমুঠ কিমানটা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে?

(চ) আটাইতকৈ কোনটো গোচৰ দীঘলীয়া সময়লৈ চলি আছে?

**শ্ৰী প্ৰণৱ গগৈ (ন্যায়িক আৰু বিধায়িনী বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) বৰ্তমান লোৱা নাই।

(খ) 'ক' প্ৰশ্নৰ উত্তৰ সাপেক্ষে এই প্ৰশ্ন নুঠে।

(গ) দিয়া নাই।

(ঘ) জিলা আদালতখনৰ ভৱন নিৰ্মাণ কৰাৰ সিদ্ধান্ত লোৱাৰ লগে লগে চৰকাৰে ধনৰ মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিব।

(ঙ) ৩১-০১-২০০৬ ইং তাৰিখলৈকে মুঠ ১০,১৬৭ টা।

(চ) স্বত্ব সাব্যস্ত গোচৰ নং — ৫৮৯/৮২ (Title Suit No.589/82)।

## বিষয়ঃ দেৱালখণ্ড ভগ্নাৱশেষ।

**শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

১৫৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৭০ নং মাজবাট বিধান সভা সমষ্টিত 'দেৱালখণ্ড' বোলা এখন বুৰঞ্জীপ্ৰসিদ্ধ ভগ্নাৱশেষ থকা গাওঁ আৰু উক্ত গাওঁৰ দাঁতিত এটা টিলাত শিলেৰে খোদিত ঐতিহাসিক চিহ্ন পৰি থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত ঠাইখন পৰ্য্যটনৰ ব্যৱস্থা কৰিবনে?

(গ) মাজবাট নগৰৰ দাঁতিত মহামায়া নামে এখন পুৰণি থান থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) উক্ত ঐতিহাসিক থানখন পৰ্য্যটনৰ আকৰ্ষণীয় স্থল হিচাপে চৰকাৰে আঁচনি গ্ৰহণ কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ৭০ নং মাজবাট বিধান সভা সমষ্টিত 'দেৱালখণ্ড' বোলা এখন বুৰঞ্জীপ্ৰসিদ্ধ ভগ্নাৱশেষ থকা গাওঁ আৰু উক্ত গাওঁৰ দাঁতিত শিলেৰে খোদিত ঐতিহাসিক চিহ্ন পৰি থকাৰ বিষয়ে চৰকাৰ অৱগত।

(খ) উক্ত স্থানত পৰীক্ষা কৰি পৰ্য্যটকৰ সুবিধাৰ বাবে আঁচনি লোৱাৰ বিবেচনা কৰা হ'ব।

(গ) হয়, অৱগত।

(ঘ) পৰীক্ষা কৰি বিবেচনা কৰা হ'ব।

**বিষয় ঃ চাৰ্জাৰীৰ ব্যৱস্থা।**

**শ্ৰীবলিন চেতিয়াই সুধিছে ঃ**

১৫৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিৰ অসামৰিক চিকিৎসালয়ত অদ্যপৰিমিত অপাৰেচেন কৰিব পৰা ব্যৱস্থা নথকাটো চৰকাৰৰ জ্ঞাতনে? যদি জ্ঞাত, এই ক্ষেত্ৰত কিবা ব্যৱস্থা লৈছেনে?

(খ) যদি লোৱা নাই, কেতিয়ালৈ এই ব্যৱস্থা কাৰ্য্যকৰী হৈ উঠিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) আৰু (খ) হয়, জ্ঞাত। চাপাখোৱা সামূহিক কেন্দ্ৰটিৰ অস্ত্ৰোপ্ৰচাৰৰ কক্ষ তথা অন্য আন্তঃগাঠনিৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। অস্ত্ৰোপ্ৰচাৰৰ বাবে Anaesthesia Machine-সহ অন্য সামগ্ৰীসমূহৰ যোগান ধৰাও হৈছে। দুজন চিকিৎসক (এজন শিশু বিশেষজ্ঞ আৰু এজন মেডিচিন বিশেষজ্ঞ) ইতিমধ্যে নিয়োজিত হৈছে। স্ত্ৰীৰোগ বিশেষজ্ঞ, শৈল চিকিৎসক তথা Anaesthetist-এ যোগদান কৰিলেই অস্ত্ৰোপ্ৰচাৰৰ কাম আৰম্ভ কৰিব পৰা যাব।

## Subject : National Mission.

**Sri Kartik Sena Sinha asked :**

156. Will the Minister of Environment & Forests be pleased to state :–

(a) Whether the Govt. is aware about National Mission on Bio-Fuel ? Whether the Govt. is considering plantation of "Jatropha Curcos" for Bio-Diesel ?

(b) The present status of Jatropha Curcus Nursery executed by the FDA in various District from GOI fund ? Whether

plantation activities are started, if not, when it will be implemented ?

(c) Whether Jatropha Nursery developed by FDA in the Districts of the State will take plantation in Forest Waste Land areas through JFMC ?
(please give details)

**Shri Rockybul Hussain (Minister, Environment & Forests) replied :**

(a) Yes, Govt. is well aware about "National Mission on Bio-Fuel". The Govt. of Assam is actively considering about carrying out plantation of "Jatropha Curcas" for extracting Bio-Diesel.

(b) The Environment & Forests Department Assam, created nurseries in 17 nos. of FDAs all over the state with fund provided by the Ministry of Rural Development, Department of Land Resources, GOI through the DRDA. All the Nurseries are created successfully and 50,00,000 nos. of "Jatropha Curcus" seedling are in stock, ready for carrying for out plantations. The Department has prepared project for plantation of "Jatropha Curcas" plants in 2,000 hector area of degraded forest village land and the same has been submitted to the Mission Jatropha, Assam for necessary fund. The plantation activities has been proposed to be started during 2007-08. The department is awaiting for fund. The plantation works will be started on receipt of funds. District-wise position is enclosed in Annexure-'A'. (See Annexure-IX)

(c) Yes, the plantation work will be taken up in various districts of the state in and outside degraded forest areas including wastelands and the entire works are proposed to be implemented through the concerning Joint Forest Management Committees constituted in various FDAs.

## Subject : Sonai T.E.

**Sri Sirajuddin Ajmal asked :**

157. Will the Minister of Environment & Forests be pleased to state :

(a) Who is the owner of Sonai T.E. at Bhogirm Gaon adjacent to Daboka Reserve Forest ?

(b) Whether the Govt. is aware about the illegall encroachment of the Forest Land and property by the said T.E. ?

(c) Whether the said Estate is a Tea Estate or Teak Estate ?

**Shri Rockybul Hussain (Minister, Environment & Forests) replied :**

(a) There is no Tea Estate by the name "Sonai Tea Estate" at Bhogiram Gaon adjacent to Daboka Reserved Forests.

(b) Does not arise.

(c) Doest not arise.

## বিষয় ঃ ফাৰ্ম উন্নয়ন।

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

১৫৮। মাননীয় ৰেচম ও বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান সময়ত চতিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত চাৰেঙ্গীয়া, কুসুমতোলা আৰু টুপীয়া ফাৰ্ম কেইখনৰ উন্নয়নৰ বিষয়ে চৰকাৰে কিবা প্ৰচেষ্টা লৈছেনে?

(খ) চাৰেঙ্গীয়া ৰেচম ফাৰ্মত থকা সূতাকটা কেন্দ্ৰটো উৎপাদনক্ষম অৱস্থাত আছেনে? ইয়াৰ পৰা বছৰি কিমান সূতা উৎপাদন হৈছে আৰু কিমান শিপিনী ইয়াৰ দ্বাৰা উপকৃত হৈছে?

(গ) চাৰঙ্গীয়াস্থিত বয়ন প্ৰশিক্ষণ কেন্দ্ৰটোৰ পৰা বৰ্তমান কিমান প্ৰশিক্ষাৰ্থীয়ে বয়ন প্ৰশিক্ষণ লাভ কৰিছে?

(ঘ) ইয়াৰ প্ৰশিক্ষাৰ্থী সকলৰ মাহিলী ভাট্টা বিগত ৩০ বছৰ ধৰি ৮০ টকাতে সীমাবদ্ধ কৰাৰ কথাটো বিভাগীয়ভাৱে জ্ঞাতনে?

(ঙ) এই বয়ন প্ৰশিক্ষণ কেন্দ্ৰটোৰ জৰাজীৰ্ণ ৰূপটো চৰকাৰৰ জ্ঞাতনে?

**শ্ৰী প্ৰণৱ গগৈ (হস্তুতাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰেঙ্গীয়া, কুসুমতোলা আৰু টুপীয়া ফাৰ্ম কেইখনৰ উন্নয়নৰ ক্ষেত্ৰত বৰ্তমান লোৱা ব্যৱস্থাসমূহ হ'ল—

ইং ২০০৬-০৭ চনৰ জিলা উন্নয়ন পৰিকল্পনাৰ অধীনত চাৰেঙ্গীয়া আৰু কুসুমতোলা ফাৰ্মত পলু খাদ্য-বৃক্ষ ৰোপণৰ কাৰণে প্ৰতিখনতে ২ একৰকৈ মাটিত কাটা-তাঁৰৰ বেৰ দিয়াৰ বাবে ১,৬৩,৩০০/- টকাৰ অনুমোদন দিয়া হৈছে। পুঁজি আৱণ্টন দিয়াৰ লগে লগে উক্ত আঁচনি ৰূপায়ণ কৰা হ'ব।

২০০৭-০৮ বৰ্ষত Special Catalytic Development Programme ৰ অধীনত কুসুমতোলা এড়ী ফাৰ্মত ১ একৰত কেছেৰু আৰু ৩ একৰত এড়ী গছ ৰোপণৰ লগতে গৰমৰ দিনত এড়ী সঁচ উৎপাদনৰ কাৰণে প্ৰয়োজনীয় Air Condition সংযোজিত কৰি ১,০০,০০০.০০ টকাৰ আঁচনি কেন্দ্ৰীয় ব'ৰ্ডৰ সহযোগত ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। লগতে দুটা পলু পালন ঘৰো CDP আঁচনিৰ অধীনত মেৰামতি কৰি পুনৰ নিৰ্মাণ কৰা হৈছে।

(খ) চাৰেঙ্গীয়া ৰেচম পামৰ সূতাকটা কেন্দ্ৰটো বৰ্তমান আংশিকভাৱে উৎপাদনক্ষম অৱস্থাতে আছে। সূতাকটা কেন্দ্ৰটোৰ বাৰ্ষিক উৎপাদনৰ লক্ষ্য ৫৮ কেজি পাট সূতা যদিও ১৯৯৮ চনৰ ধুমুহাত হোৱা ক্ষতিৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰটোৰ উৎপাদনক্ষমতা বৰ্তমান হ্ৰাস পাইছে। ইং ২০০৫-০৬ আৰু ২০০৬-০৭ বৰ্ষত কেন্দ্ৰটোৰ পৰা কেৱল ১৬.৭ কেজি সূতাহে উৎপাদন হৈছে। ধুমুহাত ক্ষতিগ্ৰস্ত কেন্দ্ৰটোৰ ঘৰটো ইং ২০০৩-০৪ চনৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত ১,৫২,৯৪০/- টকা খৰচ কৰি মেৰামতি কৰা হয় যদিও ক্ষতিগ্ৰস্ত Multiend Reeling Machin-টোৰ মেৰামতি/পুঁজিৰ অভাৱত কৰিব পৰা হোৱা নাই। উক্ত মেচিনটোৰ মেৰামতিৰ কাম ইং

২০০৭-০৮ বৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ Catalytic Development Programmeৰ অধীনত কৰা হ'ব।

সূতাকটা কেন্দ্ৰটোৰ জৰিয়তে প্ৰত্যক্ষভাৱে কোনো শিপিনী উপকৃত নহয়। কিন্তু বছৰি ৩০ গৰাকীকৈ পাটসূতা কাটনী (Reeler) উপযুক্ত হয়।

(গ) চাৰেঙ্গীয়াস্থিত চতিয়া বয়ন প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিস্থিত হোৱাৰ পৰা বৰ্তমানলৈকে ৪৪৬ জন প্ৰশিক্ষাৰ্থীয়ে বয়ন প্ৰশিক্ষণ লাভ কৰিছে। বৰ্তমান এই কেন্দ্ৰত ১০ (দহ) গৰাকী প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লৈ আছে।

(ঘ) ১৯৮৩ চনৰ পৰাই প্ৰশিক্ষাৰ্থীসকলৰ মাহিলী ভাট্টা ৮০ টকাতে সীমাবদ্ধ থকাটো চৰকাৰৰ অৱগত।

(ঙ) এই বিষয়ে চৰকাৰ অৱগত।

## বিষয় ঃ বনৰীয়া হাতীৰ উপদ্ৰৱ।

**শ্ৰীঅভিজিত হাজৰিকাই সুধিছে ঃ**

১৫৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাত বনৰীয়া হাতীয়ে বহু মানুহ মৰাৰ উপৰিও ঘৰ-দুৱাৰ ভাঙি ব্যাপকভাৱে শস্য নষ্ট কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) চৰকাৰে শোণিতপুৰ জিলাত যোৱা বছৰত কিমান ক্ষতিপূৰণ কেনে ধৰণে দিছে?

(গ) ৰঙাপাৰা সমষ্টিত যোৱা পাঁচবছৰে কিমান লোকক ক্ষতিপূৰণ দিলে আৰু কিমান লোকক ক্ষতিপূৰণ দিবলৈ বাকী আছে?

(ঘ) বনৰীয়া হাতীৰ সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে চৰকাৰে কেনে ব্যৱস্থা হাতত লৈছে?

**শ্ৰী ৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) হয়। এই সম্পৰ্কত চৰকাৰ অৱগত।

(খ) যোৱা বছৰত শোণিতপুৰ জিলাত বনৰীয়া হাতীয়ে ক্ষতি কৰাৰ বাবদ তলত দেখুৱা ক্ষতিপূৰণ দিছে —

| ক্ৰমিক নং | ক্ষতিপূৰণৰ ধৰণ | টকাৰ পৰিমাণ |
|---|---|---|
| ১ | মানুহৰ মৃত্যুৰ বাবে | ৫,৩০,০০০.০০ |
| ২ | আঘাতপ্ৰাপ্ত হোৱাৰ বাবে | ৪৪,০০০.০০ |
| ৩ | ঘৰচীয়া জীৱ-জন্তুৰ ক্ষতিসাধনৰ বাবে | ১,৫০০.০০ |
| ৪ | ঘৰ-দুৱাৰ ভঙাৰ বাবে | ৩০,০০০.০০ |
| ৫ | শস্যৰ অনিষ্ট কৰাৰ বাবে | ১,৩৪,৫০০.০০ |

মুঠ — ১০,১০,০০০ টকা

(গ) যোৱা পাঁচ বছৰত ৰঙাপাৰা সমষ্টিত তলত দিয়া ধৰণে ক্ষতিপূৰণ দিয়া হৈছে —

| বছৰ | মৃতকৰ বাবে | আঘাতপ্ৰাপ্ত হোৱাৰ | ঘৰ-দুৱাৰৰ ক্ষতিসাধনৰ | শস্যৰ অনিষ্ট কৰাৰ বাবে | ঘৰচীয়া জীৱ-জন্তুৰ ক্ষতিসাধনৰ বাবে | মুঠ |
|---|---|---|---|---|---|---|
| ২০০২-০৩ | ২০,০০০ | - | - | - | - | ২০,০০০ |
| ২০০৩-০৪ | ১,৮০,০০০ | - | - | - | - | ১,৮০,০০০ |
| ২০০৪-০৫ | ২,০০,০০০ | - | - | - | - | ২,০০,০০০ |
| ২০০৫-০৬ | ১,৬০,০০০ | - | ১,৫২,০০০ | - | - | ৩,১২,০০০ |
| ২০০৬-০৭ | - | | - | - | - | - |

মুঠ - ৭,১২,০০০

দিবলগীয়া ক্ষতিপূৰণ তলত দেখুৱা হৈছে ঃ—

| বছৰ | মৃতকৰ বাবে | আঘাত-প্ৰাপ্ত হোৱাৰ | ঘৰ-দুৱাৰৰ ক্ষতিসাধনৰ | শস্যৰ অনিষ্ট কৰাৰ বাবে | ঘৰচীয়া জীৱ-জন্তুৰ ক্ষতিসাধনৰ বাবে | মুঠ |
|---|---|---|---|---|---|---|
| ২০০২-০৩ | - | - | - | - | - | - |
| ২০০৩-০৪ | - | - | - | - | - | - |
| ২০০৪-০৫ | - | - | - | - | - | - |
| ২০০৫-০৬ | - | - | - | ৩,৫০,০০০ | - | ৩,৫০,০০০ |
| ২০০৬-০৭ | ১,৬০,০০০ | ২০০০ | ১,৬৩,০০০ | ৩,১০,০০০ | - | ৬,৩৫,০০০ |

মুঠ- ৯,৮৫,০০০

(ঘ) শোণিতপুৰ জিলাত বনৰীয়া হাতীৰ উপদ্ৰৱ প্ৰতিৰোধৰ বাবে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰা হয় ঃ—

১) স্থানীয় লোকক জড়িত কৰি উপদ্ৰুত এলেকাত কেইবাখনো কমিটি গঠন কৰা হৈছে, স্থানীয় সুৰক্ষা বাহিনী নিয়োগ কৰা হৈছে যাতে হাতী আহিলে তৎক্ষণাত সকলোকে খা-খবৰ দি হাতী খেদাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

২) ডব্লিউ ডব্লিউ এফ আৰু বন বিভাগৰ ফালৰ পৰা গাওঁ অঞ্চলৰ লোকক গাওঁ সুৰক্ষা বাহিনীৰ (VDP) প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই কমিটিৰ লোকসকলক চাৰ্জলাইট, টৰ্চ, ফটকা, কেৰাচিন আদি যোগান ধৰা হৈছে।

৩) কিছু কিছু অঞ্চলত হাতী অহা বন্ধ কৰিবৰ বাবে জনতা ফেঞ্চিং, বৈদ্যুতিক কাটাতাঁৰৰ বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

৪) শোণিতপুৰ পূৱ সংমণ্ডলৰ অধীনত এটা টাস্কফৰ্চ গঠন কৰা হৈছে।

এই গোটে অহৰহ উপদ্ৰুত এলেকাত পহৰা দি হাতীৰ গতি-বিধি নিৰীক্ষণ কৰে।

৫) সংৰক্ষিত বনাঞ্চলসমূহত হাতীৰ খাদ্যৰ উপযোগী গছ-গছনি ৰুই পানীৰ যোগানৰ ব্যৱস্থা কৰি বনাঞ্চল বৃদ্ধি কৰা হৈছে যাতে খাদ্যৰ অভাৱত হাতী বাহিৰলৈ ওলাই আহিব লগা নহয়।

৬) হাতীৰ আহ-যাহ কৰা অঞ্চলত দেশীয় সুৰাৰ বিক্ৰী আৰু বনোৱাটো বন্ধ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ ভুৱা চিকিৎসক।

**শ্ৰী প্ৰণৱ কলিতাই সুধিছে ঃ**

১৬০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ তিনিখন চিকিৎসা মহাবিদ্যালয়ত ভুৱা প্ৰমাণ-পত্ৰৰে নাম ভৰ্তি কৰি পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? (ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ ঠিকনা সদনৰ মেজত দাখিল কৰিব।)

(খ) ভুৱা চিকিৎসক ছাত্ৰ-ছাত্ৰীৰ (সত্য প্ৰমাণিত) ফটোসমূহ ঠিকনাসহ বাতৰি কাকতত প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) ইতিমধ্যে এনেদৰে নাম ভৰ্তি কৰি পাঠদান সমাপ্ত কৰি চিকিৎসা সেৱা আগবঢ়াই থকা কোনোবা চিকিৎসক আছে নেকি? যদি আছে, তেওঁলোকৰ নাম আৰু ক'ত কাৰ্য্যনিৰ্বাহ কৰি আছে বিতং তথ্যসহ সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) ভুৱা নাম ভৰ্তিৰ জালিয়াতিত স্বাস্থ্য বিভাগৰ কোনোবা বিষয়া জড়িত আছে নেকি? যদি আছে, ভুৱা চিকিৎসকৰ বিৰুদ্ধে বৰ্তমানলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ

(ক) ভুৱা প্ৰমাণ পত্ৰৰে (False Certificate) কোনো ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা নাই। অৱশ্যে বিভাগীয় অনুসন্ধান ক্ৰমে সন্দেহযুক্ত কেন্দ্ৰীয় চৰকাৰৰ ১৫ শতাংশ সংৰক্ষিত আসনৰ (15% All India Quota) বিপৰীতে কেন্দ্ৰীয় চৰকাৰৰ ভুৱা অনুমোদন-পত্ৰ লৈ ১৪ জন ছাত্ৰ-ছাত্ৰীয়ে আৰু ৰাজ্যিক চোৰাংচোৱা বিভাগে প্ৰকৃত পৰীক্ষাৰ্থীৰ সলনি আন ব্যক্তিৰ দ্বাৰা নাম ভৰ্তিৰ পৰীক্ষা দি ভুৱা ব্যক্তি হিচাবে (Impersonation) চিনাক্ত হোৱা ৩ (তিনি) জন ছাত্ৰসহ সৰ্বমুঠ ১৭ (সোতৰ) জন এনেধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয় আৰু আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়, গুৱাহাটীত অধ্যয়ন কৰি আছে। ইতিমধ্যে Post Graduate শ্ৰেণীত কেন্দ্ৰীয় চৰকাৰৰ ৫০ শতাংশ সংৰক্ষিত আসনৰ ভুৱা আৱণ্টন পত্ৰ লৈ নামভৰ্তি কৰা তিনিজন ছাত্ৰক আৰু MBBS শ্ৰেণীত নাম ভৰ্তিৰ বাছনি পৰীক্ষাত (Common Entrance Test) প্ৰকৃত পৰীক্ষাৰ্থীৰ সলনি ভুৱা ব্যক্তিৰে পৰীক্ষা দি বাছনিত উত্তীৰ্ণ হোৱা ১৪ জন ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি বাতিল কৰা হৈছে।

এই সন্দৰ্ভত চৰকাৰে প্ৰকৃত সত্য উদঘাটন কৰি বিহিত ব্যৱস্থা লোৱাৰ বাবে বদ্ধপৰিকৰ। সেয়েহে কেবিনেটৰ সিদ্ধান্ত অনুযায়ী গোটেই বিষয়টোৰ বিতং অনুসন্ধান কৰিবলৈ কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা (CBI)ক ন্যস্ত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। (নাম ভৰ্তি কৰি পঢ়ি থকা ১৭ জন ছাত্ৰৰ তালিকা Annexure-Xত দিয়া হ'ল। (See Annexure-X)

(খ) তেনে সিদ্ধান্ত লোৱা নাই।

(গ) বৰ্তমানলৈ জ্ঞাত নহয়।

(ঘ) অনুসন্ধানৰ প্ৰতিবেদনৰ ভিত্তিতহে ব্যৱস্থা ল'ব পৰা হ'ব।

## বিষয় ঃ SDMO অফিচ।

**ডঃ মলয়া বৰ্মনে সুধিছে ঃ**

১৬১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বছৰ বছৰ ধৰি অৱহেলিত হৈ থকা পাটাছাৰকুছি সমষ্টিৰ CHC, PHC আৰু Sub-Centre সমূহ উন্নতিকৰণ কৰাৰ দৰে পাটাছাৰকুছি এলেকাত অৱস্থিত SDMO অফিচটো পূৰ্ণ পৰ্য্যায়ৰ কাৰ্য্যালয়ৰ ব্যৱস্থা ল'বনে?

(খ) তাৰোপৰি বজালী Sub-Divisionত অৱস্থিত Pathsala C.H.C-খন ১০০ Bedded কৰি অসামৰিক চিকিৎসালয়লৈ ৰূপান্তৰিত কৰি 'মদন-ৰাউটা' নামেৰে নামকৰণ কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) প্ৰয়োজনতকৈ অধিক যিবোৰ স্বাস্থ্য কেন্দ্ৰত ডাক্তৰ, নাৰ্চ attached হৈ আছে, সেইবোৰৰ পৰা প্ৰয়োজনীয় ডাক্তৰ, নাৰ্চ নথকা CHC, PHC আদিলৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা কৰিবনে?

(ঘ) কিয়নো ৪২ নং পাটাছাৰকুছি সমষ্টিত বহুতো স্বাস্থ্যকেন্দ্ৰত ডাক্তৰ, নাৰ্চৰ নিয়োগ আছে যদিও কাৰ্য্যক্ষেত্ৰত পোৱা নাযায়, চৰকাৰে উপযুক্ত ব্যৱস্থা ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) পুঁজি আৰু যাৱতীয় পদ সৃষ্টিৰ অনুমোদন সাপেক্ষেহে ল'ব পৰা যাব।

(খ) পুঁজি আৰু আৱশ্যকীয় পদ সৃষ্টিৰ মঞ্জুৰী পালে সমপৰ্য্যায়ৰ মহকুমা সমূহৰ লগত বিবেচনা কৰিব পৰা যাব। মহকুমা অসামৰিক চিকিৎসালয়খনৰ নামাকৰণ এতিয়াই নুঠে। অৱশ্যে ৩০খন বিছনাযুক্ত পাঠশালা CHC-খন Europian Commissionৰ অনুদানেৰে অতিৰিক্ত ১৪খন বিছনাযুক্ত এটা Ward ইতিমধ্যে নিৰ্মাণ কৰি চিকিৎসালয়খন IPHS পৰ্য্যায়লৈ উন্নীতকৰণৰ বাবে

লোৱা হৈছে। ইয়াৰ বাবে ৩৬,৩৫,০০০/- (ছয়ত্ৰিশ লাখ পয়ত্ৰিশ হাজাৰ) টকাৰ প্ৰশাসনিক অনুমোদনো দিয়া হৈছে। যথা সময়ত প্ৰশ্নত উল্লেখ কৰা ধৰণে ব্যৱস্থা ল'ব পৰা যাব।

(গ) বিষয়টো পৰীক্ষা কৰিহে প্ৰয়োজনীয় ব্যৱস্থা ল'ব পৰা যাব।

(ঘ) নিৰ্দিষ্ট অভিযোগৰ ভিত্তিত ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ বনানীকৰণ আঁচনি।**

**শ্ৰী আব্দুল খালেকে সুধিছে ঃ**

১৬২। মাননীয় বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ জনীয়া সমষ্টিত কিমান বনাঞ্চল আছে? (বনগাওঁসমূহৰ তালিকা সদনৰ মেজত দাখিল কৰিব।)

(খ) সামাজিক বনানীকৰণ আঁচনিৰ অধীনত জনীয়া সমষ্টিৰ কোন কোন গাওঁ সামৰি লৈছে?

(গ) যদি লোৱা নাই, জনীয়া সমষ্টিত শীঘ্ৰেই বনানীকৰণৰ কাৰ্য্যসূচী ল'বনে?

(ঘ) জনীয়া সমষ্টিৰ ভিতৰত বন আৰু পৰিবেশ বিভাগৰ কি কি কাৰ্য্যালয় আছে?

**শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) বৰপেটা জিলাৰ জনীয়া সমষ্টিত বনাঞ্চল নাই।

(খ) সামাজিক বনানীকৰণ আঁচনিৰ অধীনত জনীয়া সমষ্টিত কোনো গাওঁ সামৰি ল'ব পৰা হোৱা নাই।

(গ) পুঁজি আৱণ্টন অনুযায়ী কাৰ্য্যসূচী ল'ব পৰা হ'ব পাৰে।

(ঘ) বৰ্তমান নাই, আগতে জনীয়া সমষ্টিত পথৰ দাঁতিত বনানীকৰণ আৰু গাৱঁৰ চৰকাৰী পতিত মাটিত সামাজিক বনানীকৰণ (সাধাৰণ) আঁচনিৰ অধীনত পুলি বাগান লোৱা হৈছিল।

## Subject : Vacant Post.

**Dr. Aditya Langthasa asked :**

163. Will the Minister of Health & Family Welfare be pleased to state :

(a) How many teaching posts are lying vacant in the Medical Colleges of Assam at present ?

(b) Will the Govt. furnish the details of the vacant teaching posts, department-wise in the three Medical Colleges of Assam ?

**Dr. Himanta Biswa Sarma (Minister of Health & Family Welfare) replied :**

(a) At present 227 (Two hundren twenty seven) Nos. of teaching posts are lying vacant in the three Medical Colleges of Assam.

(b) Details of the vacant teaching posts department-wise in three Medical Colleges is given Annexure-I.
(See Annexure-XI)

## বিষয় ঃ লেব'ৰেটৰীৰ সংখ্যা।

**শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ**

১৬৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ব্যক্তিগত খণ্ডৰ পেথ'লজিকেল লেব'ৰেটৰীৰ সংখ্যা কিমান? এই লেব'ৰেটৰীবোৰ চলাবলৈ চৰকাৰী কিবা অনুমতিৰ প্ৰয়োজন আছেনে?

(খ) যদি প্ৰয়োজন আছে, তেনেহ'লে অসমত এনে অনুমতি প্ৰদত্ত পেথ'লজিকেল লেব'ৰেটৰী কিমান আছে? অনুমতি বিহীন পেথ'লজি লেব'ৰেটৰী কিমান আছে?

(গ) এনে লেব'ৰেটৰীবোৰৰ মানদণ্ড সম্পৰ্কে কিবা নীতি-নিৰ্দেশনা আছে নেকি? যদি আছে কি কি?

(ঘ) অৰ্হতাপ্ৰাপ্ত চিকিৎসক আৰু টেক্‌নিচিয়ান নোহোৱাকৈ এনে পৰীক্ষাগাৰ চলাব পাৰেনে?

(ঙ) যদি নোৱাৰে, তাৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) হয়, আছে।

(খ) অনুমতিপ্ৰাপ্ত পেথ'লজিকেল লেব'ৰেটৰীৰ সংখ্যা ২৮। তদুপৰি বিভিন্ন নাৰ্চিং হোম। ব্যক্তিগত চিকিৎসালয়বোৰৰ লগত অতিৰিক্ত অনুমতিপ্ৰাপ্ত এনে লে'বৰেটৰীৰ সংখ্যা ১৫৮ খন। অনুমতিবিহীন পেথ'লজিক্যেল লে'বৰেটৰীৰ সংখ্যা ২৮৪ খন।

(গ) আছে। The Assam Health Establishment Act, 1993 (amended 2006) আইনত থকা ব্যৱস্থা মতে ঃ

i) For establishing and maintaing a clinical laboratory for carring-out Biological, Pathological and Chemical tests for diagnostic purposes at least one full time pathologist with required number of Laboratory Technician and required staff shall be appointed having requisite qualification like degree Diploma from Govt. recognised Institutions.

ii) N.O.C./Trade Licence from Municipality/Gaon Panchayat.

iii) Certificate from Pollusion Control Board.

iv) Recommendation from Jt. DHS of concerned District with Inspection Report.

(ঘ) বিধিগতভাৱে নোৱাৰে।

(ঙ) জিলা উপায়ুক্ত আৰু জিলা যুটীয়া স্বাস্থ্য সঞ্চালকক ক্ষমতা প্ৰদত্ত পৰিদৰ্শক বিষয়া (Inspecting Officer) হিচাবে Assam Health Establishment Act, 1993 (amended 2006) আইনৰ অধীনত দায়িত্ব ন্যস্ত কৰা আছে।

বিষয় ঃ বিষয়া-কৰ্মচাৰীৰ সংখ্যা।

শ্ৰীঅনুপ ফুকনে সুধিছে ঃ

১৬৫। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ স্বাস্থ্য উপ-কেন্দ্ৰৰ পৰা অসামৰিক চিকিৎসালয়লৈকে স্বাস্থ্য ক্ষেত্ৰত বিভিন্ন পদত কৰ্মৰত বিষয়া/কৰ্মচাৰীৰ সংখ্যা কিমান? কিমান পদ খালী হৈ আছে? (বিভিন্ন কেটেগৰীৰ পদ স্বাস্থ্যকেন্দ্ৰৰ লগতে অসামৰিক চিকিৎসালয়লৈকে সকলোৰে নামৰ লগতে বছৰ অনুসৰি তালিকা সদনৰ মেজত দিব।)

(খ) উল্লেখিত খালী পদসমূহ পূৰণ কৰাৰ বাবে ২০০১ চনত নিৰ্বাচিতসকলৰ বাবে চৰকাৰে বৰ্তমানে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) টিংখং সমষ্টিৰ ৰাজগড় CHCত আৰম্ভণিতে ৬ জন চিকিৎসা বিষয়া থকাটো সঁচানে? বৰ্তমানে মাত্ৰ দুজনহে চিকিৎসা বিষয়া আৰু অন্যান্য পদতো কমসংখ্যক স্বাস্থ্যকৰ্মী থকাটো চৰকাৰ অৱগতনে? যদি অৱগত, এই পদসমূহৰ বিপৰীতে কৰ্মৰত স্বাস্থ্য বিষয়া/কৰ্মচাৰীসকল ক'ত ক'ত কেতিয়াৰ পৰা কাম কৰি আছে? (বিষয়া/কৰ্মচাৰীৰ নাম, কৰ্মৰত ঠাই আদি বিতংকৈ সদনৰ মেজত দিব।)

(ঘ) এইসকল বিষয়া/কৰ্মচাৰীক ৰাজগড় CHC লৈ কেতিয়া ঘূৰাই অনা হ'ব? যদি অনা নহয়, কিয় অনা নহয়, বিতংকৈ কাৰণ দৰ্শাব?

(ঙ) টিংখং MPHCত ২য় জন চিকিৎসা বিষয়া নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া ইয়াৰ ব্যৱস্থা কৰিব? যদি নিযুক্তিৰ ব্যৱস্থা কৰিব নোৱাৰি, ইয়াৰ কাৰণ কি? (বিতংকৈ জনাব)

(চ) টিংখং সমষ্টিৰ ৰাজগড় CHCৰ পৰা CRPF ৰ শিবিৰ মাননীয় সদনত যোৱা ডিচেম্বৰ অধিবেশনত ১৫/১২/২০০৬ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং-২১১

ডিব্রুগড় জিলাৰ উপায়ুক্তৰ সৈতে যোগাযোগ কৰি আঁতৰ কৰাৰ আশ্বাস দিয়া স্বত্বেও আজিলৈকে আঁতৰ নকৰাৰ কাৰণ কি? এই শিবিৰ আৰু কিমান দিনৰ ভিতৰত আঁতৰ কৰি জনসাধাৰণৰ বাবে CHC খন মুকলি কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমানলৈ মুঠ ১৭,৫৩৬ জন বিষয়া/কৰ্মচাৰীয়ে কৰ্মৰত হৈ আছে।

| | | |
|---|---|---|
| ইয়াৰে ছিনিয়ৰ গ্ৰেডৰ সংখ্যা হ'ল | = | ১০৬ জন |
| প্ৰথম গ্ৰেডৰ সংখ্যা হ'ল | = | ৩২৯ জন |
| দ্বিতীয় গ্ৰেডৰ সংখ্যা হ'ল | = | ১৮৫০ জন |
| তৃতীয় গ্ৰেডৰ সংখ্যা হ'ল | = | ৯৫৭০ জন |
| চতুৰ্থ গ্ৰেডৰ সংখ্যা হ'ল | = | ৫৬৮১ জন |
| খালি পদসমূহ ঃ প্ৰথম গ্ৰেড | = | ১৮ জন |
| দ্বিতীয় গ্ৰেড | = | ১৪ জন |
| তৃতীয় গ্ৰেড | = | ৩৯৯ জন |
| চতুৰ্থ গ্ৰেড | = | ৩৯১ জন |

(খ) ২০০১ চনত স্বাস্থ্যসেৱা সঞ্চালকে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ খালি পদ পূৰণৰ বাবে কোনো সাক্ষাৎকাৰ গ্ৰহণ কৰা নাছিল। গতিকে প্ৰাৰ্থী নিৰ্বাচনৰ কোনো প্ৰশ্নই নুঠে।

(গ) টিংখং সমষ্টিৰ ৰাজগড় CHCত মাত্ৰ দুজন চিকিৎসা ও স্বাস্থ্য বিষয়াৰ পদ মঞ্জুৰ হৈছিল আৰু দুয়োটা পদতে দুজন চিকিৎসা ও স্বাস্থ্য বিষয়াই কাৰ্য্য-নিৰ্বাহ কৰি আছে। তেখেত সকল হৈছে ডাঃ নৰকুমাৰ ডেকা-জ্যেষ্ঠ স্বাস্থ্য বিষয়া আৰু ডাঃ মুনীন গগৈ-চিকিৎসা ও স্বাস্থ্য বিষয়া। বাকী অন্যান্য কৰ্মচাৰী চৰকাৰৰ মঞ্জুৰী মতে সকলোৱে ৰাজগড় CHCত কাম কৰি আছে।

(ঘ) প্ৰশ্নই নুঠে।

(ঙ) টিংখঙত ৰাজ্যিক চিকিৎসালয় হিচাবে মাত্ৰ এজন চিকিৎসা ও স্বাস্থ্য বিষয়া ১ৰ পদ চৰকাৰে সৃষ্টি কৰিছিল। পাছত এইখন ৰাজ্যিক চিকিৎসালয়ক ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়লৈ ৰূপান্তৰিত কৰে। ৰূপান্তৰিত কৰাৰ পাছত কোনো চিকিৎসা ও স্বাস্থ্য বিষয়াৰ পদ সৃষ্টি কৰা নাই আৰু মাত্ৰ এজন চিকিৎসা ও স্বাস্থ্য বিষয়াই ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়খন পৰিচালনা কৰি আছে।

(চ) ইতিমধ্যে ৰাজগড় CHCখনৰ পৰা CRPF বাহিনী আঁতৰাই পঠোৱা হৈছে।

## Subject : No. of Rhinoceros.

**Shri Chandi Basumatary asked :**

166. Will the Minister of Environment & Forests be pleased to state :

(a) What is the number of Rhinoceros in the State ?

(b) What is the number of Rhinoceros in Kaziranga National Park?

(c) What is the numberof Rhinoceros in Manas National Park ?

(d) What is the number of Rhinoceros in Orang National Park ?

**Shri Rockybul Hussain (Minister, Environment & Forests) replied :**

(a) Total Number of Rhinoceros in the State is 2006 nos.

(b) Number of Rhinoceros in Kaziranga Park is 1855 nos.

(c) Number of Rhinoceros in Manas National Park is 3 nos.

(d) Number of Rhinoceros in Orang National Park is 68 nos.

## বিষয় ঃ চিকিৎসকৰ অবৈধ ধন সংগ্ৰহ।

**শ্ৰীৰাজু চাহুৰে সুধিছে ঃ**

১৬৭। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া চহৰত অৱস্থিত গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত চৰকাৰে পৰ্য্যাপ্ত ধনৰ আৱণ্টন দিয়াৰ পাছতো ইয়াত কৰ্মৰত একাংশ চিকিৎসকে পুঁজিৰ অভাৱৰ অজুহাত দেখুৱাই ব্যক্তিগতভাৱে দৰিদ্ৰ ৰোগীসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অভিযোগৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে ইয়াৰ নিৰাময়ৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

(গ) উক্ত চিকিৎসালয়খনৰ উন্নয়নৰ বাবে চৰকাৰে ১০ কোটি টকা আৱণ্টন দিয়া কথাটো সঁচানে?

(ঘ) যদি সঁচা, তেনেহ'লে ইয়াৰ সদ্ব্যৱহাৰৰ বাবে কেনে ধৰণে ব্যৱস্থা লৈছে? (বিস্তৃতভাৱে সদনত জনাব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) নিৰাময়ৰ ব্যৱস্থা হাতত লোৱা হৈছে। ডাঃ দিলীপ কুমাৰ বুঢ়াগোহাঁই নামৰ চিকিৎসক জনক ৰোগীৰ পৰা অবৈধভাৱে ধন সংগ্ৰহ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি জেল-হাজোতলৈ প্ৰেৰণ কৰা হৈছে। আৰু তেওঁক ইতিমধ্যে চাকৰিৰ পৰা নিলম্বন কৰা হৈছে।

(গ) সঁচা নহয়। ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ জৰিয়তে ৯০.০০ (নৱৈ) লাখ টকা দিয়া হ'ব।

(গ) এই ক্ষেত্ৰত যাৱতীয় নীতি প্ৰস্তুত কৰি থকা হৈছে।

## বিষয় ঃ নাৰ্চ ট্ৰেইনিং স্কুল স্থাপন।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডলে সুধিছে ঃ**

১৬৮। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ সদৰ ঠাইত Nurse Training School স্থাপনৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে উক্ত আঁচনিৰ বাবে কিমান টকা ধাৰ্য্য কৰিছে?

(গ) উক্ত আঁচনিৰ কাম কেতিয়া আৰম্ভ হ'ব?

(ঘ) গোৱালপাৰা চিভিল হাস্পাতালৰ উন্নয়ন আৰু ইয়াৰ ডাক্তৰ-কৰ্মচাৰীসকলৰ আবাসগৃহৰ মেৰামতি আৰু নিৰ্মাণৰ বাবদ ইং ২০০৬-০৭ চনত কিমান টকা মঞ্জুৰী দিয়া হৈছে আৰু তাৰে কিমান টকা কোন কোন ঠিকাদাৰৰ জৰিয়তে ব্যয় কৰা হৈছে?

(ঙ) গোৱালপাৰা পশ্চিম সমষ্টিৰ বগুৱানৰ ৰাজ্যিক চিকিৎসালয়, বায়দাৰ SHC আৰু খৰমুজাৰ MPHCক ৩০খন বিছনাযুক্ত হাস্পাতাল অথবা PHCলৈ উন্নীত কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে? যদি লৈছে, তেন্তে কেতিয়া উন্নীত কৰা হ'ব? যদি লোৱা নাই, তেন্তে সোনকালে উক্ত তিনিওখন চিকিৎসালয়ক ৩০ খন বিছনাযুক্ত হাস্পাতাল অথবা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰলৈ উন্নীত কৰিবনে?

(চ) গোৱালপাৰা পশ্চিম সমষ্টিৰ মাৰকুলাৰ স্বাস্থ্য উপ-কেন্দ্ৰটো MPHC-লৈ উন্নীতকৰণৰ বাবে চৰকাৰে প্ৰায় পঁচিশ লাখ টকা অৰ্থ মঞ্জুৰী দি উক্ত MPHC-ৰ গৃহ নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা সম্পূৰ্ণ কৰি শেষ মূহূৰ্তত উক্ত গৃহ নিৰ্মাণ নোহোৱা আৰু মাৰকুলা স্বাস্থ্য উপ-কেন্দ্ৰটোও MPHC-লৈ উন্নীত নোহোৱাৰ কাৰণ কি? উক্ত কামটো কেতিয়া আৰম্ভ হ'ব আৰু মাৰকুলা স্বাস্থ্য উপ-কেন্দ্ৰটো কেতিয়া MPHC-লৈ উন্নীত হ'ব?

(ছ) চৰ অঞ্চলৰ জনসাধাৰণৰ চিকিৎসা আৰু স্বাস্থ্যসেৱাৰ বাবে গোৱালপাৰা জিলাত এটা ভ্ৰাম্যমান চিকিৎসালয় স্থাপনৰ ব্যৱস্থা হাতত ল'বনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) গোৱালপাৰা জিলাত এখন চৰকাৰৰ দ্বাৰা পূৰ্বে প্ৰতিষ্ঠিত ANM/FHW

প্ৰশিক্ষণ কেন্দ্ৰ আছে, তদুপৰি আন এখন GNM Training Centre স্থাপনৰ বাবে আঁচনি লোৱা হৈছে।

(খ) ইয়াৰ বাবে NRHMৰ অধীনত ৫.০০ (পাঁচ) কোটি টকা ধাৰ্য্য কৰি বৰ্তমান বিত্তীয় বৰ্ষত ২.০০ (দুই) কোটি টকা আবণ্টন দিয়া হৈছে।

(গ) প্ৰয়োজনীয় বিভাগীয় ব্যৱস্থা সম্পন্ন হ'লে ব্যৱস্থা লোৱা হ'ব।

(ঘ) গোৱালপাৰা চিভিল হাস্পাতালৰ বাবে ৯০ (নবৈ) লাখ টকা দিয়া হৈছে। গড়কাপ্তানী (গৃহ) বিভাগে ইয়াৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'ব।

(ঙ) নাই লোৱা। বিষয়টো নীতি-নিয়মৰ আধাৰত পৰীক্ষা কৰি চোৱা হ'ব।

(চ) প্ৰশাসনীয় অনুমোদন দিয়া হৈছিল। কিন্তু মাটি সংক্ৰান্তত নথি-পত্ৰৰ খেলি-মেলি থকাৰ বাবে কাম আৰম্ভ কৰিব পৰা নহ'ল।

(ছ) হয়, লোৱা হ'ব।

## Subject : Handloom Sector.

**Dr. Alaka Sarma asked :**

169. Will the Minister of Handloom Textile & Sericulture be pleased to state :

(a) Whether the Government has taken any policy for development of Handloom Sector of Assam ?

(b) If so, what are policies ?

(c) If not, by what time it will be adopted ?

(d) What were the budgetary allowances from 2001-2006 for development of Handloom Sector in Assam ?

**Shri Pranab Gogoi (Minister of Handloom Textiles & Sericulture) replied :**

(a) A Handloom Policy for the Intergrated Development of the Handloom Sector in the state is under preparation.

(b) It could be informed only after adoption of the same by the Government.

(c) Does not arise.

(d) Year-wise Budgetary allocations for Development of Handloom Sector are shown below :–

| Year | Plan | Non-Plan |
|---|---|---|
| 2001-2002 | = 979.00 Lakhs | = 1306.87 Lakhs |
| 2002-2003 | = 1043.00 Lakhs | = 1308.04 Lakhs |
| 2003-2004 | = 1047.00 Lakhs | = 1329.80 Lakhs |
| 2004-2005 | = 1331.00 Lakhs | = 1671.77 Lakhs |
| 2005-2006 | = 3292.00 Lakhs | = 1737.80 Lakhs |
| 2006-2007 | = 1014.00 Lakhs | = 2085.30 Lakhs |

**বিষয় ঃ NRHM-ৰ পুঁজি।**

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

১৭০। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁৰ ৩০খন বিছনাযুক্ত চিকিৎসালয়ত NRHMৰ অধীনত কিমান পুঁজি আৱণ্টন দিয়া হৈছে?

(খ) বৰ্তমানলৈকে কিমান টকা মুকলি কৰি দিয়া হৈছে?

(গ) বৰ্তমানলৈকে মুকলি কৰি দিয়া ধনৰাশিৰে কি কি কাম কৰা হৈছে আৰু কোন কোন কামত কিমান টকা ব্যয় কৰা হ'ল? (তাৰ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) দেৰগাওঁৰ ৩০খন বিছনাযুক্ত চিকিৎসালয়খন FRU পৰ্য্যায়লৈ উন্নীতকৰণৰ

বাবে ১৪,০০,০০০ (চৈধ্য লাখ) টকা আৱণ্টন দিয়া হৈছে। সামূহিক স্বাস্থ্যকেন্দ্রটি IPHS (Indian Public Health Standard) পৰ্য্যায়লৈ উন্নীতকৰণৰ বাবে ৩৭,৮৩,০০০/- (সাতত্রিশ লাখ তিৰাশী হাজাৰ) টকা অনুমোদন দিয়া হৈছে। তাৰ উপৰিও চিকিৎসক তথা নাৰ্চৰ আৱাসগৃহ নিৰ্মাণৰ বাবে ২৬,২৭,০০০/- (চাব্বিশ লাখ সাতাইশ হাজাৰ) টকাৰ প্রশাসনিক অনুমোদন দিয়া হৈছে।

(খ) বৰ্তমানলৈকে ১৮,৫৫,৩৮১/- (ওঠৰ লাখ পচপন্ন হাজাৰ তিনিশ একাশী) টকা মুকলি কৰি দিয়া হৈছে।

(গ) উক্ত মুকলি কৰি দিয়া ধনৰাশিৰে গৃহ নিৰ্মাণ আদিৰ বাবদ ১৮,০৮,১৬৮/- (ওঠৰ লাখ আঠ হাজাৰ এশ আঠষষ্ঠি) টকা আৰু বৈদ্যুতিকৰণৰ বাবদ ১,৪৭,২১৭/- (এক লাখ সাতচল্লিশ হাজাৰ দুশ সোতৰ) টকা ব্যয় কৰা হৈছে।

## বিষয় ঃ ভেজাল আৰ নকল ঔষধ।

**শ্রীউদ্ধৱ বৰ্মনে সুধিছে ঃ**

১৭১। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ বহুতো অঞ্চলত বিশেষকৈ গাওঁ অঞ্চলত ভেজাল আৰু নকল ঔষধৰ ৰমৰমীয়া বজাৰ চলি থকা কথাটো সঁচানে?

(খ) যদি সঁচা হয়, তেনেহ'লে ভেজাল ঔষধৰ প্রচলন বন্ধ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে? ভেজাল ঔষধৰ ব্যৱসায়ৰ লগত জড়িত কিমানজনৰ বিৰুদ্ধে কি ধৰণৰ শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে?

(গ) ৰাজ্যখনত ঔষধ পৰীক্ষা কৰাৰ বাবে ড্রাগ টেষ্টিং লেব'ৰেটৰী আছেনে? যদি আছে, ক'ত স্থাপন কৰা হৈছে?

(ঘ) যদি নাই, তেনেহ'লে সেই ধৰণৰ লেব'ৰেটৰী স্থাপনৰ বাবে কি ব্যৱস্থা লোৱা হৈছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) সঁচা নহয়।

(খ) তথাপিও ঔষধ পৰিদৰ্শক সকলক সজাগ হৈ থাকিবলৈ কোৱা আছে।

(গ) ৰাজ্য চৰকাৰৰ অধীনত কোনো ড্ৰাগ টেষ্টিং লেব'ৰেটৰী নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অধীনত গুৱাহাটীৰ ছয়মাইলত আঞ্চলিক ড্ৰাগচ্ পৰীক্ষাগাৰ আছে (R D T L)।

(ঘ) পুঁজি সাপেক্ষে ব্যৱস্থা ল'ব পৰা হ'ব।

অৱশ্যে চৰকাৰী আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয়ত ৯৫.০০ (পচানব্বৈ) লাখ টকা ব্যয় সাপেক্ষে আয়ুৰ্বেদিক ঔষধ পৰীক্ষাগাৰ এটি নিৰ্মাণাধীন হৈ আছে। গৃহ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে।

## বিষয় ঃ বল্লমগুৰি ৰেচম প্ৰকল্প।

**শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ**

১৭২। মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাৰ বল্লমগুৰিত এটা শাখা ৰেচম প্ৰকল্প থকাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই শাখা-প্ৰকল্পটোক মুগা, পলু উৎপাদনৰ সুযোগসহ পূৰ্ণ পৰ্য্যায়ৰ প্ৰকল্পলৈ উন্নীত কৰা হ'বনে?

**শ্ৰী প্ৰণৱ গগৈ (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) হয়, চৰকাৰ অৱগত।

(খ) বল্লমগুৰিত থকা এড়ী সমাহাৰ কেন্দ্ৰটো পৰ্য্যায়ক্ৰমে মুগা, পলু উৎপাদনৰ সুযোগসহ পূৰ্ণ পৰ্য্যায়ৰ এটি সঁচ উৎপাদন কেন্দ্ৰলৈ উন্নত কৰাৰ ব্যৱস্থা লোৱা হ'ব।

## বিষয় ঃ মেলেৰীয়া গৱেষণা কেন্দ্ৰ স্থাপন।

**শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

১৭৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাজবাট উপ-স্বাস্থ্যকেন্দ্ৰত আৰু কমেও ২ (দুই) জন ডাক্তৰৰ প্ৰয়োজনৰ কথা চৰকাৰৰ অৱগতনে? যদি অৱগত, ডাক্তৰ অনতিপলমে উক্ত উপ-স্বাস্থ্যকেন্দ্ৰত নিযুক্তি দিবনে?

(খ) এজন 'ফাৰ্মাচিষ্ট'ও প্ৰয়োজন হৈছে, চৰকাৰে নিযুক্তি কেতিয়া দিব?

(গ) ওৰাং সমূহীয়া স্বাস্থ্যকেন্দ্ৰ (CHC) কেতিয়া মুকলি কৰিব? ডাক্তৰ আৰু কৰ্মচাৰী গোট কেতিয়া নিযুক্তি দিয়া হ'ব?

(ঘ) ওৰাং স্বাস্থ্য কেন্দ্ৰত মেলেৰীয়াৰ গৱেষণা কেন্দ্ৰ এটি স্থাপন কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) উপ-স্বাস্থ্যকেন্দ্ৰত ডাক্তৰ নিযুক্তি দিয়াৰ বৰ্তমানে কোনো ব্যৱস্থা নাই। নাৰ্চ নিযুক্তিৰ ব্যৱস্থাহে আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰয়োজনীয় পদসমূহ সৃষ্টি হ'লেহে মুকলি কৰিব পৰা যাব।

(ঘ) বিষয়টো পুঁজি সাপেক্ষে পৰীক্ষা কৰি চোৱা হ'ব।

## বিষয় ঃ ঔষধ-পাতি যোগান।

**শ্ৰীআব্দুল আজিজে সুধিছে ঃ**

১৭৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) PHC, CHC ও Sub-Centre সমূহলৈ কি নিৰিখত বিভিন্ন ঔষধ-পাতি যোগান ধৰা হয়?

(খ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত থকা PHC, CHC বা Sub-Centre সমূহত চৰকাৰী নিৰিখ মতে ঔষধ-পাতি যোগান ধৰা হৈ আছেনে? এই সমষ্টিৰ বিভিন্ন স্বাস্থ্য কেন্দ্রসমূহত ২০০৬-০৭ ইং বৰ্ষৰ ভাবে যোগান ধৰা বিভিন্ন ঔষধ-পাতিৰ পৰিমাৰ্ণ কি? (বিতংভাৱে জনাব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) PHC, CHC ও Sub-Centre সমূহৰ দৰৱৰ যোগান স্বাস্থ্যকেন্দ্রৰ ভাৰপ্রাপ্ত চিকিৎসা বিষয়াই বিচৰা তালিকাৰ (Indent) ভিত্তিত যোগান ধৰা হয়।

(খ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত থকা PHC, CHC ও Sub-Centre সমূহ স্বাস্থ্যকেন্দ্রৰ ভাৰপ্রাপ্ত বিষয়াই পঠোৱা ঔষধৰ তালিকা অনুসৰি আৰু ভঁড়ালত মজুত থকা অনুসৰি যোগান ধৰা হয়। ঔষধ যোগানৰ ক্ষেত্রত কোনো নিৰ্দিষ্ট নিৰিখ নাই।

উক্ত সমষ্টিত ২০০৬-২০০৭ চনত বিভিন্ন স্বাস্থ্য কেন্দ্রসমূহত যোগান ধৰা ঔষধৰ তালিকাসমূহৰ প্রতিলিপিসমূহ Annexure-I ত সদনৰ মেজত দাখিল কৰা হৈছে।

## বিষয় ঃ পিক্‌নিক্ স্পট।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

১৭৫। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাণীৰ ওচৰৰ হাতীশিলাত পিক্‌নিক্ স্পট ও পৰ্য্যটকৰ বাবে কামৰূপ জিলাৰ (গ্ৰাম্য) উপায়ুক্তই PCCFক নক্সাসহ আঁচনি এটা দিয়া কথাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহ'লে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) যদি কৰা নাই, তেনেহ'লে ২০০৭-০৮ চনত উক্ত আঁচনিৰ বাবে পুঁজি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) কামৰূপ জিলাৰ (গ্ৰাম্য) উপায়ুক্তৰ চিঠিৰ ভিত্তিত পূৱ-কামৰূপ সংমণ্ডলক যাৱতীয় তথ্যসহ প্ৰাক্-কলন প্ৰস্তুত কৰি দাখিল কৰিবৰ বাবে নিৰ্দেশ দিয়া হৈছে।

(গ) উক্ত আঁচনিৰ বিতং প্ৰতিবেদন ও প্ৰাক্-কলন দাখিল কৰাৰ পাচত আঁচনি ৰূপায়ণৰ বাবে প্ৰয়োজনীয় পুঁজি আৱণ্টনৰ বিবেচনা কৰা হ'ব।

**বিষয় ঃ মেলেৰীয়া প্ৰতিৰোধ।**

**শ্ৰীকেশৱ মহন্তই সুধিছে ঃ**

১৭৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা বছৰটোত মেলেৰীয়াই ভয়াবহ ৰূপ ধাৰণ কৰাৰ অভিজ্ঞতা আগত ৰাখি এই বছৰ স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আগতীয়াকৈ ইয়াৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, তেনেহ'লে কি কি ব্যৱস্থা বিভাগৰ কোন কোন পৰ্য্যায়ত গ্ৰহণ কৰিছে? (বিতং আঁচনিখন দাঙি ধৰিব)

(গ) মেলেৰীয়া প্ৰতিৰোধৰ সজাগতা অভিযান এই আঁচনিৰ অন্তৰ্ভুক্ত হৈছে নেকি? যদি হৈছে, তৃণমূল পৰ্য্যায়ৰ মেলেৰীয়া অধ্যুষিত অঞ্চলত সকলোবোৰ ব্যক্তিকে চুই যাব পৰাকৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) মেলেৰীয়া ৰোগ চিনাক্ত কৰিবৰ বাবে স্বাস্থ্য কেন্দ্ৰসমূহত Laboratory Technician পৰ্য্যাপ্ত পৰিমাণে আছেনে? যদি নাই, বিশেষকৈ মেলেৰীয়া অধ্যুষিত অঞ্চলত উক্ত পদত তৎকালীনভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঙ) মেলেৰীয়া ৰোগ প্ৰতিৰোধৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ ঔষধ, চেলাইন আদি বিনামূলীয়াকৈ যোগান ধৰাৰ আঁচনি গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কি কি ঔষধ আৰু অন্যান্য সামগ্ৰী যোগান ধৰিছে? (সেই সমূহৰ নামৰ তালিকা দাখিল কৰিব।)

(চ) স্বাস্থ্য বিভাগৰ এই অভিযানত বিধায়ক সকলৰ কিবা ভূমিকা নিৰ্দিষ্ট কৰিছে নেকি? যদি কৰিছে, বিধায়কসকলে গ্ৰহণ কৰিব লগা ভূমিকাসমূহ কি কি?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) হয়, কৰা হৈছে।

(খ) ৰাজ্যিক পৰ্য্যায়ত, জিলা পৰ্য্যায়ত আৰু খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰ্য্যায়ত সুকীয়া সুকীয়া সমন্বয়ৰক্ষী কমিটী গঠন কৰি তেওঁলোকৰ পৰামৰ্শ ক্ৰমে সময় নিৰ্দ্ধাৰিত কাৰ্য্য-ক্ৰমণিকা অনুযায়ী তলত উল্লেখ কৰা ব্যৱস্থাসমূহ লোৱা হৈছে ঃ-

১) মেলেৰীয়া অধ্যুষিত অঞ্চল সমূহত Rapid Dignostic Kit (R.D.K)ৰ জৰিয়তে তাৎক্ষণিকভাৱে ৰোগ চিনাক্ত কৰি শীঘ্ৰে চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে।

২) অন্য বছৰত এপ্ৰিলৰ পৰা বাসগৃহৰ ভিতৰ সমূহত ডি ডি টি ছটিওৱাৰ কাম কৰা হয়। যোৱা বছৰৰ মেলেৰীয়াৰ প্ৰকোপ বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত এই বছৰ (২০০৭) ১ ফেব্ৰুৱাৰীৰ পৰা ডি ডি টি ছটিওৱা কাম আৰম্ভ হৈছে।

৩) মেলেৰীয়া আক্ৰান্ত অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ বাসিন্দা সকলক বিনামূলীয়াভাৱে আঠুৱা বিতৰণৰ বাবে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে। ইতিমধ্যে ৬,৩২,৫০০ খন আঠুৱা ভাৰত চৰকাৰে দিয়াৰ আৱণ্টন দিছে।

৪) প্ৰত্যেক জিলাৰ অৰ্ন্তভুক্ত লে'বৰেটৰী টেকনিচিয়ান সকলক মেলেৰীয়া ৰোগ চিনাক্তকৰণৰ বাবে উপযুক্ত পুনঃ প্ৰশিক্ষণ দি থকা হৈছে। ইতিমধ্যে ৬২ জনক এনে প্ৰশিক্ষণ দিয়া হৈছে।

৫) মেলেৰীয়া ৰোগ প্ৰতিৰোধৰ কাৰণে ৰাইজৰ মাজত সজাগতা গঢ়ি তুলিবলৈ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য আঁচনিৰ (N.R.H.M)ৰ জৰিয়তে বিভিন্ন প্ৰচাৰ মাধ্যম যেনে— ৰেডিঅ', টিভি, আৰু বাতৰি কাকতৰ দ্বাৰা সজাগতাৰ ব্যৱস্থা কৰা হৈছে।

৬) যোৱা বছৰৰ মেলেৰীয়া অধ্যুষিত অঞ্চলত চিকিৎসাৰ অভাৱ দূৰ কৰিবৰ বাবে N.R.H.Mৰ পক্ষৰ পৰা আৰ্য্যুবেদিক চিকিৎসকৰ নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমানলৈকে ৰাজ্যখনত দুশ আৰ্য্যুবেদিক চিকিৎসকক নিযুক্তি দিয়া হৈছে।

(গ) হয়, হৈছে।

এই বছৰ ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য আঁচনিৰ যোগেদি আৰু জিলা গ্ৰাম্য স্বাস্থ্য আঁচনিৰ জৰিয়তেও গোটেই বছৰটোতে মেলেৰীয়া সজাগতাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

প্ৰত্যেকখন জিলাতে মেলেৰীয়া অধ্যুষিত অঞ্চলত মেলেৰীয়া সজাগতা শিবিৰ তথা ৰইজৰ আঠুৱা ঔষধযুক্ত (Community Bed Net Impregnation) কৰাৰ প্ৰক্ৰিয়া স্থানীয়ভাৱে দেখুৱাই দিয়া হৈছে আৰু চৰকাৰীভাৱে কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(ঘ) হয়, আছে।

যদিও সমগ্ৰ অসমত মেলেৰীয়া আঁচনিৰ অধীনত ২২টা লে'বৰেটৰী টেকনিচিয়ানৰ পদ খালী হৈ আছে। তাৰ ভিতৰত অনা-অধ্যুষিত অঞ্চলৰ পৰা লে'বৰেটৰী টেকনিচিয়ান নি অধ্যুষিত অঞ্চলৰ খালী হৈ থকা পদসমূহ পূৰণ কৰা হৈছে। সেয়েহে বৰ্তমান অধ্যুষিত অঞ্চলত কোনো লে'বৰেটৰী টেকনিচিয়ানৰ পদ খালী নাই।

ইয়াৰোপৰি যক্ষ্মা বিভাগৰ আৰু সাধাৰণ বিভাগৰ লে'বৰেটৰী টেকনিচিয়ান সকলকো মেলেৰীয়া পৰজীৱি (Malarial Parasite) চিনাক্তকৰণৰ বিশেষ প্ৰশিক্ষণ দি মেলেৰীয়া অধ্যুষিত অঞ্চলত কাম কৰিবৰ বাবে ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ৬২ জনক প্ৰশিক্ষণ দিয়া হৈছে।

ইয়াৰ উপৰিও স্বাস্থ্যসেৱা সঞ্চালক, অসমৰ তৰফৰ পৰা ২৯টা পদৰ সাক্ষাৎকাৰ লোৱা হৈছে। উক্ত পদত নিযুক্তি হোৱা সকলক মেলেৰীয়া অধ্যুষিত অঞ্চলত আৱশ্যক অনুসৰি অতিৰিক্তভাৱে কাম কৰাৰ বাবে পঠিয়াব পৰা যাব।

(ঙ) হয়, কৰা হৈছে।

এতিয়ালৈকে ২০০৭ চনত জিলাসমূহলৈ ক্লোৰোকুইন, প্ৰিমাকুইন, কুইনাইন ইনজেক্চন, কুইনাইন টেব্লেট আদি মেলেৰীয়া ঔষধৰ উপৰিও ডি.ডি.টি, আৰ.ডি.কে আৰু আঠুৱা ঔষধযুক্ত কৰাৰ বাবে কেওথ্রিন জিলাসমূহলৈ প্ৰেৰণ কৰা হৈছে। (তালিকা সংলগ্ন কৰা হ'ল।)

(See Annexure - XII)

(চ) এই ক্ষেত্ৰত বিধায়ক সকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। যিহেতু প্ৰত্যেকজন বিধায়ক জিলা স্বাস্থ্য সমিতিৰ সদস্য হোৱাৰ উপৰিও স্থানীয় চি.এইচ.চি, পি.এইচ.চিৰ পৰিচালনা সমিতিৰ সভাপতি, স্বাস্থ্য বিভাগৰ যি কোনো অভিযান বা আঁচনিত ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধিসকলে সকলো আঁচনি ৰূপায়ণত অংশ গ্ৰহণ কৰি ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ উপৰিও চিকিৎসাৰ ক্ষেত্ৰতো তৎপৰতা বৃদ্ধি কৰিব পাৰে।

## বিষয় ঃ বহৰি ৰাজ্যিক চিকিৎসালয়।

**শ্ৰীলিয়াকত আলী খানে সুধিছে ঃ**

১৭৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ চেঙা বিধান সভা সমষ্টিৰ অন্তৰ্গত বহৰি ৰাজ্যিক চিকিৎসালয়খন Mini PHCলৈ ৰূপান্তৰিত কৰাৰ প্ৰস্তাৱটো চৰকাৰৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেনেহ'লে এইবাৰ ২০০৭-০৮ চনৰ ভিতৰত ইয়াৰ যাৱতীয় ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যিক চিকিৎসালয় সমূহ Mini PHC লৈ ৰূপান্তৰিত কৰাৰ কথা নাহে, যিহেতু উভয় চিকিৎসা কেন্দ্ৰ সম-পৰ্য্যায়ৰ।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ হাতীয়ে হত্যা কৰা মানুহ।

**শ্ৰীবলিন চেতিয়াই সুধিছে ঃ**

১৭৮। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫-০৬ চনত আৰু চলিত মাহলৈকে বনৰীয়া হাতীয়ে কিমান জনক হত্যা কৰিলে?

(খ) প্ৰতিখন জিলাত মৃতকৰ সংখ্যা কিমান?

(গ) নীতি অনুসৰি মৃত সকলক চৰকাৰী সাহায্য দিয়া হৈছেনে?

(ঘ) এই শিতানত কিমান ধন পৰিশোধ কৰা হ'ল?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) বনৰীয়া হাতীয়ে ২০০৫-০৬ চনত মুঠ ৮০ জন মানুহ হত্যা কৰিছে। ২০০৬-০৭ চনত চলিত মাহলৈকে মুঠ ৪৭ জন মানুহ হত্যা কৰিছে।

(খ) জিলা ভিত্তিক মৃতকৰ পৰিসংখ্যা গাঁঠি দিয়া হ'ল। (সংলগ্ন 'ক') (See Annexure-XIII)

(গ) হয়, দিয়া হৈছে।

(ঘ) ২০০৫-০৬ চনত এই শিতানত এককালীন সাহায্য হিচাবে মুঠ ২৯.৯১১ লাখ টকা দিয়া হয়।

২০০৬-০৭ চনত মুঠ ২৩.৬৫৩ লাখ টকা এককালীন সাহায্য হিচাবে বিতৰণৰ ব্যৱস্থা কৰা হৈছে।

## Subject : Different Schemes.

**Shri Mission Ranjan Das asked :**

179. Will the Minister of Science & Technology be pleased to State :

What are the different schemes implemented during 2006-07 in the State ? (Give the details of the above scheme including places where implemented).

**Dr. Himanta Biswa Sarma (Minister Science & Technology) replied :**

The following major schemes have been implemented by the Assam Science & Technology and Environment Council (ASTEC) & The Assam Energy Development Agency (AEDA) under Science and Technology Department in the state during 2006-07.

<u>Science and Technology Division</u> :

1. National Science Day : Programme consisting of popular lecture, Science & Technology exhibition, popular science slide show, science debate, science quiz, extempore speech, folk form of S & T communication, seminar & symposia and radio & TV programmes were organised as a part of celebration of National Science Day – 2006 on theme "Nurture Nature for our Future" on and around February 28. While a State level programme was

organized at Morigaon in Morigaon Dist. 65 programmes were organized by various schools, colleges, Universities, technical institutions and NGOs all over the State. The scheme is supported and catelyzed by National Council for Science and Technology Communication (NCSTC), Department of Science & Technology (DST), Govt. of India.

2. National Technology Day : Programmes consisting of popular lecture on innovativeness, exhibition of innovative technologies, slide shows, debate, quiz, extempore speech, seminar & symposia were organized in 54 different places of the State through educational institutions and NGOs on and around May 11, 2006. A central function on National Technology Day-2006 organized along with a National Seminar on 'Value. Addition to Bioresources of NE India-Post Harvest Technology & Cold Chain'at Gauhati University. The scheme is supported and catalyzed by National Council for Science & Technology Communication (NCSTC). Department of Science & Technology (DST), Govt. of India.

3. Research & Development Projects : The following need based minor R & D projects were supported :

* "Assessment of Risk due to intake of Artificial Colours through Foodstuff available in undivided Kamrup District"– completed by Life Science Division of IASST.
* "Vegetation Cover Dynamics Mapping and Afforestation sites within Guwahati City" – ongoing at Assam Remote Sensing Application Centre.
* "Medicinal Plants Germplasm Repository : Establishment of Propagation Centre" – ongoing at Department of Life Sciences, Dibrugarh University.

* "Design of Programmable Electronic Ringer integrated to a Digital Clock" – ongoing at Department of Electronics, LCB College; Guwahati.
* "Long Term Climate Variability over NE India – a study of Rainfall and Temperature Regimes" – completed at ARANYAK, Guwahati.
* "Exploration of water as a Solvent from Catalytic organic Reactions" – ongoing at Department of Chemistry, Gauhati University
* Grainage of Antheraoa assama ww.(Muga Silk) using indoor rearing technique through IASST.
* Study on Impact of Municipal Wastes on Urban Environment in Guwahati through Society for Reseach. Development and Communication (SRDC), Guwahati.

4. Instrument Development & Service Centre : Low cost instruments and experimental kits suitable for science laboratories of educational institutions are developed at IDSC established at Cotton College through this scheme supported by Govt. of Assam. 4 new instruments and 7 new experimental kits have been developed during the year 2006-07 and 9 educational institutions of Assam purchased instruments and experimental kits from IDSC during this period.

5. Leather Goods & Garment Training Centre : A batch of 8 unemployed youths has been trained through a six months training programme in the Leather Goods & Garment Making training Centre of ASTEC at ITI, Guwahati during the year 2006-07. So far 55 youths (male 45 & female10) have been trained. 6 of them have established their own units employing 18 trainees at

Nagaon, Guwahati and Baihata Chariali. Entrepreneurial activities of the past trainees are in progress through the Centre. It is an ongoing project of ASTEC in association with Central Leather Research Institute, Chennai and ITI, Guwahati.

6. Patent Information Centre: The following activities of Patent Information Centre in the form of providing service in patent search and guidance to innovators of the State have been continued during the year 2006-07.

* 11 Patent Awareness Programmes organised.
* 5 Innovators of the State have been guided in filing patent applications at Patent office at Kolkata.
* 12 innovations have been searched for novelty and search report submitted to innovators.
* Application to register Muga Silk as a Geographical Indication of the State of Assam has been filed with Registrar of Geographical Indications, Chennai and subsequently defended before a Board recently.
* An Information Brochure on Geographical Indications has been published for circulation.
* Invention of Shri M. M. Goswami on "Power Driven Brush for cleaning bends, Commode, chute of Train Coach Lavatory" has been filed for patent. The Patent information Centre of ASTEC is a project under the Patent Facilitating Centre of Technology Information Forecasting & Assessment Council, DST, Govt. of India.

7. World Year of Physics : A Master Resource Persons Training Programme on World Year of Physics organized for all the eight NE States in association with NCSTC and Vigyan Prasar, DST,

GOI. Various activities like Physics Learning Camps of World Year of Physics have been organized in all the 27 districts of the State through Master Resource Persons.

8. S & T Programmes in Hill Areas: The following S & T Programmes were organized in the two hill districts under this scheme of Govt. of Assam.

   * Training programmes on Computer Application are going on 4 schools of Karbi Anglong District where Computer Training Centres have been established last year.

   * A workshop cum training programme on water & soil testing using a low cost kit developed by ASTEC has been organized for 41 school teachers of Karbi Anglong and NC Hills Districts. One kit has been provided to each of the trainees free of cost for the benefit of the people in around the respective schools.

   * A science popularization programme on 'Science in Day to Day Life' organized at Bakaliaghat in Karbi Anglong District.

   * An Enterpreneurship Development Programme for setting up of a model village on Stevia Cultivation is being organized and continuing at Mulokbong in Hamren Sub-Division in Karbi Anglong District.

   * A workshop on scientific method, adoption and its impact in day-to-day life organized at Hawraghat.

9. A Talk Back Terminal for Edusat Programme on Science Communication and Disaster Preparedness has been established at Handique Girls' College, Guwahati. The terminal has been established in association with Vigyan Prasar, DST, Govt. of India.

10. Establishment of Internet Facility : Facilities of Internet for school students of rural areas established at Centre of Plasma Physics, Sonapur.

Environment Division :

1. National Green Corps : ASTEC has been implementing the project National Green Corps (NGC) of MOEF, GOI, since 2002-03. 2213 Eco clubs were established in 2213 schools in 23 districts in the year 2002-03. During the year 2006-07, 237 more Eco Clubs have been established bringing the total no. of Eco Clubs established to 2450. The process of establishing 4300 more Eco Clubs has been started as per recent guidelines from MOEF, GOI to establish a total of 6750 Eco Clubs @ 250 Eco Clubs per district.
2. State of Environment Report (SOE) : The First State of Environment Report, Assam has been completed and published under a scheme supported by MOEF, GOI.
3. Environmental Information System (ENVIS) : An ENVIS Node on State Environment Related Issues was established in ASTEC under a project supported by MOEF, GOI in the year 2003. Since then the ENVIS Node of ASTEC has been generating database on environmentally related issues of Assam. The generation of the database using information technology is aimed at providing such information to various development agencies and departments in incorporating environmental management in their respective developmental plans and also to researchers, teachers, students and individuals. The dissemination of such database is made through a dedicated website **www.envisassam.org** and general information through a quarterly newsletter. Based on the successful functioning of the ENVIS Node, the MOEF has upgraded

this Node to a State ENVIS Centre in the beginning of the year 2005-06. The continuous process of generation of database on environment related issues of Assam is in progress.

4. Management Action Plan for Deepor Beel : Since December 2003, ASTEC has been implementing a Management Action Plan for conservation of Deepor Beel under a project sponsored by MOEF, GOI. The following works have been done during the period 2006-07 :

   * Desiltation by dredging – about 3.10 ha completed against a target of 2.30 ha. The total area desilted so far is about 5.40 ha against a target of 3.80 ha. An additional area of about 2.4 ha completed in Jan. '07 for holding the Rowing event of 33rd National Games.
   * Earthen bunding – about 8500 cum completed out of a target of 10000 cum.
   * Gully control measures – Completed in 7 locations out of a target of 12 locations.
   * Survey of area for plantation – in 25 ha, target completed.
   * Tree plantation – Completed in about 5 ha out of a target of 10 ha.
   * Water sample testing – 120 samples tested @ 10 samples per month from 10 locations.
   * Wetland Interpretation Centre – construction in final stage.
   * Creation of alternative fishing ground in progress.
   * Education & Awareness Programmes – Training on Community Participation on conservation Measures, Nature Appreciation Camps for Children, Training on Uses of Aquatic Researces.

* Construction of about 1.10 km of wire fencing completed.

5. Development of an Experimental Kit on Microorganisms : An Experimental Kit on Microorganisms for school children has been developed under a scheme supported by Department of Science and Technology (DST), Govt. of India.

Assam Remote Sensing Application Centre :

1. Remote Sensing Projects Implemented in the year 2006-07.

 * Crop Acreage and Production estimation – a continuous project of Space Application Centre (SAC), Ahmedabad.

 * Estimation of Methane Emission from Rice Fields of Assam – a project of SAC, Ahmedabad.

 * Cropping System study of Assam with emphasis to Horticultural Development in Hills supported by North Eastern Council, Shillong.

 * Preparation of digital riverine circle map of Assam has been completed under a project supported by UNICEF.

 * Preparation of groundwater groundwater fluctuation map in three Tea Gardens (Sokomatho in Sonitpur, Amluckie in Nagaon, Joonktollee in Sibsagar) of Assam has been completed under a project supported by National Tea Research Foundation, Kolkata and AAU, Jorhat.

 * Updation of information of Wasteland of 13 districts (Dhubri, Goalpara, Kokrajhar, Barpeta, Bongaigaon, Nalbari, Kamrup, Darrang, Morigaon, NC Hills, Cachar, Hailakandi, Karimganj) of Assam has been completed under a project supported by NRSA, Hyderabad.

* Generation of digital database in GIS environment (13 layers of information) of 4 districts (Kamrup, Golaghat, Dibrugarh, Tinsukia) of the State for flood information system has been completed under a project supported by Department of Space, GOI through NESAC.

* Generation of database on 20 major wetlands of Assam with special emphasis for fisheries development has been continued under a project supported by NEC.

* Preparation of latest forest cover map of Guwahati City and analysis of the trend of forest degradation within the city over a period of 30 years and integration of forest map with other maps to identify areas suitable for afforestation has been started as an inhouse project of ASTEC.

* Preparation of land use/land cover maps of Deepor Beel catchment area at an interval of 5 years since 1985 till 2005 and generation of village map, forest management and administrative boundary map of the catchment started and completed during the period under a project supported by NESAC.

* Mapping of Cropland, Fallowland & Plantation for all the districts of Assam has been started.

2. Training Programme on Remote Sensing & GIS : A training programme on Remote Sensing and GIS for personnel from user agencies organized.

The following schemes also have been implemented or being implemented during 2006-07 in the State by Assam Energy Development Agency (AEDA) :

1. Remote Village Electrification Programme: Through this scheme of Ministry of New & Renewable Energy (MNRE), Govt. of India, 920 remote un-electrified villages of Assam will be electrified by renewable energy sources, mostly by solar photo-voltaic, by 2009. Survey in 363 villages completed and Detailed Project Reports prepared and submitted to MNRE for sanction. Places of implementation – in all districts.
2. Solar Energy Demonstration Programme : 1800 households in different un electrified areas of the State have been provided with Solar Home Lighting Systems under this scheme supported by MNRE, GOI. Places of implementation : 60 in Karbi Anglong District, 210 in Char Areas near Boko, 120 in Char areas in Nalbari district, 300 in Titabor Block of Jorhat District, 125 on Gohpur area, 100 in Baska district and rest scattered all over the State.
3. State Level Renewable Energy Park : A State Level Renewable Energy Park has been established at Srimanta Sankardev Kalakshetra, Guwahati with financial support from MNRE, Govt. of India.
4. Demonstration of Solar Energy in 33rd National Games Venues : Solar Street Light Systems, Solar Garden Lights, Solar Home Lighting Systems and Solar Road Studs have been installed in different venues of 33rd National Games at Guwahati for demonstration purpose, Solar Caps were given to some officials, judges and volunteers. Places of implementation: In and around Main Stadium at Sarusajai, Swiming Pool, Games Village and Rowing Venue at Deepor Beel.
5. Demonstration and Awareness Programmes through Exhibition

of Renewable Energy Equipments ; 3 Exhibitions at (i) CII Expo, Noonmati, (ii) 21st Indian Engineering Congress, Sonaram Field, and (iii) Echo Park, Bongaigaon.

6. District Level Energy Park : Detailed Project Reports for 4 District Level Energy Parks prepared and sanction received recently from MNRE, GOI. Places of Implementation – 2 in Barpeta District, 1 in Bongaigaon District and 1 in Kamrup Metro.

7. Rajiv Gandhi Akshay Urja Divas : Rajiv Gandhi Akshay Urja Divas was celebrated in all the Districts of Assam on August 20, 2006 through organization of awareness programmes like exhibition, rallies, Children's competition, popular talks etc.

8. Aditya Solar Shops/Akshay Urja Shops : Through this scheme popularization of renewable energy equipments and energy saving systems in continued through 4 Aditya Solar Shops. Places of implementation : Guwahati, Sibsagar, Nagaon and Diphu.

**বিষয় ঃ মুখ্যমন্ত্ৰীৰ সেউজ ধাৰা আঁচনি।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

১৮০। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় মুখ্যমন্ত্ৰীৰ সেউজ ধাৰা আঁচনিৰ জৰিয়তে বৰ্তমানলৈ কিমান সংখ্যক গছপুলি বিতৰণ কৰা হ'ল? (জিলা ভিত্তিত পৰিসংখ্যা দাখিল কৰিব)

(খ) এই আঁচনিৰ জৰিয়তে কি কি জাতৰ গছপুলি বিতৰণ কৰা হ'ল?

(গ) এই আঁচনিৰ বাবে চৰকাৰে মুঠ কিমান টকাৰ অনুমোদন জনাইছিল আৰু এতিয়ালৈকে ইয়াৰ বাবে কিমান টকা ব্যয় হ'ল?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) মাননীয় মুখ্যমন্ত্ৰীৰ 'সেউজী ধৰা' আঁচনিৰ জৰিয়তে বৰ্তমানলৈ মুঠ

৪,৩২,৭৭৫টা গছপুলি বিতৰণ কৰা হৈছে। গছপুলি বিতৰণৰ ব্যৱস্থাটো বৰ্তমানেও অব্যাহত আছে। জিলাভিত্তিত পৰিসংখ্যা উল্লেখ কৰা হ'ল।

| জিলা | | বিতৰণ কৰা গছপুলিৰ সংখ্যা |
|---|---|---|
| ১) গোৱালপাৰা | — | ২৯,৫০০ |
| ২) দৰং | — | ৫,০০০ |
| ৩) গোলাঘাট | — | ২২,৩৩৩ |
| ৪) নগাওঁ | — | ৪১,৮৯০ |
| ৫) কাছাৰ | — | ২৭,০০০ |
| ৬) কাৰ্বি আংলং | — | ৮,৫০৬ |
| ৭) লখিমপুৰ | — | ৮,৪৫০ |
| ৮) শোণিতপুৰ | — | ৪৩,৫৪৮ |
| ৯) ধেমাজি | — | ৮,৫০০ |
| ১০) শিৱসাগৰ | — | ২২,২৩৩ |
| ১১) যোৰহাট | — | ৩৬,২৩২ |
| ১২) ডিব্ৰুগড় | — | ৪৫,৫০০ |
| ১৩) তিনিচুকীয়া | — | ৩৬,২৬৯ |
| ১৪) কৰিমগঞ্জ | — | ১০,০০০ |
| ১৫) কামৰূপ | — | ৫১,২২৪ |
| ১৬) নলবাৰী | — | ৪,৫০৭ |
| ১৭) বৰপেটা | — | ১,০২৭ |
| ১৮) মৰিগাওঁ | — | ১৮,০৬৯ |
| ১৯) বাস্কা | — | ৪,৫০০ |
| ২০) ধুবুৰী | — | ৭,৩১৭ |
| ২১) হাইলাকান্দি | — | ১,১৭০ |

(খ) মাননীয় মুখ্যমন্ত্ৰীৰ 'সেউজ ধৰা' আঁচনিৰ জৰিয়তে এতিয়ালৈকে ১৪ বিধ বিভিন্ন প্ৰজাতিৰ বৃক্ষ আৰু ফল-মূলৰ পুলি বিতৰণ কৰা হৈছে। নিম, বকুল, মধুৰীআম, জামু, আমলখি, আম, কঁঠাল, লিচু, শিলিখা, চন্দন আদিৰ ওপৰত প্ৰাধান্য দিয়া হৈছে।

(গ) উক্ত আঁচনিৰ বাবে চৰকাৰৰ তৰফৰ পৰা কোনো পুঁজি আৱণ্টন দিয়া হোৱা নাই। অসমৰ বিভিন্ন জিলাৰ বন সংমণ্ডল, আঞ্চলিক কাৰ্য্যালয়, খণ্ড আৰু উপ-খণ্ড কাৰ্য্যালয়ৰ অধীনত থকা গছপুলি উৎপাদন কেন্দ্ৰসমূহৰ পৰা গছৰ পুলি এই আঁচনি ৰূপায়ণৰ বাবে লোৱা হৈছে।

## বিষয় ঃ নতুন মেডিকেল কলেজ।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ**

১৮১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে ঘোষণা কৰা নতুন মেডিকেল কলেজ কেইখন বৰ্তমান কোন পৰ্য্যায়ত আছে বিৱৰণ দিব?

(খ) বৰ্তমান চলি থকা মেডিকেল কলেজ কেইখনত বিশেষকৈ শিলচৰ, ডিব্ৰুগড়ত শিক্ষকৰ খালী পদ কিমান আছে?

(গ) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নলবাৰীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সভাত মেডিকেল বিশ্ববিদ্যালয়ৰ কথা ঘোষণা কৰাটো সঁচানে? যদি সঁচা, এই বিশ্ববিদ্যালয় কেতিয়া আৰু ক'ত আৰম্ভ হ'ব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) তিনিওখন নতুন মেডিকেল কলেজৰ নিৰ্মাণৰ কাম-কাজ আৰম্ভ কৰা হৈছে। তিনিওখন নতুন মেডিকেল কলেজৰ বাবে স্থায়ী অধ্যক্ষ নিযুক্তিৰ কাম সম্পূৰ্ণ কৰি বিধিগতভাৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰ-পত্ৰ জমা দিয়া হৈছে। আৱশ্যকীয় মাটি অধিগ্ৰহণ কৰি তিনিখন মেডিকেল কলেজৰ বাবদ

তিনিখন Architecture Firmৰ দ্বাৰা Master Plan প্ৰস্তুত কৰাই থকা হৈছে। ইতিমধ্যে ২০০৫-০৬ বৰ্ষৰ বাবে প্ৰতিখন মেডিকেল কলেজৰ নামত ৫ কোটিকৈ মুঠ ১৫ কোটি টকা আৱণ্টন দিয়া হৈছে আৰু ২০০৬-২০০৭ বৰ্ষৰ বাবে আন ১৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

তিনিওখন নতুন মেডিকেল কলেজৰ বাবে MCI ৰ Regulation অনুসৰি বিভিন্ন পদ সৃষ্টিৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

প্ৰথম পৰ্য্যায়ৰ নিৰ্মাণৰ কাম অহা ২০০৮ ইং বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব।

(খ) শিলচৰ আৰু ডিব্ৰুগড মেডিকেল কলেজত বৰ্তমানে খালি থকা পদৰ সংখ্যা তলত দিয়া হ'ল—

১) শিলচৰ মেডিকেল কলেজ — ৬৩টা পদ

২) ডিব্ৰুগড় অসম মেডিকেল কলেজ — ৮৬টা পদ

(গ) সঁচা। স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগে ইতিমধ্যে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়, অসম, গুৱাহাটী, বিল-২০০৭ (Srimanta Sankardeva University of Health Sciences – Bill-2007) প্ৰস্তুত কৰি বিধান সভাৰ অনুমোদনৰ বাবে চলিত বাজেট অধিবেশনতে দাখিল কৰা হ'ব।

উক্ত বিশ্ববিদ্যালয়খন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, নৰকাসুৰ পাহাৰ, গুৱাহাটীত বিত্তীয় বৰ্ষ ২০০৭-০৮ৰ ভিতৰত স্থাপন কৰিবলৈ লোৱা হৈছে।

## Subject : Centrally Release Fund.

**Dr. Rumi Nath asked :**

182. Will the Minister of Health & Family Welfare be pleased to state :

(a) Is it true that the centrally released fund for different District

Health Societies were not utilised upto last financial year before merger in DRHM ?

(b) What is the total amount of such unutilised fund for the State? Kindly furnish a statement of released amount, unutilised amount in details against each society in Cachar District ?

(c) Is it true that the Central Government released lakhs rupees for organising Health Mela in different district in 2004-05 and 2005-06 and some Districts have not utilised the fund ? (Furnish a list of the Districts for which fund was released in last 2 financial year along with the different District).

(d) If Cachar District has not utilised the fund since when and when it will organise the Health Mela with reference to Barkhola Constituency ?

(e) Whether the different activities undertaken by DRHM are transparent to the public of the District ? Whether Cachar District has taken step for training to the PRI member to involve them in health matter ?

**Dr. Himanta Biswa Sarma (Health & Family Welfare Minister) replied :**

(a) Yes.

(b) Rs. 9169.23 lakh unutilised till 2005-06 for the State.

Fund released and utilised against Cachar District Society during 2004-05 and 2005-06 is as follows :–

| Financial Year | Fund Released | Fund Utilised | Balance |
|---|---|---|---|
| 2004-2005 | Rs. 40,00,000.00 | Rs.25,92,260.00 | Rs. 14,07,740.00 |
| 2005-2006 | Rs.3,45,32,360.00 | Rs.56,09,622.00 | Rs.2,89,22,738.00 |
| Total = | Rs.38,532,360.00 | Rs.82,01,882.00 | Rs.3,03,30,478.00 |

(c) Govt. of India released Rs.112.00 lakh for Organising Health Mela in 14 Parliamentary Constituencies with an amount of Rs.8.00 lakh for each Constituency. Funds were released to the Returning Officers of each Parliamentary Constituency during 2005-2006.

Health Mela held in different Parliamentary Constituency date wise as per report submitted by all District is annexed at Annexure-'A'. (See Annexure - XIV)

(d) Cachar district organised Health Mela at Chandranathpur of Borkhola Constituency on 23rd Februaruy, 2007 and the proposed date for holding such Mela at Mangalpur under Sonai LAC as scheduled on 24.2.2007 has been postponed.

(e) The activities undertaken under NRHM in the district are transparent as all the activities are discussed in the meeting of District Health Society, District Health Mission, Hospital Management Society, Hospital Management Committee, Rogi Kalyan Samity (RKS) and in the Sub-Centre level Management Committee for implementation of the activities.

The District Health Society Cachar has already Organised District level as well as Block (Community Development Block)level sensitization programme to involve the PRI members in the activities of the NRHM.

## Subject : Agar-wood Plan in Assam.

**Shri Sirajuddin Ajmal asked :**

183. Will the Minister of Environment & Forest be pleased to state :

(a) Whether as per the Assam Forest Policy, 2004. Article (46),

(4.6), (4.6.1) and (4.6.2) on Agar-wood ? Whether Agar-wood been declared as cash crop like sugarcane, tea and rubber ?

(b) If not, why ? What is the total number of Agar-wood trees in Non-Forest land in Assam as per the letter No.FG.14/ Workshop/2003 dated the 17th of September, 2004 form PCCF, Assam to the MOEF ? Why as promised in the policy Article 4.6.2., the report of the Agar-wood survey was not communicated to the Botanical Survey of India, CITES and TRAFFIC International, forums that has described Agar wood as endangered species?

(c) Is the Government serious about implementing the Agar-wood policy for Assam ? If so, what steps have been taken in that direction to fulfill the desired objective of ensuring that optimum returns are forthcoming to the people of Assam ?

(d) Will the Government put forward the plan for an International Agar-wood Market in Assam ? As the Agar-wood demand in the Middle East is high, whether Government will integrate tourism industry with the promotion of the proposed International Market on Agar-wood ?

**Shri Rockybul Hussain (Minister, Environment & Forests) replied :**

(a) Agar-wood has not been declared a cash crop like Sugarcane, Tea & Rubber in Assam.

(b) Agar-wood is defined as wood and attracts the provisions of Assam Forest Regulation 1891, Assam Wood Based Industries Rules, 2000. Felling and transportation of Agar trees from non-forest areas is regulated by Assam (Control of Felling & Removal of Trees from Non-Forest lands) Rules, 2002.

As such it could not be notified as a cash crop in Assam.

The total numbers of Agar-Wood trees on non-forest land in Assam as per the Principal Chief Conservator of Forests, Assam's letter No.FG.14/Workshop/2003 dated 17-09-2004 was 38.22 lakhs. No survey has been carried out to assess the present status of the same.

It is not possible to takeout Agar-wood from the list of endangered spacies becuase it is not possible to differentiate between Agar trees felled from forest area and private lands.

(c) The Govt. is serious about implementing it's forest policy 2004 including the Agar-wood plantation and industry. But in the process the various directions of the Hon'ble Supreme Court of India and High Power Committee, Special Investigation Team and Central Empowered Committee and various rules, regulation and guidelines framed for the purpose have to be followed. The Govt. is carefully taking a holistic view in the matter to ensure that the benefit of the Agar-wood plantation and trade reach to the poor people actually involved in it so that the situation is not exploited by any one.

(d) The Govt. of Assam is serious about creating an International Agar-wood Market in Assam so that the poor people actually involved in this trade get the maximum benefit out of it at their doorstep and the situation is not exploited by any one.

**বিষয় ঃ পৰ্য্যটন থলী।**

**মোঃ মহিবুল হকে সুধিছে ঃ**

১৮৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ ঐতিহাসিক ভাস্কৰ্য্য সমূহক পৰ্য্যটন থলী কৰাৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে?

(খ) গৌৰীপুৰ ৰাজ পৰিয়ালৰ 'মাটিয়াৰগ'ত এখন সংগ্ৰহালয় (Musium) স্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে?

(গ) যদি লৈছে, বৰ্তমান কি পৰ্য্যায়ত আছে?

(ঘ) যদি লোৱা নাই, তেন্তে লোৱাৰ ব্যৱস্থা কৰিবনে?

(ঙ) চলিত বছৰত ধুবুৰী জিলাৰ বাবে পৰ্য্যটন বিভাগে সৰ্বমুঠ কিমান টকা আৱণ্টন দিছে?

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ধুবুৰী জিলাৰ আচাৰিকান্দিৰ 'পোৰা মাটিৰ ভাস্কৰ্য্য'ৰ ওপৰত গুৰুত্ব আৰোপ কৰি পৰ্য্যটকৰ আকৰ্ষণস্থলী হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা লোৱা হৈছে। এই বিষয়ত চৰকাৰৰ পৰা মুঠ ৩৯.১৭ লাখ টকা ধুবুৰী জিলাৰ উপায়ুক্তক মোকলাই দিয়া হৈছে। এই আঁচনি ২০০৫-০৬ চনৰ অন্তৰ্গত।

(খ) এই পৰ্য্যন্ত লোৱা হোৱা নাই।

(গ) 'খ'ৰ উত্তৰ প্ৰযোজ্য।

(ঘ) বিবেচনা কৰি থকা হৈছে।

(ঙ) ২০০৫-০৬ বছৰত ভাৰত চৰকাৰে পৰ্য্যটন মন্ত্ৰণালয়ৰ অনুমোদন সাপেক্ষে ধুবুৰী চহৰত মুঠ ৮৫.০০ লক্ষ টকাৰে এটি পৰ্য্যটক নিবাস আৰু বিলাসীপাৰা চহৰত মুঠ ৪৪.০০ লক্ষ টকাৰে "বাটৰ কাষৰ আপ্যায়ন কেন্দ্ৰ" (Way-side Amenity Centre) নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

**বিষয় ঃ মেলেৰীয়া নিবাৰণ আৰু জননী সুৰক্ষা আঁচনি।**

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

১৮৫। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চতিয়া সমষ্টিৰ ক্ৰমবৰ্দ্ধিত ৰোগীৰ প্ৰতি দৃষ্টি ৰাখি চাৰিদুৱাৰ ৩০ খন বিছনাযুক্ত

গ্ৰাম্য চিকিৎসালয় আৰু উত্তৰ জামুগুৰি ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় আৰু উত্তৰ জামুগুৰি ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ক ১০০ খন বিছনাযুক্ত পূৰ্ণাঙ্গ চিকিৎসালয়লৈ উন্নিত কৰা আৰু জামুগুৰি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু চতিয়া প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰক ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়লৈ উন্নিত কৰাৰ লগতে পানপুৰ উপ-স্বাস্থ্যকেন্দ্ৰক নতুন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(খ) ২০০৬ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহতো মেলেৰীয়া ৰোগে ভয়াবহ ৰূপ ধাৰণ কৰি বহু কেইজনৰ মৃত্যু ঘটোৱাৰ পিছত স্বাস্থ্য বিভাগৰ ফালৰ পৰা এই ৰোগ নিৰাময় বা মেলেৰীয়া মহৰ নিবাৰণৰ দীৰ্ঘ স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে?

(গ) শোণিতপুৰ জিলাৰ বিভিন্ন চিকিৎসালয়ত বৰ্তমান থাকিবলগীয়া চিকিৎসকৰ সংখ্যা কিমান আৰু বৰ্তমান আছে কিমান? যদি পদ খালী আছে সেই চিকিৎসালয় সমূহত শীঘ্ৰে চিকিৎসক নিযুক্তিৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে?

(ঘ) অসম চৰকাৰৰ জননী সুৰক্ষা আঁচনিয়ে বৰ্তমান সময়লৈকে কিমান গৰাকী হিতাধিকাৰীলৈ এই সুবিধা আগবঢ়াইছে? এই ক্ষেত্ৰত এগৰাকী জননীৰ কিমানটা সন্তান পৰ্য্যন্ত এই আঁচনিৰে উপকৃত কৰিব? এই ক্ষেত্ৰত চৰকাৰৰ কিবা স্থিৰ নীতি আছেনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) এই ক্ষেত্ৰত চৰকাৰৰ নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই।

(খ) National Veetor Borne Diseases Control Programmeৰ আধাৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(গ) শোণিতপুৰ জিলাৰ বিভিন্ন চিকিৎসালয়ত থাকিবলগীয়া চিকিৎসকৰ সংখ্যা ১৭৪ জন। বৰ্তমান খালী পদৰ সংখ্যা ১২ জন। খালী পদ পূৰণৰ বাবে ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে ৬ গৰাকী চিকিৎসকক নিযুক্তি দিয়া হৈছে।

তদুপৰি NRHMৰ অধীনতো ১৮ গৰাকী আয়ুৰ্বেদিক চিকিৎসকক নিযুক্তি দিয়া হৈছে।

(ঘ) জননী সুৰক্ষা আঁচনিত ২০০৭ চনত ২০/১/০৭লৈ ৰাজ্যখনত ১,১৯,৯৩২ গৰাকী হিতাধিকাৰীলৈ এই সুবিধা আগবঢ়াইছে। এই আঁচনিত চৰকাৰী চিকিৎসালয়ত প্ৰসৱ হোৱা জেনেৰেল ৱাৰ্ডৰ প্ৰতিগৰাকী মাতৃয়েই JSYৰ দ্বাৰা উপকৃত হয়। চিকিৎসালয়ত প্ৰসৱ হ'লে সন্তানৰ সংখ্যাৰ কোনো সীমাবদ্ধতা নাই।

## বিষয় ঃ চিকিৎসালয় সন্দৰ্ভত চৰকাৰৰ স্থিতি।

**শ্ৰীঅভিজিত হাজৰিকাই সুধিছে ঃ**

১৮৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰঙাপাৰা সমষ্টিৰ অন্তৰ্গত ফুলগুৰিত এখন CHC প্ৰতিষ্ঠা কৰাৰ নামত চৰকাৰে মোকলুৱা বহু টকা ন্যস্ত-স্বাৰ্থজড়িত ব্যক্তিয়ে আত্মসাৎ কৰাৰ ফলত প্ৰতিষ্ঠানটো চালুকীয়া অৱস্থাতেই পয়ালগাৰ বিষয়ে জানেনে? যদি জানে, সেই সন্দৰ্ভত চৰকাৰে কিবা তদন্ত কৰিবনে?

(খ) বৰ্তমান উক্ত CHC খন বনোৱাৰ সন্দৰ্ভত চৰকাৰৰ স্থিতি কি?

(গ) ৰঙাপাৰাত চলি থকা PHC খনকো চৰকাৰীভাৱে সম্পূৰ্ণভাৱে স্বীকৃতি নিদিয়াৰ কথাটো সত্যনে আৰু যদিহে উক্ত PHC খন প্ৰকৃততে স্বীকৃতিপ্ৰাপ্ত তেন্তে বৰ্তমানলৈ আনবোৰ PHCৰ দৰে যথোপযুক্ত সুবিধাবোৰ ৰঙাপাৰা PHC খনে পাইছেনে?

(ঘ) ৰঙাপাৰা সমষ্টিত চিকিৎসাৰ ক্ষেত্ৰত উন্নয়নৰ বাবে চৰকাৰে কি কি ব্যৱস্থা হাতত লৈছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ফুলগুৰি CHC খনৰ নিৰ্মাণৰ কাম পুঁজিৰ নাটনিৰ বাবে ব্যাহত হৈছে।

CHC নির্মাণৰ বাবে ধাৰ্য্য কৰা পুঁজিৰ টকা আত্মসাৎ কৰাৰ তথ্য চৰকাৰৰ হাতত নাই। নিৰ্দিষ্ট অভিযোগ পালে ব্যৱস্থা ল'ব পৰা যাব।

(খ) ফুলগুৰি CHCৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে প্ৰাক্‌কলন দাখিলৰ কাম P.W.D.(B) বিভাগক অৰ্পণ কৰা হৈছে।

(গ) চৰকাৰৰ তৰফৰ পৰা PHC/CHC আদি কোনো চিকিৎসালয়কে স্বীকৃতি দিয়া প্ৰথা স্বাস্থ্য বিভাগত নাই। PHC/CHC সমূহৰ উন্নীত কৰাৰ কাম পৰ্য্যায়ক্ৰমে চলি আছে।

(ঘ) ৰঙাপাৰা PHC খনৰ উন্নীতকৰণৰ বাবে সৰ্বমুঠ ৬,১৭,০০১/- টকা অনুমোদন দিয়া হৈছে।

## বিষয় ঃ কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

**শ্ৰীআব্দুল খালেকে সুধিছে ঃ**

১৮৭। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৪ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখে বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে বৰপেটা জিলাৰ কলগাছিয়াত ৩০ খন বিছনাযুক্ত হাস্পাতালৰ বহিঃবিভাগ মুকলি কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো ৩০ খন বিছনাযুক্ত হাস্পাতাললৈ ৰূপান্তৰিত কৰা আনুষ্ঠানিক সিদ্ধান্ত চৰকাৰে লৈছেনে?

(গ) যদি নাই লোৱা, কেতিয়ালৈ এই সিদ্ধান্ত গ্ৰহণ কৰিব?

(ঘ) বৰ্তমানে কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কিমান বিষয়া-কৰ্মচাৰী আছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঙ) প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটিত বৰ্তমানে কিমানটা খালী পদ আছে? (পদসমূহৰ নাম আৰু সংখ্যা উল্লেখ কৰিব।)

(চ) কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো কেতিয়ালৈ সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) অৱগত।

(খ) লোৱা হৈছে। ইতিমধ্যে বহিঃবিভাগ আৰম্ভ কৰা কলগাছিয়া CHC খনৰ উন্নীতকৰণৰ বাবে ৩৬.৩৫ লাখ টকাৰ প্ৰশাসনিক অনুমোদন দিয়া হৈছে।

(গ) ইতিমধ্যে লোৱা হৈছে।

(ঘ) বৰ্তমান কলগাছিয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মঞ্জুৰীকৃত পদৰ সংখ্যা এনে ধৰণৰ ঃ—

১) চিকিৎসক — ৪

২) ফাৰ্মাচিষ্ট — ১

৩) এ এন্ এম — ৪

৪) এল এইচ ভি — ১

৫) চতুৰ্থ শ্ৰেণীৰ — ৪

৬) চুইপাৰ — ১

৭) ড্ৰাইভাৰ — ১

৮) চেনিটাৰী ইন্সপেক্টৰ — ১

৯) স্বাস্থ্য সহায়ক — ১

১০) ভেক্সিনেটৰ — ২

(ঙ) বৰ্তমান পাঁচটা পদ খালী আছে। তলত উল্লেখ কৰা হ'ল —

১) মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া — ১

২) চেনিটাৰী ইন্সপেক্টৰ — ১

৩) স্বাস্থ্য সহায়ক — ২

৪) ভেক্সিনেটৰ — ২

(চ) 'খ' প্ৰশ্নোত্তৰত কোৱা হৈছে।

## বিষয় ঃ আৰ্টফেডৰ কাৰ্য্যৰ বিৱৰণ।

**শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ**

১৮৮। মাননীয় হস্ততাঁত ও বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আৰ্টফেডে কি সামগ্ৰী উৎপাদন কৰে আৰু ২০০১ চনৰ পৰা ২০০৬ চনলৈ সৰ্বমুঠ কিমান সামগ্ৰী উৎপাদন কৰিছে? (সামগ্ৰীবোৰৰ নাম উল্লেখ কৰিব)

(খ) আৰ্টফেডে উৎপাদন কৰা সামগ্ৰী ৰাজ্যখনৰ বাহিৰলৈ বিক্ৰীৰ বাবে যায়নে? যদি যায়, কোন কোন ৰাজ্যলৈ যায়?

(গ) আৰ্টফেডে ২০০১ চনৰ পৰা ২০০৬ চনলৈ কিমানখন তাঁতশাল কিনিছে আৰু তাৰ বাবদ কিমান টকা খৰচ হ'ল? প্ৰতিখনৰ মূল্য কিমান?

(ঘ) আৰ্টফেডৰ মুঠ কৰ্মচাৰীৰ (নিয়মীয়া) সংখ্যা কিমান আৰু আৰ্টফেডৰ অধীনত কিমান সংখ্যক বোৱনীয়ে বোৱা-কটা কাম কৰি জীৱন নিৰ্বাহ কৰি আছে?

(ঙ) আৰ্টফেডৰ আধুনিকীকৰণৰ কিবা আঁচনি বিভাগে লৈছে নেকি?

**শ্ৰী প্ৰণৱ গগৈ (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) আৰ্টফেডে হস্ততাঁত বস্ত্ৰ আৰু হস্তশিল্পৰ বিভিন্ন সামগ্ৰী প্ৰত্যক্ষ বা পৰোক্ষভাৱে উৎপাদন কৰে। ২০০১ চনৰ পৰা ২০০৬ চনলৈ মুঠ হস্ততাঁত বস্ত্ৰ ২৬,৩১৬.৮৯ লাখ আৰু হস্তশিল্প ৭৪৪০.৯৫ লাখ টকাৰ সামগ্ৰী উৎপাদন কৰিছে। সামগ্ৰীসমূহৰ নামৰ তালিকা প্ৰপত্ৰ 'ক'ত দিয়া হ'ল— (See Annexure-XV)

(খ) যায়। ভাৰতবৰ্ষৰ আটাইকেইখন ৰাজ্যলৈ যায়।

(গ) আৰ্টফেডে ২০০১ চনৰ পৰা ২০০৬ চনলৈ বিভিন্ন আঁচনিত মুঠ ৩৪,৮৭০ খন তাঁতশাল কিনিছে আৰু তাৰ বাবদ ১০১৭.৫৬৫ লাখ টকা খৰচ হৈছে। প্ৰতিখন তাঁতশালৰ মূল্য ফ্ৰেমসহ ৪,০০০ টকা আৰু ৩,৩১৫.০০ টকা আৰু ফ্ৰেমবিহীন তাঁতশালৰ মূল্য ২,৫০০.০০ টকা।

(ঘ) আৰ্টফেডৰ মুঠ কৰ্মচাৰীৰ (নিয়মীয়া) সংখ্যা ২৫০ গৰাকী আৰু আৰ্টফেডৰ অধীনত বৰ্তমানে ৫.৫০ লাখ গৰাকী বোৱনীয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বোৱা-কটা কাম কৰি জীৱন নিৰ্বাহ কৰি আছে।

(ঙ) আৰ্টফেডৰ আধুনিকীকৰণৰ ক্ষেত্ৰত চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ আৰু উত্তৰ-পূৰ উন্নয়ণ মন্ত্ৰণালয়ৰ অৰ্থ সাহায্যত আৰ্টফেডত শীততাপ নিয়ন্ত্ৰিত অত্যাধুনিক বিক্ৰী কেন্দ্ৰ স্থাপন আৰু সম্প্ৰসাৰণ কৰা প্ৰকল্প ৰূপায়িত কৰিছে, এই ক্ষেত্ৰত আৰ্টফেডে গুৱাহাটীৰ ৰিহাবাৰীত ৰাজ্য চৰকাৰৰ প্ৰদত্ত মাটিত ৪৫০০ বৰ্গমিটাৰৰ পাঁচমহলীয়া এটা ৰিজিওনেল হেন্দ্‌লুম এণ্ড হেন্দিক্ৰাফট্ মাৰ্কেটিং কমপ্লেক্স মুঠ ৬৫৬.৭৯ লাখ টকা ব্যয়েৰে নিৰ্মাণ-কাৰ্য্য চলাই আছে।

## বিষয় ঃ NRHM-ৰ অৰ্ন্তভুক্ত।

**শ্ৰীৰাজু চাহুৰে সুধিছে ঃ**

১৮৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ বাগিছা সমূহৰ ব্যক্তিগত স্বাস্থ্য কেন্দ্ৰসমূহ NRHMৰ অৰ্ন্তভুক্ত কৰাৰ পৰিকল্পনা চৰকাৰৰ আছেনে?

(খ) যদি আছে, কেনে ধৰণৰ পৰিকল্পনা আছে?

(গ) উক্ত স্বাস্থ্য কেন্দ্ৰ সমূহত এগৰাকী নাৰ্চ আৰু প্ৰসৱ কক্ষ (Labour Room) নিৰ্মাণৰ ব্যৱস্থা কৰিবনে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) আৰু (খ) চাহ বাগিছা সমূহৰ ব্যক্তিগত স্বাস্থ্য কেন্দ্ৰসমূহ NRHMৰ অৰ্ন্তভুক্তিৰ বাবে কোনো ধৰণৰ পৰিকল্পনা নাই। আন্তঃগাঁঠনি তথা সেৱা প্ৰদানৰ (Service Delivery) ক্ষমতা থকা চাহবাগিছাৰ চিকিৎসালয়সমূহৰ লগত Private Public Partnership (PPP)ৰ জৰিয়তে সেৱা আগবঢ়োৱাৰ বাবে তেনে অনুষ্ঠানৰ সন্ধানত আছে আৰু উপযুক্ত অনুষ্ঠানৰ লগত বুজাবুজি চুক্তিৰ (MOU) মৰ্মে কাৰ্য্যকৰী কৰা হ'ব।

(গ) সদ্যহতে NRHMৰ পক্ষৰ পৰা চাহ বাগিছাৰ চিকিৎসালয়ত নাৰ্চৰ নিযুক্তি তথা প্ৰসৱ কক্ষ নিৰ্মাণৰ আঁচনি নাই।

## Subject : Encroachment of Forest Land.

**Shri Kamal Singh Narzary asked :**

190. Will the Minister of Forest & Environment be pleased to state:

(a) How many Bighas of Forest Land of Manas National Park and its adjacent Reserve Forests have been occupied by illegal encroachers ?

(b) What steps have been taken by the State Government to the Environment of these areas ?

**Shri Rockybul Hussain (Minister, Environment & Forests) replied :**

(a) About 12,000 Bighas of Forest land in Manas National Park and adjacent Reserve Forests have been illegally encroached upon by 500 families.

(b) The National Park authority has carried out eviction from time to time to remove encroachment in the park area.

**বিষয় ঃ জীৱ-জন্তুৰ সংখ্যা।**

**শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

১৯১। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা অভয়াৰণ্যত কিমান গঁড় জীৱিত অৱস্থাত আছে আৰু কেইটা গঁড়ৰ মৃত্যু হৈছে?

(খ) বৰ্তমান হাতী কিমান আৰু বাঘ কেইটা আছে?

(গ) কি কি জাতৰ হৰিণা আছে?

(ঘ) ইয়াৰ যাতায়তৰ পথ সুচল নে? পৰ্য্যটকৰ আৱাস-গৃহ তথা অতিথিশালা আছেনে?

**শ্ৰী ৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৬ চনৰ হিচাব মতে ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যানত ৬৮টা গঁড় আছে আৰু ৬টা গঁড়ৰ মৃত্যু হৈছে।

(খ) ২০০২ চনৰ গণনা অনুসৰি ৪টা হাতী আৰু ২০০২ চনৰ গণনা অনুসৰি ১৯টা বাঘ আছে।

(গ) শৰপহু, খটীয়া পহু আৰু সুগৰী পহু আছে।

(ঘ) হয়, আছে।

(ঙ) অক্টোবৰৰ পৰা ফেব্ৰুৱাৰীলৈকে বিদেশী পৰ্য্যটক বেছিকৈ আহে।

**বিষয় ঃ প্ৰাকৃতিক পৰিৱৰ্তন।**

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ**

১৯২। মাননীয় বন ও পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা দুটা বছৰত অসমত হোৱা অভূতপূৰ্ব প্ৰাকৃতিক পৰিৱৰ্তন (বিশেষকৈ খৰাং আৰু শীত) হোৱাৰ কাৰণ কি?

(খ) ব্ৰহ্মপুত্ৰ নদী শুকাই যোৱাটো চৰকাৰে পৰ্য্যবেক্ষণ কৰিছেনে?

(গ) চৰকাৰে সমগ্ৰ বিষয়টো অধ্যয়ন কৰাৰ কাৰণে অভিজ্ঞ বিশেষজ্ঞৰ দ্বাৰা অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) অসমত হোৱা এনে প্ৰাকৃতিক পৰিৱৰ্তনৰ সঠিক কাৰণ সম্পৰ্কে পৰিবেশ ও বন বিভাগৰ হাতত তথ্য নাই যদিও সমগ্ৰ পৃথিৱীতে হোৱা প্ৰাকৃতিক পৰিৱৰ্তনৰ কাৰণ হিচাবে বিজ্ঞানীসকলে ঠাৱৰ কৰা কাৰণসমূহ যেনে— গোলকীয় উত্তাপ বৃদ্ধি (Global Warming), বায়ুমণ্ডলৰ অ'জন স্তৰৰ ক্ষতিসাধন, বনাঞ্চলৰ ক্ষতিসাধনৰ ফলস্বৰূপে জলবায়ুৰ ওপৰত পৰা বিৰূপ প্ৰভাৱ প্ৰদূষণ মৌচুমী বায়ুৰ উৎপত্তি আৰু গতিপথৰ তাৰতম্য ইত্যাদিৰ ফলত সমগ্ৰ বিশ্বতে হোৱা পৰিৱৰ্তনৰ আংশিক প্ৰভাৱ অসমতো পৰা বুলি ধাৰণা কৰা যায়।

(খ)| হয়, কৰিছে। এই সম্পৰ্কত চৰকাৰৰ জলসম্পদ বিভাগৰ তৰফৰ পৰাহে
(গ)| বিহীত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

## বিষয় ঃ ৰাজ্যিক চিকিৎসালয়ৰ দুৰৱস্থা।

**শ্ৰীলিয়াকত আলী খানে সুধিছে ঃ**

১৯৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছমাৰা বজাৰৰ ৰাজ্যিক চিকিৎসালয়-খন কোন চনত ব্ৰহ্মপুত্ৰ নৈৰ কবলত পৰিছে?

(খ) এতিয়ালৈকে ইয়াত স্থায়ী চিকিৎসা-গৃহ আৰু চিকিৎসক থকা আৱাসগৃহ নথকাটো চৰকাৰৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, তেনেহ'লে চৰাঞ্চলৰ মানুহৰ চিকিৎসাৰ সুবিধাৰ কাৰণে স্থায়ী

গৃহ ও চিকিৎসক থকা আৱাস গৃহৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ব্ৰহ্মপুত্ৰ নদীৰ সমীপত অৱস্থিত কাছমাৰা ৰাজ্যিক চিকিৎসালয় খনৰ কাম-কাজ চলি আছে।

(খ) জ্ঞাত।

(গ) পুঁজি সাপেক্ষে চিকিৎসকৰ আৱাস গৃহ আৰু চিকিৎসালয় খনৰ স্থায়ী গৃহৰ ব্যৱস্থা লোৱা হ'ব।

(ঘ) পুঁজিৰ আৱণ্টনৰ ওপৰত নিৰ্ভৰ কৰিব।

## বিষয় ঃ সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ আঁচনি।

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

১৯৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত ঐতিহাসিক মঠ-মন্দিৰ আৰু কীৰ্তি-চিহ্ন সমূহৰ তথ্য চৰকাৰৰ হাতত আছেনে? এইসমূহ সংৰক্ষণ আৰু সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে কিবা আঁচনি লৈছে নেকি?

(খ) প্ৰাকৃতিক সৌন্দৰ্য্যৰ আধাৰ স্বৰূপ নামেৰী বনাঞ্চলৰ বিজোচা আদিক পৰ্য্যটকৰ আকৰ্ষণৰ বাবে পৰ্য্যটক কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত পৰ্য্যটক বিভাগে কিবা আঁচনি হাতত লৈছে নেকি?

(গ) বৃটিছ আমোলৰ দিনতে স্থাপন হোৱা পানপুৰ জাহাজ ঘাটত ৰক্ষণাবেক্ষণ আৰু ইয়াক সংৰক্ষণ কৰি পৰ্য্যটন কেন্দ্ৰ ৰূপে গঢ় দিয়াৰ বাবে কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি?

**শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) হয়, আছে। অৱশ্যে এই সমূহৰ সংৰক্ষণ আৰু সৌন্দৰ্য্যৰ বাবে বৰ্তমানলৈ কোনো আঁচনি লোৱা হোৱা নাই।

(খ) নামেৰী বনাঞ্চলক পৰ্য্যটক কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে বিবেচনা কৰি থকা হৈছে।

(গ) পানপুৰ জাহাজ ঘাট ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণ কৰি পৰ্য্যটন কেন্দ্ৰ ৰূপে গঢ় দিয়াৰ পৰিকল্পনা বৰ্তমানে হাতত লোৱা নাই।

## বিষয় ঃ দৰিদ্ৰ শিপিনীৰ আঁচনি।

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

১৯৫। মাননীয় হস্ততাঁত আৰু বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত অনুসূচীত জাতি-জনজাতিৰ পিছপৰা দৰিদ্ৰ শিপিনীসকলৰ উন্নয়নৰ কাৰণে কিবা আঁচনি লৈছেনে?

(খ) যদি লৈছে, কি আঁচনি লৈছে আৰু এই আঁচনি কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব?

(গ) যদি লোৱা নাই, পিছপৰা দৰিদ্ৰ শিপিনীসকলৰ কাৰণে কোনো আঁচনি লোৱাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী প্ৰণৱ গগৈ (হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) উন্নয়নৰ বাবে নিৰ্দ্ধাৰিত আঁচনি বিধান সভা সমষ্টি অনুসৰি ধৰা নহয়, জিলা বা মহকুমা ভিত্তিতহে ধৰা হয়। চলিত বৰ্ষত জিলাভিত্তিত এনে আঁচনি লোৱা হৈছে।

(খ) চলিত বৰ্ষত অনুসূচীত জাতি আৰু জনজাতিৰ শিপিনীসকলৰ বাবে তাঁতশাল আৰু সূতা যোগানৰ জৰিয়তে অনুদানমূলক আঁচনি লোৱা হৈছে।

আঁচনিত ধৰা মতে টকাৰ বিত্তীয় অনুমোদন পোৱাৰ লগে লগে কাৰ্য্যকৰী কৰা হ'ব।

(গ) প্ৰযোজ্য নহয়।

## বিষয় ঃ FRU-লৈ উন্নীতকৰণ।

**শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ**

১৯৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিজনী মহকুমাৰ ভেটাগাৰস্থ ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়খন ১০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়লৈ উন্নীত কৰা হ'বনে?

(খ) যদি হয়, এই আঁচনি কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰা হ'ব?

(গ) বিজনী সমষ্টিৰ কোন কেইখন চিকিৎসালয় বা চিকিৎসা কেন্দ্ৰ FRU লৈ উন্নীত কৰা হ'ব? (তথ্যসহ দিব)

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) আৰু (খ) অসামৰিক চিকিৎসালয়লৈ উন্নীত কৰাৰ বাবে পৰিকল্পনা শিতানত পুঁজি আৱণ্টন সাপেক্ষেহে ব্যৱস্থা ল'ব পৰা যাব। অৱশ্যে ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয়খন IPHS পৰ্য্যায়লৈ উন্নীতকৰণৰ বাবে ৩৭.২ লাখ টকাৰ অনুমোদন দিয়া হৈছে।

(গ) আন্তঃগাঁঠনিৰ কাম সম্পূৰ্ণ হ'লে বিজনী সমষ্টিৰ ভেটাগাওঁ CHC খন IPHS পৰ্য্যায়লৈ উন্নীত হ'লে এই CHC খন FRU হিচাবে কাৰ্য্যক্ষম কৰিব পৰা হ'ব।

## বিষয় ঃ বনাঞ্চল বেদখল আৰু ধ্বংস-কাৰ্য্য প্ৰতিৰোধ।

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

১৯৭। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চতিয়া সমষ্টিৰ অন্তৰ্গত চাৰিদুৱাৰ সংৰক্ষিত বনাঞ্চল, ন-দুৱাৰ সংৰক্ষিত বনাঞ্চল আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজন পানপুৰ সংৰক্ষিত

বনাঞ্চলত হৈ থকা বেদখল আৰু অৰণ্য ধ্বংস-কাৰ্য্যৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, এই ক্ষেত্ৰত চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত লৈছে?

(খ) নামেৰী অভয়াৰণ্যৰ ভিতৰত জীয়াভৰলী নদীত অবৈধভাৱে চোৰাং বেপাৰীয়ে শিল সংগ্ৰহ কৰাৰ বিষয়টো চৰকাৰে জানেনে? যদি জানে, এই ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বৰ্তমান সময়ত দুষ্প্ৰাপ্য হৈ পৰা পৃথিৱী-খ্যাত দেওহাঁহ আৰু ঘৰিয়াল - মাছৰ আৱাসী স্থল নামেৰী অভয়াৰণ্যত এই জীৱ দুবিধৰ সংৰক্ষণৰ বাবে কিবা আঁচনি লৈছে নেকি?

(ঘ) শোণিতপুৰ জিলাৰ বহু ঠাইত বন্য হাতীৰ তাণ্ডৱৰ পৰা জনসাধাৰণক নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চৰকাৰে কিবা স্থায়ী ব্যৱস্থা লৈছেনে? যদি লৈছে, ইয়াক কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব?

**শ্ৰী ৰকিবুল হুছেইন (বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছে ঃ**

(ক) বন্যপ্ৰাণী শাখাৰ অন্তৰ্গত পানপুৰ বনাঞ্চলত (কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত ষষ্ঠ সংযোজন) কিছু বেদখল থকা সম্পৰ্কে চৰকাৰ অৱগত। এই বেদখলকাৰীৰ গৰিষ্ঠ সংখ্যক গৰু-ম'হৰ খুটিৰ মালিক। বেদখলকাৰীসকলক উচ্ছেদৰ ব্যৱস্থা লোৱা হৈছিল যদিও, তেওঁলোকে ন্যায়ালয়ৰ কাষ চাপে আৰু মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে উচ্ছেদৰ বিৰুদ্ধে স্থগিতাদেশ জাৰি কৰে। গোচৰ বিচাৰাধীন হৈ থকাত এই উচ্ছেদ-কাৰ্য্য বন্ধ আছে।

চতিয়া সমষ্টিৰ অন্তৰ্গত ন-দুৱাৰ সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি ৮১৪১ হেক্টৰ। ইয়াৰে ৭৫৫০ হেক্টৰ বেদখলকাৰীৰ কবলত আছে আৰু প্ৰায় ৬১৭টা পৰিয়ালে এই বেদখল কাৰ্য্য কৰিছে। ২০০২ চনত এই বিভাগৰ ফালৰ পৰা ৪ বাৰ উচ্ছেদ-কাৰ্য্য চলোৱা হৈছিল। এই বেদখল ৰোধ কৰিবৰ কাৰণে উচ্ছেদ অভিযান বিভিন্ন বছৰত কৰি থকা হৈছে।

বৰ্তমান নতুন বেদখল হোৱা নাই। তাৰোপৰি চাৰিদুৱাৰ, বালিপাৰা, চেঙেলীমাৰা সংৰক্ষিত বনাঞ্চলত ১৯৯৫ চনৰ পৰা বৰ্তমানলৈকে মুঠ ৩১ বাৰ উচ্ছেদ অভিযান চলোৱা হৈছে।

(খ) খুব কম পৰিমাণে অবৈধভাৱে শিল সংগ্ৰহ হোৱা বুলি চৰকাৰ অৱগত। এই ক্ষেত্ৰত বিভাগীয় কৰ্মচাৰীসকলে দৈনিক পহৰা কাৰ্য্য চলাই আছে। যোৱা ৩/২/২০০৭ তাৰিখত এখন অবৈধ শিল বোজাই ট্ৰাক বন বিভাগে জব্দ কৰে আৰু আইন অনুযায়ী বিহিত ব্যৱস্থা লয়।

(গ) দেওহাঁহ আৰু ঘৰিয়াল মাছৰ সংৰক্ষণৰ বাবে বন্যপ্ৰাণী সংৰক্ষণ আইনৰ অধীনত এই দুবিধ প্ৰাণী সংৰক্ষিত হৈ আছে।

(ঘ) হাতীৰ উপদ্ৰৱৰ পৰা জনসাধাৰণক নিৰাপত্তা দিয়াৰ বাবে তলত দিয়া ব্যৱস্থাসমূহ গ্ৰহণ কৰা কৰা হৈছে ঃ-

১) স্থানীয় লোকক জড়িত কৰি উপদ্ৰুত এলেকাত কমিটী গঠন কৰা হৈছে আৰু গাওঁৰক্ষী বাহিনীক নিয়োগ কৰা হৈছে, যাতে হাতী আহিলে তৎক্ষণাত সকলোকে খা-খবৰ দি হাতী খেদোৱাৰ ব্যৱস্থা গ্ৰহণ কৰাব পাৰে।

২) ডব্লিউ.ডব্লিউ.এফ আৰু বন বিভাগৰ ফালৰ পৰা গাওঁ অঞ্চলৰ লোকক গাওঁৰক্ষী বাহিনীৰ (VDP) প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই কমিটিৰ লোকসকলক চাৰ্চ লাইট, টৰ্চ লাইট, ফটকা, কেৰাচিন আদিৰ যোগান ধৰা হৈছে।

৩) কিছু কিছু অঞ্চলত হাতী অহা বন্ধ কৰিবৰ বাবে জনতা ফেঞ্চিং বৈদ্যুতিক কাটাতাঁৰৰ বেৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

৪) পূব শোণিতপুৰ বন সংমণ্ডলৰ অধীনত এটা টাস্ক ফৰ্চ গঠন কৰা হৈছে। এই গোটে অহৰহ উপদ্ৰুত এলেকাত পহৰা দি হাতীৰ গতিবিধি নিৰীক্ষণ কৰে।

(৫) সংৰক্ষিত বনাঞ্চল সমূহত হাতীৰ খাদ্যৰ উপযোগী গছ-গছনি ৰুই, পানী যোগানৰ ব্যৱস্থা কৰি বনাঞ্চল বৃদ্ধি কৰা হৈছে, যাতে খাদ্যৰ অভাৱত হাতী বাহিৰলৈ ওলাই আহিবলগীয়া নহয়।

(৬) হাতী অহা-যোৱা কৰা অঞ্চলত দেশীয় সুৰাৰ বিক্ৰী আৰু তৈয়াৰ কৰাটো বন্ধ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ উপ-স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।**

**শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ**

১৯৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত শলমৰা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত কিমানখন উপ-স্বাস্থ্যকেন্দ্ৰ আছে? (নামসহ তালিকা সদনৰ মজিয়াত দাখিল কৰিব)

(খ) কিমানখন উপ-স্বাস্থ্যকেন্দ্ৰৰ নিজা মাটিত পকীঘৰ আছে আৰু কিমানখন ভাড়াঘৰত চলি আছে? (কেন্দ্ৰসমূহৰ নামসহ বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ অধীনত কিমানখন State Dispensary আৰু কিমানখন Mini PHC আছে? ইয়াৰে কিমানখনত ডাক্তৰ আৰু নাৰ্চ থকাৰ ব্যৱস্থা আছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ২০ খন উপ-স্বাস্থ্যকেন্দ্ৰ আছে? (ক প্ৰ-পত্ৰত দিয়া হৈছে) (See Annexure-XVI)

(খ) ইয়াৰে ১৪ খন উপ-স্বাস্থ্যকেন্দ্ৰৰ নিজা মাটিত পকীঘৰ আছে। বাকী ৬ খন উপ-স্বাস্থ্যকেন্দ্ৰ ভাড়াঘৰত চলি আছে। (বিতং তথ্য সংলগ্ন ‘ক’ পত্ৰত দিয়া হৈছে। (See Annexure-XVI)

(গ) ২ খন State Dispensary আৰু ৬ খন Mini PHC আছে। চিকিৎসক আৰু নাৰ্চ থকাৰ ব্যৱস্থা আছে যদিও তিনিখনত মেৰামতিৰ প্ৰয়োজন আছে।

## বিষয় ঃ ৰাজীৱ গান্ধী ওৰাং অভয়াৰণ্য।

### শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ

১৯৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজীৱ গান্ধী ওৰাং অভয়াৰণ্যত পৰ্য্যটক সকলৰ বাবে বৰ্তমান চৰকাৰে কি কি উন্নয়নমূলক কামৰ ব্যৱস্থা হাতত লৈছে?

(খ) ৰাষ্ট্ৰীয় উদ্যান হিচাপে বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা বিগত ইং ২০০৫-০৬ চনত অসম চৰকাৰে কিমান টকা আৰ্থিক অনুদান/আৱণ্টন পাইছে আৰু উক্ত আৱণ্টিত ধনেৰে কি কি কাম কৰা হ'ল? ইং ২০০৫ আৰু ২০০৬ চনৰ ৰূপায়ণৰ খতিয়ান দিবনে?

(গ) চলিত ২০০৬-০৭ চনৰ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা কিমান টকা পালে? উক্ত টকাৰ কি কি আঁচনি হাতত লৈছে?

### শ্ৰী ৰকিবুল হুছেইন (পৰ্য্যটন বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ

(ক) ৰাজীৱ গান্ধী ওৰাং অভয়াৰণ্যত পৰ্য্যটক সকলৰ বাবে তলত উল্লেখ কৰা আঁচনিসমূহ লোৱা হৈছে ঃ—

১) পৰ্য্যটন চৌহদ (Interpretation Centre) নিৰ্মাণ।

২) ৰাজহুৱা সুবিধাগৃহ (Public Convenience) নিৰ্মাণ।

৩) আদৰণি তোৰণ

৪) পৰ্য্যটন নিবাসৰ চৌহদৰ সীমাৰ বেৰ নিৰ্মাণ।

৫) পৰ্য্যটন নিবাসৰ চৌহদৰ পথ, বিজুলী চাকি, বাগিচা আদি উন্নতকৰণ।

৬) পৰ্য্যটন নিবাসৰ উন্নতিকৰণ।

৭) পৰ্য্যটন নিবাস আদিৰ পানী যোগান আঁচনিৰ উন্নতিকৰণ।

৮) চাইন-ব'ৰ্ডৰ ব্যৱস্থা কৰা হৈছে।

(খ) ইং ২০০৫-০৬ বৰ্ষত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজীৱ গান্ধী ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বিকাশৰ বাবে পৰ্য্যটনৰ ক্ষেত্ৰত কোনো ধন আৱণ্টন পোৱা নাই।

(গ) চলিত ২০০৬-০৭ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ লাখ ৮৫.৫২ লাখ টকা মঞ্জুৰী পোৱা হৈছে।

উক্ত টকা প্ৰশ্ন 'ক'ৰ উত্তৰত উল্লেখ কৰা আঁচনিসমূহ ৰূপায়ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

## বিষয় ঃ স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা।

## শ্ৰীমতী সুশীলা হাজৰিকাই সুধিছে ঃ

২০০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেৰগাওঁ সমষ্টিৰ অন্তৰ্গত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত কিমানখন উপ-স্বাস্থ্যকেন্দ্ৰ আছে? (নামসহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উপ-স্বাস্থ্য কেন্দ্ৰসমূহৰ ভিতৰত নিজা মাটিত কিমানখনৰ পকীঘৰ আছে আৰু কিমানখন ভাড়া ঘৰত চলি আছে? (বিতংকৈ জনাব)

(গ) বাঘচোং উন্নয়ন খণ্ডৰ অধীনত কিমানখন State Dispensary আৰু কিমানখন Mini PHC আছে? ইয়াৰ কিমানখনত ডাক্তৰ আৰু নাৰ্চ থকাৰ ব্যৱস্থা আছে?

**ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)-য়ে উত্তৰ দিছেঃ**

(ক) ১৬ খন উপ-স্বাস্থ্যকেন্দ্ৰ আছে। (তালিকা 'ক' সংলগ্ন কৰা হ'ল) (See Annexure-XVII)

(খ) ইয়াৰে ৮ খন নিজা ঘৰত আৰু ৮ খন ভাড়াঘৰত চলি আছে। (তালিকা 'ক' সংলগ্ন কৰা হ'ল।) (See Annexure-XVII)

(গ) বাঘচোং উন্নয়ন খণ্ডৰ অধীনত State Dispensary দুখন আৰু Mini PHC এখন আছে। ইয়াৰ সকলো কেইখনতে ডাক্তৰ আৰু নাৰ্চ থকাৰ ব্যৱস্থা আছে?

* **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় মই সদনত উত্থাপন কৰিব বিচাৰিছোঁ। যোৱা কালি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা দুজন বিশেষ ব্যক্তিক আদালতত হাজিৰ কৰাবলৈ যাওঁতে ব্যক্তি দুজনে এটা পি.চি.অ'-ৰ পৰা বাংলাদেশলৈ ফোন কৰে। পি.চি.অ'-ৰ পৰা ওলাই আহি তাত উপস্থিত থকা এন.ই টিভিৰ সাংবাদিকক খেদি যায়। এইটো এটা আশ্চৰ্য্যজনক কথা। আগতে এজন অভিযুক্ত ব্যক্তি গুৱাহাটী মেডিকেল কলেজৰ পৰা পলাই গৈছে। তেনে ব্যক্তি পলাই যোৱাটো দুৰ্ভাগ্যজনক কথা। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। পুলিচ কাষ্টডিত থকা ব্যক্তিয়ে কেনেকৈ পি.চি.অ'ত ফোন কৰিব পাৰে? ইয়াত চৰকাৰী চাকৰিয়াল, জড়িত আৰু ৰাজনৈতিক ষড়যন্ত্ৰ আছে নেকি - যাৰ সহযোগত এনেবোৰ ঘটনা হ'ব পাৰে? এন.ই টিভিৰ কেমেৰামেনে ইয়াৰ ছবি দাঙি ধৰিছে।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াৰ উত্তৰ দিম। কিন্তু মাননীয় সদস্য গৰাকীয়ে চৰকাৰ জড়িত থকাৰ কথাটো নক'লেও হ'ব। (সদনত গণ্ডগোল হয়)

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি ক'ব বিচাৰিছে? (গণ্ডগোল)

* **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগৰজন পলাই যোৱাৰ পিচত চৰকাৰ যদি সতৰ্ক হ'লহেঁতেন, তেতিয়া হ'লে আমি এই কথাটো নক'লোহেঁতেন।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ জড়িত থকা বুলি নক'ব, আমি ইয়াৰ ব্যৱস্থা ল'ম।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকতত ওলাই গৈছে, আই.এচ.আইৰ লগত জড়িত থকা আৰ্মি অফিচাৰ এজন বাংলাদেশত ধৰা পৰিছে। The Matter is related.

---

* Speech not corrected

**Mr. Speaker :** It does not mean that Government is involved.

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এই বিষয়টোৰ ওপৰত এটা ষ্টেটমেণ্ট দিম।

* **শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ ইন্‌ভলব্‌মেণ্ট থকা কথাটো নহয়। যদি কোনোবা এনে ধৰণৰ কাৰ্য্য-কলাপত জড়িত আছে, আমি নিশ্চয় ব্যৱস্থা ল'ম। এই কথাটো আজি মই পবিত্ৰ সদনত কৈছো। চৰকাৰ জড়িত নহয়, যদি কোনোবা বিষয়া জড়িত হৈ আছে তেতিয়াহ'লে কঠোৰতকৈও কঠোৰতম ব্যৱস্থা লোৱা হ'ব। (গণ্ডগোল)

## DISCUSSION ON THE SUPPLEMENTARY STATEMENT OF EXPENDITURE CHARGED ON THE CONSOLIDATED FUND OF THE STATE FOR THE YEAR, 2006-2007.

**Mr. Speaker :** Now, Item No.2, discussion on the supplementary statement of expenditure charged on the consolidated fund of the State for the year, 2006-2007.

——00——

* Speech not corrected

# VOTING ON SUPPLEMENTARY DEMANDS FOR GRANTS

**Mr. Speaker :** Now, Item No.3, Voting on Supplementary Demands for Grants, 2006-2007. In the meeting of the BAC held on 26th February, 2007 and as per suggestion of the Hon'ble Members of the Opposition present, the BAC has decided unanimously to discuss the following Grants on priority basis and the rest of the Grants will be taken up for discussion serially.

The Grants are :–

1. 43-Co-operation
2. 20-Civil Defence & Home Guard
3. 71-Education (Elementary, Secondary, etc.)
4. 18-Fire Services
5. 15-Jails

Now, Grant No.43 Hon'ble Minister, Co-operation to move.

**Shri Bharat Chandra Narah (Minister, Parliamentary Affairs) :** Sir, on behalf of the Hon'ble Minister, Co-operation. I beg to move that an additional amount of Rs.161.20 lakh be granted to the Minister-in-charge to defray the certain charges which will come in the course of payment during the year ending 31st March, 2007 in connection with 'Co-operation'.

**Mr. Speaker :** There are as many as 25 numbers of notices I have received :

1. Shri Mission Ranjan Das
   Shri Rameswar Teli
   Shri Kartik Sena Sinha

Shri Ranjit Dutta
Shri Sambhu Singh Mallah
Shri Parimal Suklabaidya
Shri Prasanta Phukan
Dr. Rumi Nath
Shri Abhijit Hazarika

2. Dr. Kamala Kanta Kalita
Shri Keshab Mahanta
Shri Nurul Hussain
Shri Jyoti Prasad Das
Shri Abdul Aziz
Dr. Alaka Sarma
3. Shri Pranab Kalita
4. Shri Drupad Borgohain
5. Shri Ananta Deka
Shri Uddhab Barman
6. Shri Badruddin Ajmal
Dr. Aditya Langthasa
Shri Hafiz Basir Ahmed
Shri Anwarul Hoque
Shri Sirajuddin Ajmal
Shri Mobarak Ali Pathan

Now, I request the Hon'ble Members to raise the cut motion.

I, now, request Hon'ble Member, Dr. Rumi Nath to move.

**Dr. Rumi Nath :** Sir, as regards Grant No.43 in respect of 'Co-operation' for keeping provision in the budget to give finan-

cial assistance to the 'Fishfed' I oppose it. Because, co-operative society means a society from where the distribution of essential commodities starts towards the genuine poor persons at the grassroot level. But now-a-days, Co-operation Department looks like a dead or the defunct department. I agree that salary is to be given to the staffs of Co-operative Deptt. But we all know that money should be paid against work. All of us in this world work for justice, fight in life, money so that we can eat, live and think. But we have seen that most of the workers forget to come to the office punctually. Therefore, none of us can see any progress of work in the society. The people of our society are not getting the benefit of co-operative societies due to lack of sincerity on the part of the worker. The common people of the society do not know the proper information regarding annual calculation of profit and loss of the Co-operative Society. Actually, the village level Co-operative Societies are to be constituted on democratic process, but not on adhoc basis or on political consideration which is still now continuing for a long time. In my constituency, till now, there is adhoc co-operative societies and are still going on and on. I have already raised the question in the Assembly last year regarding holding of the election of cooperative societies and I requested the Hon'ble Minister to hold election. But unfortunately, there was no election as was promised by the Hon'ble Minister. I do not know why Government is approving such adhoc committees and why that role/method and why power has been given to such societies by taking political advantage? I want to say that whatever party is there, whether BJP, UDF or Congress that should not be happened where interest of com-

mon poor people are involved there. Politics has no role to play in such kind of societies. I do not know why such unholy practices are going on. The reason is obvious. Obviously, the corruption and the political internet is the main reason which is still continuing.

**Mr. Speaker :** All our members are qualified.

You are making a discussion under Rule-152. I quote– 'The debate on the supplementary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion'.

**Dr. Rumi Nath :** O.K. Sir,

I want to say that in Co-operative sector, local people should get their essential commodities like Sugar, Rice, Kerosene etc. at the fair price. But I must say that rice lifting is not done properly. That is the common and clear reason. Money is not deposited timely. As for example if 10% of rice lifting is done them. I think that Co-operation Department would be very much active with their staff. I should say that still now lots of vacancies are lying in the Co-operation Department. If the Co-operation Department do not fill these vacant posts the department cannot stand on their own feet. Now, I am to say regarding Fishfed. We all know that Fishes are available right now at high price. But still we love Fishes and we are buying it from the market. Fishes have lot of protein and vitamin too. Most of us like to eat Fish in the dining table. I know our Cabinet Ministers are also very much fond of Fishes. But why Government is failing to bring the Fish in

our Assam State ? In Assam there are rivers, channels and beels. In spite of having water resources and for the failure of Co-operation Department, the state is required to import Fish from the state like Andhra Pradesh, Uttar Pradesh (Kanpur) and various other states. What the Department is doing till now ? In Assam, Fisheries are available right now but at the same time people of Assam buying Fish at the high price in the market. We the Assamese people, Bengali people, Hindi speaking people and other people living in Assam very much love fishes. But why we are failing ? Why government is failure even after 60 years of independence ? Of course, if government takes it seriously and in right earnest it will be possible to augment the Fish availability to cater needs of the people of Assam.

**Mr. Speaker :** You are telling about co-operation. In what way you are making correction ?

**Dr. Rumi Nath :** I have seen that F. P. Shops are opened in the villages, I have seen that many people are deprived of ration cards. The F.P.Shops are opened in the villages. They are mainly connected with the commodities and directly deal with the blackmarketers. Indian citizens living in tea gardens, slum areas inhabited mostly by SC/ST/OBC and more other backward classes. They are deprived or many advantages of co-operatives because they do not have ration cards. Ration Cards should be given on the basis of survey and ration cards should be given to the local genuine citizens. Govt. should ensure that local and adhoc committee should lift their respective allotted commodities from wholesale cooperative societies or Supply Department. If they fail in time, the allotted com-

modities will lapse which will be the failure of the Govt. The Co-operation Department last time, took a decision to open around 50 villages mini bank for providing loan to the agriculturists. But that also not implemented practically as yet. The State Govt. has decided to start VRS and on that the last Co-operation Minister Sri M.I. Laskar announced which you have also announced that around 50% staff will be taken under this scheme. But still it is not implemented yet, it lies only in the file. Now, the poor women who are living in the villages they should also get the. facilities of the Co-operative Societies. There are 37 co-operative societies in Cachar District and out of that only 20 co-operative societies have got the benefit but 17 have not got. But in 2004, last Co-operation Minister, he already accepted this matter too. Vacancies in the State still lying in the Co-operation Department and here we are talking about paying the salaries. I am not opposing. Staff are also working but they should get their money against the work. I would like to say, last but not the least, I expected that Hon'ble Minister will take necessary progressive and developmental steps in the interest of the common poor people in the state of Assam who are connected with the co-operative movement. I hope whatever necessary steps are taken by the Govt. will be beneficial to the people. Thank you.

(Madam Deputy Speaker on the Chair)

**Madam Deputy Speaker :** Mr. Anowarul Hoque, Hon'ble Member.

**Sri Anowarul Hoque :** Deputy Speaker Madam, while speaking on the cut motion on the supplementary grant, we all know in

Assam particularly the co-operative movement, there is no co-operation in between co-operative and the Deptt. Madam, after all, all these exercises we have failed to bring spirit to the people as regards virus of corruption. Madam, it is the people's institution, Govt. totally failed to bring to the mind of the people that it is the people's institution which will give benefit to the people in a democratic way and imbibe the spirit of co-operation. The Govt. has totally failed. In our present day the compitative economy co-operation is necessary that is true, but to promote economy and social betterment at the same time is also to be given importance. It is the high time that Govt. should come forward. I must say, the other day, a bill was placed here before this August House, I have gone through the Bill and with no hesitation I submit that it is a very very good legislation and I hope with the implementation of this law something will come up in the sphere of co-operative movement. Sir, most vital necessity in this sphere is training and motivation. Training to our people and motivation to our people is a must if we want to bring something in the sphere of co-operative movement. Going back, it is an exercise which is being done for long decade. I appreciate the effort made by Late Sarat Chandra Sinha in this regard. Co-operative movement gets momentum but unfortunately with the passage of time this co-operative movement now confined to some vested interested people, concerned only with looting some PDS items. In my locality there is a co-operative outlet. In one occasion I went there and ask the sales man that you are selling mustard oil @ Rs.50- per litre whereas in the open market it is also sold @ Rs.50/- also. He replied that I am selling it at the rate of 50/

- thereby you are getting it guaranteed that this mustard oil which is not adulterated. But in the market chance of adulteration is there as I am selling it by issuing a receipt thereof. I am accountable to the authority. On that ground alone I say that there are ample justification to go for this co-operative movement and to conclude Madam to promote economic and social betterment we should join hand to give boost to the co-operative movement. With these few words I again submit Madam that supplementary demand of grant may be reduced to Rs.100. Thank you.

**Madam Deputy Speaker :** Now, Mr. Ananta Deka, Hon'ble Member.

**শ্ৰীঅনন্ত ডেকা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই সমবায় বিভাগৰ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা ক'ব বিচাৰিছো। আমাৰ দেশত অৰ্থনীতিৰ উন্নয়নত সমবায় বিভাগৰ এটা অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত সমবায়ৰ যোগেদি ৰাজ্যসমূহ অৰ্থনৈতিক দিশত আমি আগবাঢ়ি যোৱা দেখিছোঁ। অসমখন অতি পিছপৰা আৰু দৰিদ্ৰ ৰাজ্য। এই গৰীব জনসাধাৰণক সমবায়ৰ যোগেদি তেওঁলোকৰ আশা কঢ়িয়াই আনিব পাৰি কিন্তু আমাৰ সমবায় খণ্ডই ৰাজ্যখনক উন্নয়নত আগবঢ়াই নিয়াৰ কাৰণে কোনো গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আমি দেখা নাই। সমবায় বিভাগটো সেই ফালৰ পৰা আমি অপৰিহাৰ্য্য বিভাগ বুলি ক'ব নোৱাৰা হৈছোঁ। সমবায় খণ্ডক আগবঢ়াই নিয়াৰ কাৰণে বিশেষকৈ আমাৰ গাওঁ অঞ্চলত সমবায়েই উচ্চ অনুষ্ঠান। সমবায় খণ্ডই ঋণদানত দেখুৱা ব্যৰ্থতাৰ কাৰণে গাঁৱৰ গৰীব জনসাধাৰণ সুদখোৰ মহাজনৰ গ্ৰাসত পৰি কক্‌বকাই আছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, সমবায় বিভাগটোৱে ঋণদান ক্ষেত্ৰতো এক উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। কিন্তু আমি দেখিছো যে আগৰ সেই পুৰণিকলীয়া পদ্ধতিৰে আমাৰ গাঁৱৰ গৰীব খেতিয়ক ৰাইজে

মহাজনৰ পৰা ঋণ ল'বলগা হৈছে। গাঁৱৰ গৰীৱ খেতিয়ক জনসাধাৰণক এই বিভাগটোৱে যি ধৰণে সহায় আগবঢ়াব লাগিছিল, সেই ধৰণে আগবঢ়াব পৰা নাই। যাৰ বাবে এই বিভাগটো আজি এটা নিষ্কৰ্মা বিভাগ হিচাপে চলি আছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে এই বিভাগটোক আগবঢ়াই নিয়াৰ বাবে যি ভূমিকা গ্ৰহণ কৰিব লাগিছিল, সেই ভূমিকা গ্ৰহণ কৰা আমি দেখা নাই। উপাধ্যক্ষা মহোদয়া, এই সমবায় বিভাগটো আজি দুৰ্নীতিৰে ভৰি পৰিছে। চাউল কেলেংকাৰী, চেনি কেলেংকাৰী ইত্যাদি। কিন্তু এই দুৰ্নীতি ৰোধ কৰাৰ বাবে বিভাগটোৰ কোনো ক্ষমতা নাই। এচেনচিয়েল কোমোডিটি আইন নথকা বাবে বিভাগটোৱে কাৰো ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। ইয়াৰোপৰি এই বিভাগটোত এডিচনেল আৰ.চি.এচ, জইণ্ট আৰ.চি.এচ আদি বহুতো পদ বছৰ বছৰ ধৰি খালী হৈ আছে। কিন্তু চৰকাৰে এই সমূহ পদ পূৰণ কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা আমি দেখিবলৈ পোৱা নাই। উপাধ্যক্ষা মহোদয়া, যোৱা বছৰ আমাৰ ৰাজ্যত সমবায় খণ্ডত থকা ভালেমান উদ্যোগ বন্ধ হৈ গ'ল বা বন্ধ হোৱাৰ উপক্ৰম হৈছে। এই উদ্যোগসমূহ পুৰ্নৰজীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেই ধৰণে ব্যৱস্থা গ্ৰহণ কৰা আমি দেখিবলৈ পোৱা নাই। আজি এন.চি.ডি.চিয়ে বিভিন্ন ৰাজ্যৰ সমবায় খণ্ডত থকা উদ্যোগ বিলাকৰ বাবে ঋণ আগবঢ়ায়। কিন্তু এই খণ্ডত বিভাগটোৱে যি ধৰণে ভূমিকা গ্ৰহণ কৰিব লাগিছিল সেই ধৰণে আগবাঢ়ি নোযোৱাৰ বাবে উপকৃত হ'ব পৰা নাই। অৱশ্য এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহোদয়ৰো কৰণীয় আছে। উপাধ্যক্ষা মহোদয়া, আজি আমাৰ ৰঙিয়াৰ তুলসীবাৰীত থকা বস্ত্ৰ উদ্যোগটো বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। এটা সময়ত এই উদ্যোগটোত উৎপাদিত হোৱা বস্ত্ৰ গোটেই ভাৰতবৰ্ষতে সমাদৰ পাইছিল। কিন্তু আজি এই উদ্যোগটো বৰ্তমানে কলঢোপ কলঢোপকৈ জীয়াই আছে। সমবায় খণ্ডত থকা আজি এই মিলটোৰ কি কাৰণে এই অৱস্থা? কাৰ ভুলৰ বাবে এই উদ্যোগটোৰ এই অৱস্থা? এই খণ্ডত এন.চি.ডি.চিয়ে অধ্যয়ন কৰি যিবিলাক পৰামৰ্শ আগবঢ়াইছিল সেই পৰামৰ্শ মানি লোৱা নহ'ল। সেইবাবে আজি এই সমবায়

খণ্ডত থকা মিলটোৰ এই অৱস্থা। আজি আমি দেখিছোঁ যে অন্যান্য ৰাজ্যত সমবায় খণ্ডত থকা উদ্যোগসমূহ পুৰ্নৰজীৱিত কৰাৰ বাবে ভেট আদিৰ পৰাও চৰকাৰে ৰেহাই দিছে। এই উদ্যোগসমূহত আমাৰ শ শ কৰ্মচাৰী জড়িত হৈ আছে। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সমবায় খণ্ডৰ এই উদ্যোগসমূহ পুৰ্নৰজীৱিত কৰাৰ বাবে ইলেকট্ৰিচিটি বিল আদিৰ দেনা পুনৰ জীৱনৰ সময়ছোৱাত স্থগিত ৰাখি হ'লেও এই উদ্যোগসমূহক মৃত্যুমুখৰ পৰা বচাব পাৰে।

কিন্তু ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কোনো ভূমিকা গ্ৰহণ কৰা আমি দেখিবলৈ পোৱা নাই।

উপাধ্যক্ষা মহোদয়া, মই শেষত আৰু এটা কথা ক'বলৈ বিচাৰিছো। আমাৰ ৰাজ্যত যিটো এপেক্স বেংক আছে, সেইটো আমাৰ বাবে এটা আপুৰুগীয়া সম্পদ। কিন্তু আজি এই বেংকটোৰ পৰিচালক মণ্ডলীয়ে জালিয়াতিৰ আশ্ৰয় লৈছে। বেলেন্স-চিট দাখিলৰ ক্ষেত্ৰত এই বেংকটোৱে সম্পূৰ্ণ জালিয়াতিৰ আশ্ৰয় লৈছে। এখন বেলেন্স-চিটত লাভ দেখুওৱা হৈছে আৰু আনখন বেলেন্স-চিটত লোকচান দেখুওৱা হৈছে। দুখন বেলেন্স-চিট দাখিল কৰা হৈছে। আয়ৰ ক্ষেত্ৰত ভুলকৈ তথ্য দিয়া হৈছে। ব্যয়ৰ ক্ষেত্ৰতো ভুল তথ্য দিয়া হৈছে। ইয়াৰোপৰি গ্ৰেচুইটিৰ ক্ষেত্ৰতো বহু বৈষম্য হৈছে। গ্ৰেচুইটি যিমান দেখুৱাব লাগিছিল সিমান দেখুওৱা হোৱা নাই। সেয়েহে মই চৰকাৰক বেলেন্স-চিটৰ জালিয়াতি সম্পৰ্কে তদন্ত কৰাৰ বাবে দাবী জনাই আৰু কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলোঁ।

* **শ্ৰীনুৰুল হুছেইন ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সমবায় বিভাগৰ ওপৰত অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত ক'ব বিচাৰিছোঁ। সমবায় বিভাগ সম্পৰ্কত কওঁ যে এটা সময়ত সমবায় বিভাগটো এটা আন্দোলনত পৰিণত হৈছিল। এটা সময়ত এই বিভাগো উৎপাদনকাৰী বিভাগলৈ ৰূপান্তৰিত হৈছিল। কিন্তু

* Speech not corrected

ইয়াৰ সলনি আজি বিতৰণতহে গুৰুত্ব দিছে। উৎপাদন অবিহনে বিতৰণত গুৰুত্ব দিলে সমাজৰ কোনো লাভ নহ'ব। আজি উৎপাদন কিয় হোৱা নাই? উৎপাদন কৰিবলৈ ধনৰ প্ৰয়োজন। কিন্তু আজি কৃষকৰ ধনৰ অভাৱ। আমাৰ বেংক বিলাক হৈছে ধনৰ উৎস। এটা সময়ত বেংকে কৃষক ৰাইজক সহায় কৰিছিল। যাৰ ফলত উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছিল। এই সমবায় আন্দোলনটো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত প্ৰয়াত পি.এন.চৌধুৰী, শৰৎ চন্দ্ৰ সিংহ আৰু শশধৰ দাসৰ যথেষ্ট অৰিহণা আছিল। ১৯৯০ চনৰ পৰা এই সমবায় বিভাগটো ডিটৰিয়েট কৰিছে। ইয়াৰ মূল কাৰণ হৈছে ৰাজনৈতিক হস্তক্ষেপ। ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে উৎপাদনত আগবাঢ়িব পৰা নাই। এটা সময়ত গুজৰাটত পানী নোহোৱা হৈছিল। এটা পৰিয়ালে গাইগুটীয়াকৈ ৩০০-৪০০ ফুট তলৰ পৰা পানী উলিয়াব নোৱাৰে। সমবায় ভিত্তিত কৰি সফল হ'ব পাৰিছিল। সমবায়ৰ জৰিয়তে গুজৰাটত এতিয়া পানীৰ সলনি গাখীৰ উৎপাদন হৈছে। গুজৰাটে যদি পানীৰ সলনি গাখীৰ উৎপাদন কৰিব পাৰে, তেতিয়াহ'লে আমাৰ অসমত কিয় নোৱাৰিব? আমাৰ অসমত আমি ধান উৎপাদন কৰিব কিয় নোৱাৰিম? এটা সময়ত আমাৰ ইয়াত ধানৰ উৎপাদন চাৰপ্লাচ হৈছিল। কিন্তু সেই ধান বিক্ৰীৰ কাৰণে বজাৰ নাই। এফ.চি.আইও ধান ক্ৰয় কৰাৰ কাৰণে আগবাঢ়ি নাহে। আনহাতে বেংকেও যেনেকৈ সহায় কৰিব লাগে তেনেকৈ নকৰে। এচকাৰ্ড বেংকে ঋণ দিছিল। কিন্তু সৰহভাগ ঋণ লৈছিল ডাঙৰ ডাঙৰ নেতাই। আনহাতে এই ঋণ ঘূৰায়ো দিয়া নাই। এইবিলাক অকল ৰাজনৈতিক হস্তক্ষেপৰ কাৰণে হ'বলৈ পাইছে। নাবাৰ্ডৰ পৰাও ধন লোৱা হৈছিল। সমবায় বিভাগটো আমোলা বিষয়া সকলৰ কাৰণেই ধ্বংস হ'ল। আগতে যদি সমবায় বিভাগটোৱে উৎপাদন কৰিব পাৰিছিল, এতিয়া কিয় উৎপাদন কৰিব নোৱাৰে? উৎপাদন কৰাৰ কাৰণে চৰকাৰে ব্যৱস্থা লওঁক। নিৰ্বাচনৰ ৰাজনৈতিক হস্তক্ষেপ বন্ধ কৰক। সমবায়ত যদি ৰাজনীতি নাইকিয়া কৰে তেতিয়াহ'লে সমবায় বিভাগটোৱে আকৌ ঠন ধৰি উঠিব। সমবায় বিভাগটো আগবঢ়াই নিয়াৰ

ক্ষেত্ৰত গাওঁপঞ্চায়ত সমূহৰো দায়িত্ব আছে। লগতে বেংকসমূহেও সহায় কৰিলে সমবায়ৰ জৰিয়তে নিশ্চয় উৎপাদন কৰিব পৰা যাব। শিৱসাগৰৰ কো-অপাৰেটিভ বেংকৰ এটা শাখা মাজুলীত আছে। সেই শাখাটোৰ জৰিয়তে ঋণ লৈ যদি খেতিয়কে উৎপাদন কৰিব পাৰে তেতিয়াহ'লে আন ঠাইৰ মানুহে নোৱাৰিব কিয়? এচকাৰ্ড বেংকৰ জৰিয়তেও ঋণ দিয়া হয়। কিন্তু তাত বেছিভাগ ৰাজনৈতিক নেতা জড়িত হৈ আছে। মই এতিয়া নাম ক'ব খোজা নাই। তেওঁলোকে কোটি-কোটি টকা ঋণ লৈ ঘূৰাই দিয়া নাই। দৰমহা কৰ্ত্তন কৰি নাবাৰ্ডৰ টকা ঘূৰাই দিবলগীয়া হৈছে। সমবায় যাতে উদ্যোগ হিচাবে গঢ় লৈ উঠে তাৰ কাৰণে সেই ক্ষেত্ৰত প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ সিংহ ডাঙৰীয়া আৰু প্ৰভাত নাৰায়ণ চৌধুৰীৰ আদিৰ দৰে নেতাই চেষ্টা কৰিছিল আৰু ই উদ্যোগত পৰিণত হৈছিল। কিন্তু আজি ই মৃত অৱস্থাত পৰিণত হৈছে। এতিয়া ১৬ কোটি টকা ডেফিচিট আছে। পিচত ই গৈ সুতে-মূলে ২৬ কোটি হ'বগৈ। যাৰ ফলত বন্ধ হৈ যাব। আমাৰ দিনত চেনী কলত ৫৪ কুইণ্টল চেনী উৎপাদন হৈছিল। এতিয়া কিয় চেনী কল বন্ধ হ'বলগীয়া হৈছে? সেই কাৰণে কৈছো অসমত চেনী কল হ'ব। সংশোধনীৰ ব্যৱস্থা কৰিব লাগিব। চেনী কলবিলাক কেন্দ্ৰৰ অধীনত। আমাৰ ইয়াত চেনী উৎপাদনহে কৰিব পাৰে, বিক্ৰী কৰিব নোৱাৰে। চাৰি মাহ জুৰি চেনী পৰি থাকে, ফলত বহুতো লোকচান হয়। গতিকে বিক্ৰীৰ ব্যৱস্থাটো যদি ৰাজ্য চৰকাৰৰ অধীনলৈ আনিব পাৰি তেতিয়াহ'লে লাভৱান হ'ব। কামপুৰৰ চুগাৰ মিল চৰকাৰী অৱহেলাৰ কাৰণে বন্ধ হৈছে। সেই কাৰণে চৰকাৰক পৰামৰ্শ দিছো যে চেনী উৎপাদনৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ পৰা ৰাজ্য চৰকাৰৰ অধীনলৈ আনক। কিয়নো চেনী বিক্ৰী কৰিব নোৱাৰাৰ ফলত আমাৰ বহুতো লোকচান হৈছে। আনহাতে বেংকবিলাকৰ ঋণো পৰিশোধ কৰিব নোৱাৰা কাৰণে বেংকৰ অৱস্থা শোচনীয় হৈছে। কৃষকেও উৎপাদন ভাল নহ'লে ঋণ ঘূৰাই দিয়াত অসুবিধা হয় আৰু ডাঙৰ ডাঙৰ ব্যৱসায়ীয়েও ঋণ ঘূৰাই নিদিয়ে। বেংক জড়িত নহ'লে সমবায় আন্দোলন কোনোপধ্যে সফল হ'ব নোৱাৰে। চাকৰিয়ালৰ সংখ্যাও কমিছে। সেই কাৰণেও

উৎপাদনত আগবাঢ়িব পৰা নাই। কৰ্মচাৰী নিযুক্তিৰ ব্যৱস্থাও কৰিব লাগে। এইখিনি কৈয়ে কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* **শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সমবায় বিভাগৰ দৰমহা শিতানত যি টকা দিবলৈ বিচৰা হৈছে, সেই সম্পৰ্কত আমি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছোঁ। টকা দিব বিচৰা হৈছে কিন্তু সেই বিভাগটোৰ কাম-কাজ আৰু ইয়াৰ গুৰুত্ব আজিৰ দিনত নাই। ইমানখিনি ধন কিয় দিব বিচৰা হৈছে তাৰ প্ৰয়োজনীয়তা আমি বিচাৰি পোৱা নাই। অসমৰ সকলো স্তৰতে সমবায় সমূহৰ সাংঘাতিক ধৰণেৰে শোচনীয় অৱস্থা হৈছে। এপ'লৰ অৱস্থা আজি জৰাজীৰ্ণ, কুশল কোঁৱৰৰ অৱস্থাও একেই। কেৱল ৰঙিয়াৰ এপ'ল আৰু দেৰগাৱঁৰ চেনী কলেহে সুনাম কঢ়িয়াই আনিছে। উৎপাদিত সামগ্ৰী অকল অসমতে নহয় বাহিৰলৈও পঠাব পাৰিছে। সমবায় বিভাগত ইমান বিলাক আইন-কানুন থকাৰ উপৰিও চৰকাৰী হস্তক্ষেপ হয়, যাৰ কাৰণে সমবায় সমিতি সমূহৰ এনে অৱস্থা হৈছে। ১৯৭২ চনতে ৰাজ্যখনৰ চাৰিওফালে গাওঁ পঞ্চায়তৰ জৰিয়তে বেছি ব্যাপকভাবে সমবায় সমিতি সমূহ গঢ়ি উঠিছিল। পাব্লিক ডিষ্ট্ৰিবিউশ্যনটো সমবায় সমূহক দিয়া হৈছিল, যদিও ৰাজনৈতিক হস্তক্ষেপৰ এই ব্যৱস্থা ভাঙি পৰিছে। গতিকে দেখা যায় যে বিভিন্ন হস্তক্ষেপৰ কাৰণে গোটেই ব্যৱস্থাটো ভাঙি পৰিছে। তাক গঢ়ি তুলিবৰ কাৰণে কোনো এটা নতুন ব্যৱস্থা ৰাষ্ট্ৰীয় পৰ্য্যায়ত আৰম্ভ কৰিছে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰক সভাপতি হিচাপে লৈ এখন নতুন কমিটি গঠন কৰিছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ, উৰিষ্যা, চিকিম আদি ৰাজ্যসমূহে নিজৰ নিজৰ ৰাজ্যসমূহত এক ব্যাপক ব্যৱস্থা গঢ়ি তুলিছে। অসমৰ সমবায় আন্দোলন চৰকাৰী হস্তক্ষেপৰ কাৰণে বিপৰ্য্যস্ত হ'ল। দিছপুৰৰ গাতে লাগি থকা নিভাজ মিঠাতেলৰ উদ্যোগ এটা আছে। চৰকাৰৰ ফালৰ পৰা ১০ হাজাৰ টকা এই উদ্যোগটোক দিছিল, কিন্তু সেই ১০ হাজাৰ টকা বোৰ্ড

* Speech not corrected

অব ডাইৰেক্টৰে ঘূৰাই দিলে। নিভাজ তেলে পূব গুৱাহাটীৰ ৩৩ খন দোকানত যোগান ধৰিছিল। নিভাজ তেলৰ ঠাই অনুপম তেলে দখল কৰিছিল। কিন্তু এতিয়া নিভাজ তেলৰ অৱস্থা ভাল হৈছে। তেওঁলোকে ৰাজস্থানৰ পৰা সৰিয়হ আনে আৰু গুৱাহাটীত পেকেটিং কৰে। এতিয়া নিভাজ তেলে অনুপমৰ লগত বজাৰত ফেৰ মাৰিব পৰা হৈছে। সমগ্ৰ দেশতে এটা পৰিবৰ্ত্তন আনিবলৈ আন্দোলন গঢ়ি উঠিছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, এই কৰ্ত্তন প্ৰস্তাৱত মই চৰকাৰক অনুৰোধ জনাইছোঁ যাতে চৰকাৰে এই ক্ষেত্ৰত মনোযোগ দিয়ক। এনে এটা পৰিস্থিতিৰ মোকাবিলা কৰিবৰ কাৰণে আনি সকলোৱে সৰ্বাধিক গুৰুত্ব দিব লাগে যাতে পুনৰ সমবায় সমুহক অধিক শক্তিশালী কৰি তুলিব পৰা যায়। আমি এৰি থৈ অহা দিনবোৰৰ কথা ভাবিব লাগিব যে কি কাৰণত এনে অৱস্থা হ'বলৈ পাইছে। মইও এখন সমবায়ৰ সভাপতি। তেজপুৰৰ সমবায়িকাই যথেষ্ট কাম কৰিছে। সমবায় বিলাকক সহায় কৰিবৰ কাৰণে এচকাৰ্ড বেংক আছে। কিন্তু এই বেংকটোৰ অৱস্থা অতি শোচনীয়। এপেক্স বেংক আমাৰ এটা জাতীয় বেংক। এই বেংকৰ যোগেদি চৰকাৰে ঋণ দিয়ে। কিন্তু সেই ঋণ ঘূৰাই নোপোৱাৰ কাৰণে বেংকটোৰ অৱস্থা বেয়া হৈছে। আত্মসমৰ্পণ কৰা বিদ্ৰোহী সকলকো এই বেংকটোৰ দ্বাৰাই ঋণ দিছিল। কিন্তু সেই ঋণ সুতে-মূলে বহুতে ঘূৰাব পৰা নাই বুলি কৈছে। অৱশ্যে কিছুমানে ঘূৰাইছে বুলিও জানিব পাৰিছোঁ। অসমৰ ৰাইজে বেংক বুলিলে এই এপেক্স বেংকটোকে জানে। চৰকাৰী ধনো চৰকাৰে ৰাষ্ট্ৰীয়কৃত বেংকতহে থয়, এই বেংকটোত নথয়।

আজি চৰকাৰে ৰাষ্ট্ৰীয় বেংক বিলাকক যিমান লাভৱান কৰিছে তাৰ সলনি এপেক্স বেংকক পেট্ৰনাইজ কৰা হ'লে আমাৰ দেশৰ গৰীৱ কৃষকসকল আৰু বেছি উপকৃত হ'লহেতেন। সমবায় খণ্ডৰ যিবিলাক অনুষ্ঠান সেই অনুষ্ঠান বিলাকক আজি বেছি গুৰুত্ব দিয়া নাই। অন্ধ্ৰপ্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, চিকিম- এইবিলাক ৰাজ্যই সমবায় ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ

লৈছে। নাবার্ডে ৰেড্ডীৰ নেতৃত্বত ৰাজ্য সমূহত এটা ভাল প্ৰভাৱ বিস্তাৰ কৰিছে।

আমাৰ ৰাজ্যখনত ৰাজহুৱা বিতৰণ ব্যৱস্থা ঠিকমতে পৰিচালিত হোৱা নাই। ব্যক্তিগত ব্যৱসায়ী সকলে চাউল, দালি, তেল আদি কিনি লৈ গৈ বজাৰত বিক্ৰী কৰে। ইয়াৰ মূলতে হৈছে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যিবিলাক সস্থা তেওঁলোকৰ পুঁজিৰ অভাৱ। আমি এতিয়া বজাৰত কেৰাচিন তেল নাপাওঁ, কিন্তু বজাৰত কেৰাচিত তেল অধিক মূল্যত আজিও কিনিব পাৰে। গতিকে ৰাজহুৱা বিতৰণ ব্যৱস্থাটো স্বাৱলম্বী কৰি তুলিব লাগে। ইয়াৰ কাৰণে আমি আকৌ সমবায় আন্দোলনক অধিক শক্তিশালী কৰি তুলিব লাগিব। আমাৰ নিজাববীয়া যিবিলাক বেংক আছে, সেই বেংকসমূহক আমি সাহায্য আৰু বেছি কৰিব লাগে। আমাৰ যিবিলাক অধিক টকা লেনদেনৰ বিভাগ - স্বাস্থ্য, ডি.আৰ.ডি.এ, সৰ্বশিক্ষা ইত্যাদি বিভাগবিলাকক এপেক্স বেংকৰ যোগেদি লেনদেন কৰাব লাগে। ইয়াৰ কাৰণে দৰকাৰ হ'লে আন্তঃগাঁঠনি বদলি কৰি দিয়ক। আজি ষ্টেটফেডখনৰ মৃতপ্ৰায় অৱস্থা। এইটো কি কাৰণে হ'ল? এটা সময়ত ষ্টেটফেডক বিভিন্ন এজেন্সী যেনে- এল.আই.চি আদিৰ দ্বাৰা ঋণ দি তেওঁলোকক ভাৰাক্ৰান্ত কৰিছে যাৰ কাৰণে এই ষ্টেটফেডক আজি জীয়াই তোলা টান হৈছে। তথাপিও চৰকাৰে এই সমবায় খণ্ডৰ অনুষ্ঠানটোক পোষকতা কৰা দৰ্কাৰ। ইয়াৰ লগে লগে এপলো, চেনীকল আদি যিবিলাক সমবায় খণ্ডৰ অনুষ্ঠান - সেই অনুষ্ঠানবিলাকক জীয়াই তুলিবৰ কাৰণে চৰকাৰে চেষ্টা কৰা উচিত।

এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি সমবায় বিভাগৰ বিষয়ে কেইটামান কথা ক'ব বিচাৰিছোঁ। সমবায়ৰ ক্ষেত্ৰত আলোচনা কৰাৰ কাৰণে এই কৰ্ত্তন প্ৰস্তাৱটো অনা হৈছে।

* Speech not corrected

মই লক্ষ্য কৰিছো যে চৰকাৰে সমবায় খণ্ডত যি ধৰণে গুৰুত্ব দিব লাগিছিল সেই ধৰণে দিয়া নাই। আজি গোটেই বিশ্বলৈ চাওক সমবায় খণ্ডই অৰ্থনীতিত যি বিশেষ ভূমিকা গ্ৰহণ কৰিছে। বিশ্বলৈ নাচায় যদি আমি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈ চাওঁ গুজৰাট, মহাৰাষ্ট্ৰ, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যই সমবায় খণ্ডত গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ অৰ্থনৈতিক ব্যৱস্থা টনকিয়াল কৰিছে। দুখীয়া মানুহক, নিৰীহ মানুহক উপকৃত কৰিবলৈ পৰিকল্পনা কৰাত আমাৰ অসম ব্যৰ্থ হৈছে। এই সমবায় খণ্ডত সেই সময়ৰ মুখ্যমন্ত্ৰী শঁৰৎ চন্দ্ৰ সিংহ, বিধায়ক প্ৰভাত নাৰায়ণ চৌধুৰী আজি আমাৰ মাজত নাই, যদিও তেওঁলোকৰ যিটো উদেশ্য আছিল তাক আমি আজিও বাস্তৱত ৰূপায়িত কৰিব পৰা নাই। সমবায় খণ্ডক আন্দোলন হিচাবে গঢ়ি তোলাত চৰকাৰ ব্যৰ্থ হৈছে। এই সমবায় খণ্ডত অসম ৰাজ্যিক সমবায় সংঘ, তেওঁলোকৰ জৰিয়তে এই সমবায় আন্দোলনক গঢ় দিয়াত ব্যৰ্থ হৈছে। ৰাজ্যিক সমবায় সংঘক বছৰি ৫০ লাখ টকা - কেতিয়াবা ৩৫ লাখ টকা দিয়ে। এই টকাখিনি এই অনুষ্ঠানৰ অধীনত কাম কৰা মানুহখিনিক দৰ্মহা দিওঁতে শেষ হৈ যায়। গতিকে তেওঁলোকে ভৱিষ্যত পৰিকল্পনা লোৱাত ব্যৰ্থ হয়। ৰাজ্যখনত থকা ৰাজহুৱা বিতৰণ ব্যৱস্থাটোক দৰিদ্ৰ লোকৰ উপকাৰৰ কাৰণে কৰা হৈছিল। তেওঁলোক ইয়াৰ দ্বাৰা আজিও উপকৃত হোৱা নাই।

উপাধ্যক্ষা মহোদয়া, পি.ডি.এচ চিষ্টেমটো দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকসকলৰ উপকাৰৰ কাৰণে। কিন্তু আমি ইয়াৰ যিখন প্ৰতিচ্ছবি দেখিবলৈ পাইছো, ইয়াৰ দ্বাৰা দৰিদ্ৰ সীমাৰেখাৰ তলত থকা লোকসকল উপকৃত হোৱা নাই। আমাৰ সমবায় সমিতি বিলাকৰ পুঁজিৰ অৱস্থা ভাল নোহোৱাৰ কাৰণে সেই সমবায় সমিতি সমূহে কিছুমান বস্তুৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। সমবায় সমিতি বিলাকে এফ.চি.আই গুডামৰ পৰা বস্তু উঠাব লাগে, কিন্তু পুঁজিৰ অভাৱৰ বাবে সমিতি সমূহে এচাম মধ্যভোগী লোকক বস্তু উঠাবৰ বাবে দিয়ে। এই মধ্যভোগীসকলে এই বস্তুসমূহ চোৰাং বজাৰত বিক্ৰী কৰে। ফলত দৰিদ্ৰ সীমাৰেখাৰ লোক সকল পি.ডি.এচ ব্যৱস্থাৰ

সা-সুবিধাৰ পৰা বঞ্চিত হ'বলগা হয়। কেৰাচিন তেলৰ ক্ষেত্ৰতো সমবায় সমিতি বিলাকে পুঁজিৰ অভাৱত পেট্ৰোল পাম্পৰ পৰা তেল উঠাব নোৱাৰে। ফলত মধ্যভোগী লোকে সেই তেলখিনি উঠাই চোৰাং বজাৰত বিক্ৰী কৰে। শিৱসাগৰ জিলাত থকা প্ৰায় ৯খন মান সমবায় সমিতিৰ অৱস্থা তেনেকুৱাই। পুঁজিৰ অভাৱত তেওঁলোকে বস্তু উঠাব নোৱাৰাৰ বাবে তাৰ দুখীয়া মানুহখিনিয়ে, এ.পি.এল, বি.পি.এল, চাউল, কেৰাচিন আদি পোৱা নাই। সেইদৰে সমবায় আন্দোলন নোহোৱাৰ বাবে আমাৰ যি কেইটা সমবায় ভিত্তিক উদ্যোগ আছিল, যেনে— দেৰগাঁৱৰ সমবায় চেনী কল, শিলঘাটৰ মৰাপাট কল, নাথকুছিৰ সূতাকল, এই আটাইকেইটা কলৰ মৃত প্ৰায় অৱস্থা। ইয়াৰ কাৰণ কি আমি পৰ্য্যালোচনা কৰা দৰকাৰ। এই উদ্যোগ কেইটা মৃতপ্ৰায় হোৱাৰ প্ৰধান কাৰণ হ'ল— ৰাজনৈতিক হস্তক্ষেপ, মিচ-মেনেজমেণ্ট। আমাৰ ৰাজ্যখনত কাপোৰ উৎপাদনৰ বাবে যিমান সূতাৰ প্ৰয়োজন সেইটো হিচাপ কৰি চালে দেখা যাব যে, আমাৰ ৰাজ্যখনত দুটা সূতাকল চলাই ৰাখিব পাৰি। আমাৰ যিটো এপ'ল উদ্যোগ আছিল, সেইটো কৰ্ণেল উমা শৰ্মা থকালৈকে ঠিকেই আছিল। উমা শৰ্মা যোৱাৰ পিচৰ পৰা সেই উদ্যোগটোৰ মৃতপ্ৰায় অৱস্থা হ'ল। ৰাজনৈতিক হস্তক্ষেপ আৰু মিচ-মেনেজমেণ্টৰ বাবে এই উদ্যোগটো মৃত হ'ল। এজন মানুহে ইমান ভালকৈ চলাই থকা উদ্যোগ এটা এখন চৰকাৰে চলাব নোৱাৰাৰ কাৰণ কি? এই কথাটো চিন্তা কৰি চোৱাৰ প্ৰয়োজন আছে। ঠিক তেনেদৰে এচকাৰ্ড বেংকৰ অৱস্থা কি হ'ল? এই বেংকটো দুখীয়া মানুহ, কৃষিজীৱি মানুহক ঋণ দিয়াৰ কাৰণে স্থাপন কৰা হৈছিল। কিন্তু এই বেংকৰ পৰা ধনী মানুহক ঘৰ বনাবৰ বাবে, গাড়ী কিনিবৰ বাবে ঋণ দিবলৈ আৰম্ভ কৰিলে, দুখীয়া কৃষিজীৱি মানুহে ইয়াৰ সুবিধাৰ পৰা বঞ্চিত হ'ল। শেষত বেংকটো মৃতপ্ৰায় অৱস্থা হ'ল। গতিকে আমি অসম সমবায় সংঘক পুনৰজীৱিত কৰিব লাগিব। আমাৰ ৰাজ্যখনত এটা সমবায় আন্দোলন গঢ়ি তুলিব লাগিব। ভাৰতবৰ্ষৰ আন ৰাজ্যবিলাকে এন.চি.ডি.চিৰ জৰিয়তে পুঁজি সংগ্ৰহ কৰি আছে। আমাৰ চৰকাৰেও এন.চি.ডি.চিৰ জৰিয়তে পুঁজি অনাৰ ব্যৱস্থা কৰিব লাগে। আৰু

অসম সমবায় সংঘৰ যিখন এক্ট আছিল, সেই এক্টখন ১৯৪৯ চনতে কৰা। এই আইনখন চৰকাৰে সংশোধন কৰাৰ কাৰণে যি ব্যৱস্থা লৈছে, তাৰ বাবে আমি ভাল পাইছো। এই আইনখন সংশোধন হ'লে অসম সমবায় সংঘৰ উন্নয়নৰ বাবে আমি সক্ষম হ'ম। আমাৰ সমবায় ব্যৱস্থাটো ভাল অৱস্থালৈ আনিব পৰা যাব। মই আৰু বিশেষ নকওঁ - আজি যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন হৈছে, এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**শ্ৰীঅকণ বৰা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সমবায় বিভাগৰ ওপৰত বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে, তাৰ সম্পৰ্কত মই দুটামান উদাহৰণ দিব বিচাৰিছোঁ। আজি সমবায় সমিতি বিলাকৰ যি এটা অৱস্থা তাৰ বাবে এটা বিশেষ সময়ৰ পৰা বিশ্লেষণ কৰিব লাগিব। বিশেষকৈ ১৯৮৫ চন আৰু ১৯৯৬ চনত অগপ চৰকাৰৰ শাসন কালছোৱাত ভালদৰে পৰ্য্যালোচনা কৰিলে ওলাই পৰিব। সমবায় খণ্ডত এনে এটা প্ৰতিষ্ঠান আছিল 'ষ্টেটফেড'। ১৯৮৫ চনৰ আগতে ষ্টেটফেডৰ অৱস্থা এনেকুৱা আছিল যে সেই সময়ত মানুহে মন্ত্ৰীৰ পৰিৱৰ্তে ষ্টেটফেডৰ চেয়াৰমেনৰ পদহে বিচাৰিছিল। গোটেই ৰাজ্যখনতে ষ্টেটফেডৰ চেণ্টাৰ বিলাকত মানুহৰ ভিৰ। সেই সময়ত বনস্পতি, তৃপ্তিৰ বজাৰ বৰ ভাল আছিল। ৮৫' চনৰ পিচত ইমান ৰাজনৈতিক হস্তক্ষেপ হ'ল যে অতিমাত্ৰা কৰ্মচাৰী নিযুক্তি দিবলৈ ল'লে। তাৰ পিচত ষ্টেটফেডৰ অৱস্থা বেয়ালৈ আহিল। ৮৫' চনত ৪০০ আৰু ৯৬ চনত প্ৰায় ২০০ নিযুক্তি, অতিৰিক্তভাৱে যি নিযুক্তি দিলে ষ্টেটফেডে তাৰ বোজা বহন কৰিব নোৱাৰা হ'ল। মেৰুদণ্ড ভাঙি গ'ল। ঠিক তেনেদৰে অসম কো-অপাৰেটিভ এপেক্স বেংকৰ অৱস্থা ১৯৯৫ চনলৈকে বৰ ভাল আছিল। সেই সময়ত বহু হাজাৰ কোটি টকা ডিপ'জিট হৈছিল। তাৰ পিচত এপেক্স বেংকলৈ চৰকাৰী অনুদান বন্ধ হ'ল। মাত্ৰাধিক নিযুক্তি, ৰাজনৈতিক হস্তক্ষেপ হ'বলৈ ল'লে অগপ চৰকাৰৰ দিনত। ফলত বেংকৰ অৱস্থা লাহে লাহে বেয়াৰ ফাললৈ গতি কৰিলে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, গতিকে আমাৰ মূলতে অতিমাত্ৰা

এম্পইমেণ্ট, বার্ডেন দিয়া কাৰণে এনেকুৱা হ'ল। ১৯৮৫ চনৰ পৰা ১৯৯৬ চনলৈকে যিমান এম্পইমেণ্ট হ'ল তাৰ তুলনাত ১৯৯৬ চনৰ পৰা ২০০০ চনলৈকে আৰু ২০০১ চনৰ পৰা ২০০৫ চনলৈকে কোনো এম্পইমেণ্ট হোৱা নাই কংগ্ৰেছ চৰকাৰৰ দিনত। গতিকে আগৰ বাৰ্ডেন কমাবৰ কাৰণে কৰ্মচাৰীসকলক বাধ্যতামূলক অৱসৰ ল'বলৈ বাধ্য কৰালে। অৱসৰ ল'বৰ সময়ত এক্সগ্ৰেচিয়াৰ আৰু পাবলগীয়া অন্যান্য টকা আদি দি তেওঁলোকক বিদায় দিবলগীয়া হৈছে। তেওঁলোক এতিয়া সন্তুষ্ট।

মাননীয়া উপাধ্যক্ষা মহোদয়া, চেনীকল আৰু সূতা কলত অধিক এম্পইমেণ্ট হোৱা কাৰণে এনে অভাৱনীয় অৱস্থা হ'ল। আমাৰ বিৰোধী পক্ষই যিটো কৰ্তন প্ৰস্তাৱ ইয়াত উত্থাপন কৰিছে তাত মই সন্তুষ্ট হ'ব নোৱাৰিলো। কো-অপাৰেটিভ চেক্টৰত কোনেও হস্তক্ষেপ কৰিব নালাগে। এইবোৰ উপলব্ধি নকৰাৰ কাৰণে সমস্যাৰ সন্মুখীন হৈছে। য'ত কো-অপাৰেটিভ কৰিছে তাতে চেক্টৰ বিচাৰিছে। এই কাৰণে কথাটো মই উত্থাপন কৰিছোঁ, কো-অপাৰেটিভ কৰিবলৈ যাওঁতে কো-অপাৰেটিভৰ অৱস্থা শোচনীয় হৈছে। তাৰে মেৰুদণ্ড সজীৱ কৰিবৰ কাৰণে চেষ্টা কৰিবলগীয়া হৈছে। আমাৰ চৰকাৰে যিটো ব্যৱস্থা লৈছে, এইটো ফলৱতী হ'ব বুলি আমি আশা কৰিছোঁ। গাওঁ পঞ্চায়তত দেখা পাইছো তাত কো-অপাৰেটিভ চেক্টৰ আছে। মোৰ সমষ্টিতো কো-অপাৰেটিভ ছ'চাইটি আছে। তাত টকা ডিপ'জিট কৰিবলৈ সক্ষম হৈছে। চৰকাৰে এই ক্ষেত্ৰত ভাল পদক্ষেপ লৈছে। মই আশা ৰাখিছোঁ, কিছুমান ৰাজহুৱা অনুষ্ঠানত - যিবোৰ অনুষ্ঠানত কোনোৱে হস্তক্ষেপ নকৰে সেইবোৰ অনুষ্ঠান ভালদৰে চলি থাকে। এই দুআষাৰ মন্তব্য আগবঢ়াই ইমানতে মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

* **শ্ৰীকেশৱ মহন্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই দুআষাৰ কথা ক'ব বিচাৰিছোঁ, মই এল.পি স্কুললৈ যোৱাৰ পৰাই মোৰ এখন সমবায়ৰ কথা মনত পৰে। সেই সমবায়খনৰ নাম হৈছে শলাগুৰি সমবায়। সেই সমবায়খন ভাৰতবৰ্ষৰ

---

* Speech not corrected

ভিতৰত ১ৰ পৰা ৪ নম্বৰত আছে। পিচপৰি থকা নাই। এষাৰ কথা আছে কণাৰ পিঠিত খোড়া যায়। কথা হৈছে সমবায়খন গঠন কৰা। পাচত অন্য এজনে চাব পাৰে। মোৰ মনত আছে শলাগুৰি সমবায় সমিতিখন গঠন কৰে শাসকীয় সদস্যই আৰু চলায় নিশকতীয়া সদস্যই। গতিকে সকলোৱে মিলি সমবায় সমিতিখন আগবঢ়াই নিবলৈ চেষ্টা কৰিব লাগে। কাৰ্য্যত পৰিণত কৰিব নোৱাৰিলে ফলৱতী হ'ব নোৱাৰে। সেইবুলি সমবায় সমিতিত ৰুলিং পাৰ্টি নাথাকিব নেকি? সমবায় সমিতি বিলাকত নিজৰ পছন্দমতে নিৰ্বাচন কৰিব নোৱাৰে। পছন্দমতে দিব নোৱাৰিলে চৰকাৰে এধকমতে চলাৰ ব্যৱস্থা কৰে। কলিয়াবৰ সমষ্টিত ছয়খন সমবায় সমিতি আছে। তাৰে দুখন আগবঢ়া। তেওঁলোকে ৰাষ্ট্ৰীয় পৰ্য্যায়ত পুৰস্কাৰ পাইছে। সেইকেইখন হৈছে শলাগুৰি আৰু দাৰ বাগৰি। যাৰ তেল ডিপু আৰু অন্যান্য ব্যৱসায় আছে। সেইকেইখনৰ নিৰ্বাচন নিয়মমতে হয়। তাত উপযুক্ত ব্যক্তিয়ে স্থান পায়। অসম কো-অপাৰেটিভ জোট মিল আছে। আমাৰ অসম গণ পৰিষদ, কংগ্ৰেছ চৰকাৰ থকা দিনত চেয়াৰমেন পলিটিকেলি দিয়া নাছিল। বৰঞ্চ কোনোবা এজন ৰিটায়াৰ হোৱা মানুহক দিয়া হৈছিল। কংগ্ৰেছ চৰকাৰৰ দিনত যি সকলক চেয়াৰমেন দিছে তেওঁলোকে কেতিয়াও হানি কৰা নাছিল। বৰঞ্চ তেওঁলোকৰ দিনত যথেষ্ট প্ৰফিট হৈছে। ইয়াত কেতিয়াও ৰাজনৈতিক হস্তক্ষেপ হোৱা নাই। সেইবিলাক সমবায় আগবাঢ়ি গৈছে। মাননীয় সদস্য অকণ বৰা ডাঙৰীয়াই কৈছে ষ্টেটফেডৰ কথা। ষ্টেটফেডৰ চেয়াৰমেন নিৰঞ্জন ঘোষ আছিল। তাৰ পিছত তেখেত বিত্ত বিভাগৰ দায়িত্বত আছিল। তাৰ পিচত এনে এটা অৱস্থা হ'ল, চৰকাৰ গঠন হোৱাৰ পিচত সেইজন বিষয়া তাত থাকিব নোৱাৰিলে। কেইজনমান বিষয়াৰ কাৰণে ষ্টেটফেড শেষ হৈছে। আমাৰ মাননীয় সদস্য অকণ বৰা ডাঙৰীয়াই কৈছে চৰকাৰে কাৰোবাক মন্ত্ৰী দিলেও মন্ত্ৰী পদ নলয়, ষ্টেটফেডৰ চেয়াৰমেনৰ পদতহে অধিষ্ঠিত হৈ থাকিব বিচাৰে। ষ্টেটফেড কো-অপাৰেটিভটো এটা লাভজনক ব্যৱসায়, তাত টকা আছে। সেই কাৰণে বিভিন্ন বিষয়াই গৈ ষ্টেটফেডটো ধ্বংস কৰি আছে।

(Hon'ble Deputy Speaker vacated the chair and Hon'ble Speaker occupied the Chair).

মাননীয় অধ্যক্ষ মহোদয়, ভুল পৰিচালনাৰ বাবেই আজি ষ্টেটফেড শেষ হৈ গ'ল। ভলেণ্টাৰী ৰিটায়াৰমেণ্ট দিও মানুহবিলাকক টকা-পইচা দিব পৰা নাই। এই সমবায় সমিতি, নিগম, নিকায় সমূহৰ প্ৰতি চৰকাৰৰ দায়িত্ব আছে। ওৱেৰ হাউচিং কৰ্পৰেচন, ফিছফেড আদি সকলো প্ৰতিষ্ঠান সফলভাৱে চলাৰ বাবে ব্যৱস্থা ল'ব লাগে। আজি ফিছফেডৰ কাৰণে টকা বিচাৰি অনুৰোধ আহিছে। এই সমবায় অনুষ্ঠান বিলাকত চৰকাৰৰ চেয়াৰ কেপিটেল থাকে। এই ক্ষেত্ৰত যিবোৰ চৰকাৰী কমিটমেণ্ট আছিল, সেইবোৰ পূৰণ কৰিব পৰা নাই। আজি এই অনুষ্ঠান বিলাক ভালভাৱে গঢ়ি উঠা নাই। প্ৰতিখন প্ৰদেশতেই নিগম, নিকায় বিলাকৰ এটা বিজনেচ আছে। আমাৰ অনুষ্ঠান বিলাকত যিবিলাক এম.ডি পঠায় তেওঁলোক কিমানদূৰ উপযুক্ত। যিসকল এ.চি.এচ বিষয়াক কোনোবা নিগম, নিকায়ৰ এম.ডি কৰি দিয়ে তেওঁলোকৰ বেক-গ্ৰাউণ্ড, কাৰিকৰী শিক্ষা আছে নে নাই তাক নোচোৱাকৈ কাৰোবাক বেয়া পালেই তালৈ পঠাই দিয়ে। এইবিলাকৰ কাৰণে আমাৰ নিগম, নিকায়বিলাক শেষ হৈ গৈছে। চৰকাৰে আজি নিৰ্দিষ্ট ব্যৱস্থা ল'ব লাগে। উপযুক্ত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। বিশেষ বিশেষ প্ৰশিক্ষণ থকা ব্যক্তিক নিগম-নিকায় বিলাকত নিযুক্তি দিব লাগে। এপেক্স বেংকৰ কথাকে চাওক। প্ৰথমেই মন্ত্ৰী হৈয়ে প্ৰতিশ্ৰুতি দিয়ে টকা-পইচা ৰাখিম বুলি। কিন্তু কাৰ্য্যত সেইটো নহয়। ষ্টেট বেংক বা অন্যান্য সৰ্বভাৰতীয় বেংক বিলাকৰ দৰে যথেষ্ট অভিজ্ঞতা থকা ব্যক্তিক আমাৰো নিযুক্তি দিব লাগে। এপেক্স বেংকত যাকে য'তে পাই তাকে নিযুক্তি দিয়ে। আই.এ.এচ, এ.চি.এচ বিষয়া সকলে বেংক চলাবলৈ যাওঁতে তেওঁলোকৰ এক্সট্ৰা কোৱালিফিকেচন থাকিব লাগে। কিন্তু এই বিষয়ত কোনো ক্ৰাইটেৰীয়া নাই। নিৰ্দিষ্ট অভিজ্ঞতা থকা ব্যক্তিক দিলেহে বেংক আগবাঢ়িব। সমবায় বিলাক আমাৰ তৃণমূল পৰ্য্যায়ৰ ৰাইজৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। গাওঁ পঞ্চায়ত বিলাকত প্ৰতিঘৰ মানুহেই সমবায়ৰ লগত জড়িত। এ.পি.এলৰ চাউল,

বি.পি.এলৰ চাউল প্ৰতিঘৰ মানুহে পায়। সমবায় বিলাকৰ উন্নতিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা কোনো ব্যৱস্থা লোৱা নাই। সমবায়ৰ সচিববিলাকৰ কথা চাব লাগে। কেডাৰ আছে, নন-কেডাৰ আছে। সেইবোৰত গুৰুত্ব দিয়া নাই। মধ্যভোগীৰ স্থান লৈছে, যিটো ডিষ্ট্ৰিবিউচন হ'ব লাগে সেইটো হোৱা নাই। চাপ্লাই ঠিকমতে দিব পৰা নাই। তেওঁলোকৰ পইচা নাই, আনৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে ৰাইজৰ সহায় কৰিব পৰা নাই। আজি ফিছফেডৰ ওপৰত দাবী মঞ্জুৰী অনা বাবে এই কথাখিনি ক'লো। আগতে এম.এল.এ হোষ্টেলৰ ওচৰে-পাজৰে সৰু সৰু ঘৰ বনাই দিছিল মাছ বিক্ৰীৰ কাৰণে। কিন্তু এতিয়া এইবোৰ নাই। আজি অন্ধ্ৰপ্ৰদেশত সমবায়ৰ যি উন্নতি হৈছে সেই লক্ষণ আমাৰ নাই। অথচ অসম প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। ইয়াত বহুতো খাল-ডোং আছে য'ত প্ৰাকৃতিকভাৱেই মাছ থাকে। মই বিশেষ ক'বলৈ নাযাওঁ। সমবায়ত জি.পি.এচ.এচত যথেষ্ট গুৰুত্ব দিব লাগে। অসমৰ প্ৰতিজন ব্যক্তি, প্ৰতিটো ঘৰেই সমবায়ৰ লগত জড়িত। গতিকে এই ক্ষেত্ৰত পৰিৱৰ্তন আনিব লাগিব। সমবায়, নিগম, নিকায়বোৰত যিটো অৱস্থা চলি আছে তাৰ আমূল পৰিৱৰ্তন লাগিব। নহ'লে সকলোতে ষ্টেটফেডৰ নিচিনা অৱস্থা হ'ব। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**মৌলানা আতাউর রহমান মাজারভুইঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমবায় বিভাগের উপর উত্থাপিত কর্ত্তন প্রস্তাবের উপর ইতিমধ্যে যথেষ্ট আলোচনা হয়েছে। আমি সংক্ষেপে এই বিষয়ের উপর আমার বক্তব্য তুলে ধরছি।

মহোদয়, আমার আগে যাঁরা এ প্রস্তাবের উপর আলোচনায় অংশগ্রহণ করেছেন তাঁরা প্রায় সকলেই এই বিভাগে রাজনৈতিক হস্তক্ষেপের কথা উল্লেখ করেছেন। এটা ঠিক যে বিভিন্ন সময়ে রাজনৈতিক হস্তক্ষেপ হওয়ার জন্য সমবায় ভিত্তিক যেসব প্রতিষ্ঠান রয়েছে সেগুলি আজ প্রায় ধ্বংসের মুখে। এই রাজনৈতিক হস্তক্ষেপ যতদিন বন্ধ হবে না ততদিন এইধরণের সমালোচনা চলতেই থাকবে।

মহোদয়, সমবায় বিভাগের মারফৎ গরীব জনসাধারণদেরে উপকৃত করার জন্য চাল, ডাল, চিনি, কেরোসিন প্রভৃতি বিতরণ করার ব্যবস্থা করা হচ্ছে ঠিকই, কিন্তু আজ তা গরীবদের হাতে না এসে ধনীদের কাছে পৌছে যাচ্ছে। গরীব জনসাধারণ নিত্য প্রয়োজনীয় জিনিষ পাওয়া থেকে বঞ্চিত হচ্ছে। আজ এই বিভাগ পাইপ লাইন সিস্টেমে চলছে বলে আমি মনে করি। মহোদয়, আমি একবার কাছাড় জেলায় কাটিগড়া সমষ্টির অত্যন্ত রিমোট এরিয়া নরপতি গ্রামে একটা পাইপ ওৱাটার সাপ্লাই স্কীম দেখতে গিয়েছিলাম। সেখানে দুইটি পাইপ দেখে ওখানকার কর্মরত লোককে জিজ্ঞাসা করেছিলাম যে দুইটি পাইপ কেন রাখা হয়েছে? তখন আমাকে উত্তর দিয়েছিল যে একটি পাইপ দিয়ে জল নদী থেকে আনা হয় এবং অপর পাইপ দিয়ে জল বের করে বিতরণ করা হয়। ঠিক সেই রকম আমরা লক্ষ্য করেছি যে সুন্দর সুন্দর স্কীম তৈরী করে কেন্দ্র থেকে যথেষ্ট টাকা আমরা আনছি। কিন্তু অন্যদিকে তা ঠিকভাবে কাজে না লাগিয়ে অন্যভাবে রাজনৈতিক নেতা ও সরকারী আমলাদের পকেটে চলে যাওয়ায় মৃতপ্রায় সমবায় প্রতিষ্ঠানগুলিকে আমাদের পক্ষে বাঁচানো সম্ভব হচ্ছে না। একটা সুন্দর উদ্দেশ্য নিয়ে এই সমবায় প্রতিষ্ঠানগুলো প্রতিষ্ঠা করা হয়েছিল। কিন্তু এই উদ্দেশ্য আজ বিফল হতে চলেছে। মহোদয়, আমাদের কাছার জেলায় ৫ মাসের বেশী কোন নিরপেক্ষ অথচ দক্ষ ডি.সি বা ভাল অফিসার টিকতে পারেন না। বিভিন্ন কারণ দেখিয়ে এইসব ভাল ভাল অফিসারদের বদলি করা হয়। প্রাথমিক স্কুলে রন্ধনশালা বানানোর জন্য টাকা মঞ্জুর করা হয়েছিল। খুব নিম্নমানের একটা ঘরের নমুনা বানিয়ে টাকা আত্মসাৎ করার কমপ্লেন পেয়ে ডি.সি মহোদয় হঠাৎ ইন্সপেক্‌শন করার খবর পেয়ে সেইসব ঘরের বাশের বেড়া ভেঙ্গে রাতারাতি পাকা ওয়াল করা হয়েছিল। এইসব দুর্নীতি বন্ধ করতে হলে এড্‌হক্‌ সিস্টেম বন্ধ করতে হবে এবং সরকারী সাহায্য যা পাওয়া যায় তা ভালভাবে কাজে লাগাতে হবে। সরকারী টাকা আণ্ডারগ্রাউণ্ড পাইপ দিয়ে অপচয় বন্ধ করতেই হবে। এটা করতে পারলে সমবায় আন্দোলন স্বার্থক হবে বলে আমি মনে করি। সুতরাং এই পাইপ

লাইন সিস্টেম পরিবর্তন করার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ করছি।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাপ্লিমেণ্টাৰী ডিমাণ্ডৰ ওপৰত আমাৰ মাননীয় সদস্য ডাঃ ৰুমী নাথ, শ্ৰীঅনন্ত ডেকা, শ্ৰীবৃন্দাবন গোস্বামী, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰীআতাউৰ ৰহমান মাঝাৰভূঞা, এইসকল মাননীয় সদস্যই ইয়াৰ ওপৰত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰিছে। তাৰ ওপৰত মই কেইটামান কথা ক'বলৈ ওলাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আমাৰ চাপ্লিমেণ্টাৰী ডিমাণ্ড আচলতে গোটেই বিভাগটোৰ ওপৰত আলোচনা হ'ব নোৱাৰে। নীতিৰ ওপৰত আলোচনা হ'ব নালাগে। চাপ্লিমেণ্টাৰী ডিমাণ্ড সমবায় বিভাগৰ দুটা। এটা হ'ল ফিছফেডৰ কাৰণে ১০০০ টকা আৰু দৰমহাৰ কাৰণে ১ কোটি ৬১ লাখ ২০,০০০ হাজাৰ টকা। চাপ্লিমেণ্টাৰী ডিমাণ্ডৰ পইচা সমবায় বিভাগত বিচৰাৰ কাৰণ হ'ল বাজেট পাচ কৰাৰ পিচত সমবায় বিভাগত ৭২ জন জুনিয়ৰ ইন্সপেক্টৰ নিযুক্তি হয়। তেওঁলোকৰ কাৰণে বাজেটত কোনো পইচা ধৰা নাই। সেই কাৰণে ৭২ জন কৰ্মচাৰীক এক্সেজ বাজেটৰ পৰা দৰমহা দিয়া হয়। ঠিক সেই ধৰণে বি.টি.এ.ডি এলেকাতো কিছুমান কৰ্মচাৰীৰ দৰমহা বাজেটৰ পৰা দিবলগা হৈছে। বি.টি.চিৰ পইচা সময়ত পোৱা নগৈছিল। ফিছফেডৰ কাৰণে যোৰহাটৰ কাকডোঙাত এলকেশ্যনৰ কাৰণে অতিৰিক্ত ১০০০ কোটি বিচৰা হৈছে। এইবাৰ চাকৰি নিযুক্তিৰ ক্ষেত্ৰত সমবায় বিভাগত ৰাজনৈতিক হস্তক্ষেপ একেবাৰে বন্ধ হৈ যাব। কৰ্পৰেশ্যন বিল-২০০৭ এইবাৰ সদনত পাচ কৰাৰ লগে লগে ৰাজনৈতিক হস্তক্ষেপ আঁতৰি যাব। এইবাৰ সমবায় বিভাগত চাৰিটা আমূল পৰিৱৰ্তন আহিব। No extension, no Adhoc Committee, no exemption, no political interference. নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্বাচন পাতিব লাগিব। এইটো এক্ট কৰা হৈছে। অসমত সমবায় অনুষ্ঠানে ১০০ বছৰ অতিক্ৰম কৰিলে। গাওঁ পঞ্চায়তৰ সমবায় সমিতি আছে। সেই সমবায় সমিতি সমূহক আকৌ এপেক্স বেংকে ঋণ দিছে। সৰ্বমুঠ ২০ কোটি টকা ঋণ দিছে। কো-

অপাৰেটিভ ছ'চাইটিসমূহে এপেক্স বেংকৰ ৩৬ কোটি টকা ঘূৰাই দিবলৈ বাকী আছে। তাৰ কাৰণে বহুত সমবায় সমিতি সমূহে এপেক্স বেংকৰ পৰা ঋণ ল'ব নোৱাৰে। আজি বহু বছৰ ধৰি এই বিষয়ে বিধান সভাৰ মজিয়াত আলোচনা চলি আছে। কিন্তু আমাৰ চৰকাৰে এই পঞ্চায়ত সমবায় সমিতি সমূহক ঋণমুক্ত কৰিবৰ কাৰণে ২০ কোটি টকা মূলধন এপেক্স বেংকক ঘূৰাই দিব। তেতিয়া পঞ্চায়ত সমবায় সমিতিবিলাক ঋণমুক্ত হ'ব। আমি বাকী থকা ১৬ কোটি টকা ঘূৰাই দিব নেলাগে। সেইটো এপেক্স বেংকৰ লগত এডযাষ্ট কৰা হৈছে। এই বিষয়ে আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে। সেই কাৰণে পঞ্চায়ত সমবায় সমিতিসমূহে ডাঙৰ ঋণৰ বোজাৰ পৰা মুক্তি পাব আৰু এপেক্স বেংকৰ পৰা নতুনকৈ লোন লৈ কাম আৰম্ভ কৰিব পাৰিব। আমাৰ মাননীয় সদস্য অনন্ত ডেকা ডাঙৰীয়াই ৰঙিয়াৰ এপ'ল উদ্যোগৰ কথা কৈছে আৰু তেখেতে এডিচনেল ৰেজিষ্টাৰ আদি ডাঙৰ ডাঙৰ পোষ্ট খালী হৈ থকাৰ কথা কৈছে। আমি সেই খালী পোষ্টবিলাক ফিল-আপ কৰিম আৰু এপ'ল উদ্যোগৰ বিষয়ে যিবিলাক বস্তু দেখুৱাইছে সেইবিলাক আমি চাম। মাননীয় সদস্য কেশৱ মহন্ত ডাঙৰীয়াই এপেক্স বেংকৰ এম.ডি নিযুক্তি দিয়াৰ ক্ষেত্ৰত এটা ক্ৰাইটেৰীয়া থাকিব লাগে বুলি কৈছে। তেখেতৰ পৰামৰ্শটো আমি গ্ৰহণ কৰিছো। আমি এপেক্স বেংকৰ এম.ডি নিৰ্দিষ্ট ক্ৰাইটেৰীয়াৰ মাজেদি নিযুক্তি দিম যাতে বেংকটোৱে লাভ কৰিব পাৰে। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই ৰাজ্যিক সমবায় সংঘ টনকিয়াল কৰি তুলিব লাগে বুলি কৈছে। কিন্তু তেওঁলোকৰ নিজৰেই অৱস্থা নাই। এই বিষয়ে আমি চাম। মাননীয় সদস্য কেশৱ মহন্ত ডাঙৰীয়াই আৰু এটা কথা কৈছে। সেইটো হ'ল মধ্যভোগীয়ে সমবায় সমিতিসমূহৰ বস্তু উঠাই নি বাহিৰে বাহিৰে সেই বস্তুবিলাক বিক্ৰী কৰি দিয়ে। এইটো কথা মই যোগান মন্ত্ৰী মহোদয়ৰ পৰা কনফাৰ্ম কৰিছোঁ। গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ অৱস্থা নাই। তেওঁলোকে পইচা থকা মানুহৰ ওচৰলৈ গৈ সেই বস্তুবিলাক লয়। এইটো প্ৰায়বিলাক গাওঁ পঞ্চায়ত সমবায় সমিতিতেই হৈ আছে। চৰকাৰে এইটো কেনেকৈ বন্ধ কৰিব? গাওঁ পঞ্চায়ত

সমবায় সমিতিবিলাক আৰ্থিকভাৱে টনকিয়াল নহ'লে এইটো চলি থাকিব। আমি এইটো চাম।

* **শ্ৰীপ্ৰদীপ হাজৰিকা** ঃ চাৰ, মধ্যভোগীয়ে পঞ্চায়ত সমবায় সমিতিসমূহৰ নামত বস্তু উঠাই নি বাহিৰে বাহিৰে বিক্ৰী কৰি দিয়ে। মোৰ শিৱসাগৰ জিলাৰ এখন পঞ্চায়ত সমবায় সমিতিৰ বস্তু বেলেগে উঠাই নি বাহিৰে বাহিৰে বিক্ৰী কৰি আছে।

* **শ্ৰীঅনন্ত ডেকা** ঃ চাৰ, মই এপেক্স বেংকৰ দুটা পলিচীৰ কথা কৈছিলোঁ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ সেই দুটা হৈছে এটা প্ৰফিট আৰু এটা লচ। সেইটো আমি চাম। মধ্যভোগীৰ জৰিয়তে পঞ্চায়ত সমবায় সমিতি সমূহৰ যি বস্তু বিক্ৰী কৰি আছে, সেইটো আমি দুয়োটা বিভাগে লগ লাগি বেলেগে ব্যৱস্থা ল'ম আৰু গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাকক লোণমুক্ত কৰাৰ পিচত আৰু বিলখন পাচ কৰাৰ পিচত ডেমক্ৰেটিক অট'নমাচ এণ্টাৰপ্ৰাইজ হ'ব। ইয়াত এডপ্ট কৰিব নোৱাৰে, এক্সটেনচনো দিব নোৱাৰে। ইলেক্‌চন নপতাকৈ থাকিব নোৱাৰিব। এইটো এটা ডাইনেমিক চেচ্‌টেম হ'ব। মই মাননীয় সদস্য সকলক আৰু এটা কথা ক'ব খুজিছোঁ যে আমাৰ ১২৬ জন বিধায়ক আছে, তেখেতসকলে নিজৰ নিজৰ সমষ্টিত ১০০/২০০ মেম্বাৰ লৈ একোখন সমবায় সমিতি গঠন কৰিব পাৰে আৰু সেই সমিতিৰ চেয়াৰমেন তেওঁলোক নিজেই হ'ব পাৰে। এইটো 'অফিচ অৱ প্ৰফিট'ত নপৰে। তেওঁলোকে নিজৰ নিজৰ সমষ্টিৰ কৃষকক লৈও এই সমবায় সমিতি গঠন কৰিব পাৰে যাতে ইয়াৰ দ্বাৰা কৃষক বা গাওঁৰ মানুহক সহায় কৰিব পাৰে। এম.এল.এ সকলে নিজৰ মনৰ লগত মিলা মেম্বাৰো ল'ব পাৰে। কিয়নো ইয়াত ৰাজনৈতিক হস্তক্ষেপলৈ কোনো ভয় নাই। এইখিনিকে কৈ মই মাননীয় সদস্যসকলক কৰ্তন প্ৰস্তাৱ উঠাই লোৱাৰ কাৰণে অনুৰোধ জনালোঁ।

**Mr. Speaker :** Now, No. 1) Shri Mission Ranjan Das
Shri Rameswar Teli

* Speech not corrected

Shri Kartik Sena Sinha
Shri Ranjit Dutta
Shri Sambhu Sing Mallah
Shri Parimal Suklabaidya
Shri Prasanta Phukan
Dr. Rumi Nath
Shri Abhijit Hazarika

2) Dr. Kamala Kanta Kalita
Shri Keshab Mahanta
Shri Nurul Hussain
Shri Jyoti Prasad Das
Shri Abdul Aziz
Dr. Alaka Sarma

3) Shri Pranab Kalita

4) Shri Drupad Borgohain

5) Shri Ananta Deka
Shri Uddhab Barman

6) Shri Badruddin Ajmal
Dr. Aditya Langthasa
Shri Hafiz Basir Ahmed
Shri Anwarul Hoque
Shri Sirajuddin Ajmal
Shri Mubarak Ali Pathan

Will you withdraw your Cut Motion ?

**শ্ৰীজ্যোতিপ্ৰসাদ দাস ঃ** চাৰ, মাননীয় মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে তাৰ ওপৰত মই আৰু এটা পৰামৰ্শ দিব বিচাৰিছোঁ। সেইটো হ'ল কিছুমান গাওঁ পঞ্চায়ত সমবায় সমিতিত কেডাৰ ছেক্ৰেটাৰী থাকিব লাগে। কিন্তু তাত এধক বেচিচ্ ছেক্ৰেটাৰীয়ে চলাই আছে। চৰকাৰী মানুহ নোহোৱাৰ কাৰণে সমবায় সমিতি

সমূহ ভালকৈ চলাব পৰা নাই। সেই সমবায় সমিতি সমূহত যদি জুনিয়ৰ ইন্সপেক্টৰ আদি চৰকাৰী কৰ্মচাৰীক ছেক্ৰেটাৰীৰ দায়িত্ব দিয়া হয় তেতিয়াহ'লে ৰাইজৰ সুবিধা হয়। এতিয়া আমি বিধায়ক হিচাবে যদি তাত কিবা এটা কথা আলোচনা কৰিবলৈ যাওঁ তেতিয়াহ'লে তাত আমাৰ কোনো কথা বুজিবলৈ চেষ্টা নকৰে। তাত এধক ছেক্ৰেটাৰী জনেই বহুত অনিয়মীয়া কাম কৰে। মোৰ সমষ্টিতো এনেকুৱা গাওঁ পঞ্চায়ত সমবায় সমিতি আছে। মোৰ সমষ্টিৰ নগৰবেৰা গাওঁ পঞ্চায়ত সমবায় সমিতিত মৃত মানুহৰ ভোটেৰেই আৰু অশুদ্ধ ভোটাৰ তালিকাৰে ইলেক্চনত নিৰ্বাচিত হৈছে। এই বিষয়ে মই এচিষ্টেণ্ট ৰেজিষ্টাৰ, ৰেজিষ্টাৰ আদিক জনাইছোঁ। কিন্তু একো একচন লোৱা নাই।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** চাৰ, এই বিলখন পাচ কৰিবলৈ দিয়ক। সেই গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ ইলেক্চন অহা ১২ মাৰ্চ তাৰিখে অনুষ্ঠিত কৰাৰ কাৰণে নিৰ্দেশ দিয়া হৈছে। ৩ মাৰ্চ তাৰিখে মনোনয়ন দাখিল কৰিব লাগিব। মই মাননীয় সদস্য সকলক কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল, এতিয়া সময় শেষ হ'ল। আলোচনা বাকী আছে যিহেতু আৰু অলপ সময় বঢ়াই লোৱা ভাল হ'ব। We have no time. Time may be extended for few minutes with your approvel.

